# ৰামধেনুৰ চুটিগল্পৰ বৈশিষ্ট্য

# ৰামধেনুৰ চুটিগল্পত সমাজ সচেতনতা

আধুনিক সাহিত্যৰ সকলো উপাদানেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰা *ৰামধেনু*ৰ লেখকসকলৰ ৰচনাত সমাজসচেতনতাৰ ভাৱ সততে ফুটি উঠা দেখা যায়। পশ্চিমীয়া সাহিত্যত আলোড়ন সৃষ্টি কৰা বিভিন্ন দৰ্শন *ৰামধেনু*ৰ পাতত প্ৰতিফলিত হ'ল। *ৰামধেনুৰ* পূৰ্ববৰ্তী *আৱাহন* আৰু *পছোৱাৰ* পাততো পশ্চিমীয়া চিন্তাচৰ্চা আৰু দৰ্শনৰ প্ৰভাৱ পৰিছিল যদিও সি ইমান শক্তিশালী ৰূপত প্ৰকাশ পোৱা নাছিল। অসমীয়া আলোচনীকেন্দ্ৰিক সাহিত্যত *জোনাকী*য়ে আদৰি অনা ৰোমাণ্টিক সাহিত্যৰ লগত যুদ্ধোত্তৰ যুগৰ সাহিত্যৰ পাৰ্থক্য ভাবিব নোৱাৰা ধৰণৰ। মানুহে বাস্তৱ দৃষ্টিভংগীৰে চাবলৈ শিকিলে আৰু ৰোমাণ্টিক ভাৱবিলাসিতাৰ ঠাই ললে গভীৰ বাস্তৱবাদে। সামাজিক মূল্যবোধৰ সলনি হ'ল আৰু নতুন দৃষ্টিৰে সমাজখনক প্ৰত্যক্ষ কৰিবলৈ ল'লে।সামাজ আৰু মানুহৰ পাৰস্পৰিক ধাৰণাও সলনি হ'ল। ধৰ্ম আৰু আধ্যাত্মিকতাৰ সম্পৰ্কে প্ৰশ্ন উথাপিত হ'ল আৰু এই সম্পৰ্কীয় গতানুগতিক বিশ্বাসৰ ভেটি থৰক বৰক হৈ পৰিল। পুৰণি সংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে এচাম শিক্ষিত মানুহে মাৰ বান্ধি থিয় দিলে আৰু তেওঁলোকৰ চিন্তাক সাহিত্যৰ মাজেৰে প্ৰকাশ কৰিলে। যুদ্ধোত্তৰ যুগৰ দ্ৰুত পৰিবৰ্তিত সমাজৰ লগত খাপ খাই পৰি তেওঁলোকৰ চিন্তা-ধাৰাৰ আমূল পৰিবৰ্তন ঘটিল। মনোবিজ্ঞানৰ প্ৰভাৱে মানুহৰ বাহ্যিক দিশৰ লগতে আভ্যন্তৰীণ দিশটোৰো সূক্ষ্ম বিচাৰ-বিশ্লেষণ কৰিবলৈ তেওঁলোকক প্ৰেৰণা যোগালে। ফ্ৰয়দৰ দৰ্শনে লেখকসকলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলে।জন্মলগ্নৰে পৰা অসমীয়া চুটিগল্পত সমাজসচেতনতা প্ৰকাশ পাই আহিছে। স্বভাৱিক ৰূপেই *ৰামধেনু*ত প্ৰকাশিত গল্পসমূহো ইয়াৰ ব্যতিক্ৰম নহ'ল।

প্ৰতিখন কিতাপৰ আঁৰত এজন ব্যক্তি থকাৰ দৰে ব্যক্তিজনৰ আঁৰত থাকে এখন সমাজ । সেই সমাজখনে জ্ঞাতসাৰেই হওক বা অজ্ঞাতসাৰেই হওক ব্যক্তি অৰ্থাৎ লেখকজনৰ লেখনীত ভুমুকি মাৰে। *ৰামধেনু*ৰ গল্পকাৰসকলৰ সন্মুখত আছিল সেই সময়ৰ অসমীয়া সমাজখন। অসমীয়া সমাজখনৰ উপৰিও তদানীন্তন ভাৰতীয় সমাজখনৰ প্ৰতিও তেওঁলোকে লক্ষ্য ৰাখিছিল। তদুপৰি সমগ্ৰ বিশ্বক চমকিত কৰি তোলা দ্বিতীয় মহাযুদ্ধয়ো গল্পকাৰসকলৰ ওপৰত গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল।সমসাময়িক সমাজৰ প্ৰতি তীব্ৰভাৱে সচেতন হৈ উঠা এই যুগৰ লেখকসকলক তেওঁলোকৰ পশ্চাৎপট ৰূপে থকা মহাযুদ্ধৰ প্ৰভাৱে ৰোমাণ্টিক চেতনাৰ প্ৰতি উদাসীন কৰি তোলে। সেয়েহে

এওঁলোকৰ গল্পত আগৰ যুগতকৈ অধিক বাস্তৱমুখিতা দেখা যায়। গল্পকাৰসকল বেচি পৰিমাণে সমাজ সচেতন হবলৈ ল'লে আৰু বিশেষভাৱে সচেতন হৈ পৰিল সমাজত চলি থকা অন্যায়-অবিচাৰৰ প্ৰতি।স্বৰাজোত্তৰ কালৰ মধ্যবিত্ত সমাজত দেখা দিয়া ক্ষয়িষ্ণু জীৱন সম্পৰ্কে তেওঁলোক অবহিত আছিল। সেয়েহে *ৰামধেনু*ৰ গল্পত এই দিশটোৱে ক্ৰিয়া কৰা পৰিলক্ষিত হয়। ভাৰতৰ স্বাধীনতা আন্দোলনৰ অন্তিম পৰ্যায়ৰ সৈতেও এই তৰুণ লেখকসকল জড়িত আছিল। সেই সময়ৰ বংগদেশৰ দুৰ্ভিক্ষ তথা সাম্প্ৰদায়িক সংঘৰ্ষই তেওঁলোকৰ হৃদয় স্পৰ্শ কৰি গৈছিল। স্বাধীনতা প্ৰাপ্তিৰ পৰবৰ্তী কালতেই দেখা দিয়া ৰাজনৈতিক বিশৃংখলতা আৰু আদৰ্শচ্যুতিয়ে তেওঁলোকক হতাশ কৰাৰ প্ৰমাণ গল্পত মূৰ্ত হৈ পৰিল। সেই সময়ত ক্ৰমশঃ বৃদ্ধি পাবলৈ লোৱা নগৰীয়া জীৱনৰ প্ৰতি মোহ ভালেমান গল্পকাৰৰ গল্পত কেন্দ্ৰীয় ভাৱ হিচাপে স্হান পাইছে যদিও *ৰামধেনু*ৰ চুটিগল্প গাঁৱলীয়া সমাজখনক কেন্দ্ৰ কৰিয়েই প্ৰধানত:আৱৰ্তিত হৈছে। সেয়েহে *ৰামধেনু*ৰ পাতত ভালেমান লেখকৰ গল্পত গ্ৰামীন জীৱনৰ বিচিত্ৰতাসমূহ প্ৰকাশ পাইছে।

*ৰামধেনু*ৰ কেইবাজনো শ্ৰেষ্ঠ গল্পকাৰে এই গাঁৱলীয়া সমাজক ভিত্তি কৰিয়েই কেইবাটাও সুখপাঠ্য অবিস্মৰণীয় গল্প লিখি উলিয়াইছে। জীৱন আৰু সমাজৰ বৈচিত্ৰ্যপূৰ্ণ অভিজ্ঞতাই গল্পকাৰ সকলক অভিজ্ঞ কৰি তুলিলে –সেই সময়ৰ পৰিবৰ্তনশীল সমাজৰ বিচিত্ৰ অভিজ্ঞতা আৰু সমস্যাত জৰ্জৰিত হোৱা ব্যক্তিৰ আশা-নিৰাশা, কামনা-বাসনা, সুখ-দুখৰ সংবাদক এই যুগৰ গল্পকাৰে ৰূপ দিবলৈ চেষ্টা চলালে। অভিজ্ঞতাই তেওঁলোকৰ লেখনী বহুধাবিস্তৃত কৰি তুলিলে।

*ৰামধেনু*ৰ গল্প অভূতপূৰ্বভাৱে ঐশ্বৰ্যশালী হৈ উঠিল সেই যুগৰ গল্পকাৰসকলৰ বিচিত্ৰ উদ্ভাৱনী শক্তি, গভীৰ বিশ্লেষণ দক্ষতা, তীব্ৰ যুগ সচেতনতা আৰু প্ৰচুৰ সামাজিক দায়িত্ববোধৰ পৰশত। *ৰামধেনু*ৰ চুটিগল্প প্ৰধানতঃ অসমীয়া গাঁৱলীয়া সমাজখনক কেন্দ্ৰ কৰিয়েই আৱৰ্তিত হৈছে। গ্ৰামীন জগতৰ লগত থকা নিজৰ আভিজ্ঞতাক লেখকসকলে তেওঁলোকৰ গল্পৰ সমল হিচাপে গ্ৰহণ কৰিলে। গাঁৱলীয়া জীৱনৰ সনাতন জীৱনধাৰা আৰু আধুনিক নগৰীয়া জীৱনত দেখা দিয়া বিভিন্ন পৰিবৰ্তনে গাঁৱলীয়া জীৱনলৈ বহন কৰি আনিব খোজা ভাঙোনৰ পটভূমিক লৈ কেইবাটাও সাৰ্থক গল্প ৰচনা কৰা হৈছে । যোগেশ দাস, লক্ষ্মীনন্দন বৰা, মহিম বৰা আৰু ভবেন্দ্ৰনাথ শইকীয়াই বৰ্ণনা কৰা গ্ৰামীন

জীৱনৰ চিত্ৰ অতি মনোৰম।

অসমীয়া গল্প সাহিত্যত যোগেশ দাসৰ 'কলপটুৱাৰ মৃত্যু'[৬০] গল্পটো এটা উল্লেখযোগ্য গল্প। উপেন্দ্ৰ নাথ শৰ্মাদেৱে এই গল্পটোৰ সম্পৰ্কে মন্তব্য কৰিছে যে ৰামধেনু যুগত ৰচনা কৰা 'কলপটুৱাৰ মৃত্যু'[৬১] গল্পটো সম্ভৱতঃ যোগেশ দাসৰ সৰ্বশ্ৰেষ্ঠ চুটিগল্প। যোগেশ দাসৰ গল্পত জীৱন আৰু সমাজৰ প্ৰতি দৃষ্টিভংগী আৰু অনুভূতি স্পষ্ট ৰূপত প্ৰতিভাত হয়। এই গল্পটোতো গভীৰ জীৱনবোধৰ স্বাক্ষৰ দেখা যায়। গাঁৱলীয়া জীৱনৰ দুৰ্দশা, সংঘাত আৰু নিৰুপায় অৱস্থাৰ এক অপূৰ্ব চিত্ৰ ইয়াত প্ৰকাশ পাইছে। মৌজাদাৰৰ ল'ৰা বৰবোপাৰ দ্বাৰা অন্তঃসত্বা হোৱা ৰূপেশ্বৰীক পুৰণি লগুৱা ধনীৰামৰ হাতত মৌজাদাৰহঁতে গতাই দিয়ে খাজনা ৰেহাই আৰু দুশ টকাৰ বিনিময়ত। এইদৰেই বিত্তবান ক্ষমতাবানৰ হাতৰ বলি হ'ল- ৰূপে আৰু ধনীৰাম। সমাজত নিজকে ধোৱা তুলসীৰ পাতৰূপে সজাই ৰাখিব খোজা মৌজাদাৰহঁতৰ চক্ৰান্তত পৰি ধনীৰামহঁতে জীৱনৰ সৰ্বস্ব হেৰুৱাইছে– যেন তুলসীৰ লগত কলপটুৱাৰ মুক্তি নহৈ মৃত্যুহে হৈছে। লক্ষ্মীনন্দন বৰাৱো গাঁৱলীয়া সমাজৰ সুখ-দুখ, আশা-নিৰাশা, বিভিন্ন সমস্যা, অভাৱ-অনাটন আদিৰ ওপৰত ভিত্তি কৰি সুখপাঠ্য গল্প লিখিছে। পূৰ্বাপৰ প্ৰচলিত সামাজিক পৰম্পৰাক কিদৰে অভাৱৰ তাড়নাত পৰি বিসৰ্জন দিবলগীয়া হৈছে তাৰ বৰ্ণনা আছে 'সখা দামোদৰ'[৬২] গল্পটোত। এজন খেতিয়কে অভাৱৰ বাবেই অতি আদৰৰ গৰুহাল বেচিবলগীয়াত পৰি জীৱিকা নিৰ্বাহৰ উপায় হিচাপে লৈছে হস্পিতালৰ পিয়নৰ চাকৰি। বহাগ বিহুটোত গৰু বিহুৰ দিনাখনো তেওঁ ঘৰলৈ আহিবলৈ মন কৰা নাই গৰুহালৰ অনুপস্থিতিৰ বাবেই। অৱশেষত এদিনৰ ছুটীত ঘৰলৈ আহি দেখে যে নতুন ঘৰত আদৰ-উলহ নাপাই ঘৰৰ গৰুহাল পুনৰ তেওঁলোকৰ ঘৰলৈকে উভতি আহিছে। গল্পটোত কৃষি প্ৰধান অসমীয়া গ্ৰামীন সমাজৰ সৈতে খেতিৰ প্ৰধান আহিলা গৰুৰ নিবিড় আপোন সম্পৰ্ক দেখুওৱাৰ লগতে ক্ৰমবৰ্দ্ধিত অভাৱ-অনাটনৰ ফলত সুখ -শান্তি হেৰুওৱা মানুহৰ জীৱনৰ বিষয়ে বৰ্ণনা কৰা হৈছে।

গাঁৱলীয়া সমাজ জীৱনৰ আধাৰত গল্প ৰচনা কৰাত অতিমাত্ৰা দক্ষতাৰ পৰিচয় দিয়া মহিম বৰাৰ 'তিনিৰ তিনি'[৬৩] গ'ল এটা সমাজ সচেতন গল্প। এজন সহজ-সৰল লোকে নিজৰ বাৰীৰ তিনি

---

৬০। যোগেশ দাস — 'কলপটুৱাৰ মৃত্যু', *ৰামধেনু*, ৫ম বছৰ, ২২শ সংখ্যা

৬১। উপেন্দ্ৰ নাথ শৰ্মা — 'চুটিগল্প' (১৯৫০-১৯৯০), *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, পৃ. ৪৪৯

৬২। লক্ষ্মীনন্দন বৰা — 'সখা দামোদৰ', *ৰামধেনু* ১২শ বছৰ, ২য় সংখ্যা

৬৩। মহিম বৰা — 'তিনিৰ তিনি গ'ল,' *গল্প সমগ্ৰ।*

আখি কল নিজৰ ল'ৰাৰ মুখৰ পৰা কাঢ়ি আনিছে বজাৰত বেচিবৰ বাবে। কিন্তু তেওঁ একপইচাও নাপালে-
- কিয়নো এআখি দিয়া হ'ল উপকাৰী ডাক্তৰ এজনক, এআখি বাকী আদায়ৰ বাবে দোকানীক আৰু এআখি মৌজাদাৰৰ টেকেলাক এনেয়ে দিবলৈ বাধ্য হৈ শুদাহাতে ঘৰলৈ উভতি আহে। গল্পটোৰ বৰ্ণনা অতিশয় হৃদয়স্পৰ্শী।

অসমৰ গ্ৰামীন জীৱনক বছৰে বছৰে প্ৰৱলভাৱে জোকাৰি থৈ যোৱা বানপানীৰ প্ৰলয়ংকৰী বৰ্ণনাও কেইবাটাও গল্পৰ মাজেৰে চিত্ৰিত হৈছে। তেনে এটা গল্প হৈছে প্ৰভাত গোস্বামীৰ 'গৰা খহনীয়া'।[৬৪] যি লুইতৰ বুকুত মোহন আৰু মালতীৰ দৰে সহস্ৰজনে শৈশৱৰ পৰা সাঁতুৰি-নাদুৰি ডাঙৰ হ'ল- সেই লুইতেই প্ৰত্যেক বছৰে সিহঁতকে ধবংস কৰাৰ উদ্দেশ্যেৰে ভয়ংকৰ ৰূপ ধাৰণ কৰে। তেজক পানী কৰি গঢ়ি তোলা দুচকুৰে মণিব নোৱাৰা পৰ্যন্ত বিয়পি থকা সেউজী ধাননি নষ্ট কৰিহে লুইত ক্ষান্ত হয়। ৰোহিণী কুমাৰ কাকতিৰ 'সিহঁত আৰু আশা'[৬৫] গল্পটোতো বানপানীয়ে বিপৰ্যস্ত কৰি থৈ যোৱা গাঁৱলীয়া সমাজৰ মৰ্মন্তুদ বৰ্ণনা আছে।

প্ৰাচীন পৰম্পৰাৰ নামত চলি অহা কুসংস্কাৰৰ প্ৰতি ক্ষোভ ফুটি উঠা *ৰামধেনু*ৰ এটা বিখ্যাত গল্প হৈছে ৰোহিণী কুমাৰ কাকতিৰ 'অস্থিৰ শিখা'।[৬৬] সোতৰ বছৰীয়া বিধবা ৰুমীক বিয়া কৰাই এটা নতুন জীৱন আৰম্ভ কৰিব খোজে ৰুমীৰ পিতৃৰ বন্ধুৰ পুত্ৰ অৰুণে। কিন্তু সমাজৰ ভয়ত তথা পৰম্পৰাৰ নামত প্ৰচলিত হৈ অহা কুসংস্কাৰৰ পৰা আঁতৰি আহিবলৈ ৰুমীৰ সাহসে নুকুলায়। এগৰাকী নাৰী হৈ কৌটিকলীয়া সংস্কাৰ আৰু বিশ্বাসৰ দেৱাল ভাঙিব নোৱাৰাৰ বাবেই ৰুমীৰ পক্ষে অৰুণৰ সৈতে এটা নতুন অধ্যায়ৰ সূচনা কৰাটো সম্ভৱপৰ হৈ নুঠিল। অন্তৰত বাসনা লৈ মন্দিৰে মন্দিৰে ঈশ্বৰৰ ওচৰত শান্তি আৰু মৃত স্বামীৰ কল্যাণ চিন্তা কৰিয়েই জীৱন অতিবাহিত কৰিবলৈ ৰুমীয়ে মানি লয়।

*ৰামধেনু*ৰ গল্পৰ সমাজ সচেতনতাৰ অন্য এটা দিশ হ'ল মধ্যবিত্তীয় পৰিয়ালৰ বিভিন্ন সমস্যা, হা-হুতাশৰ বেদনা আৰু নায্য অধিকাৰৰ পৰা বঞ্চিত হোৱাৰ ফলস্বৰূপে ওপজা ক্ৰোধ। কৃষ্ণ ভূঞাৰ 'ছিলঙৰ কেৰাণী'[৬৭] গল্পটোত মধ্যবিত্তৰ জীৱনৰ দুৰ্দশাৰ বাস্তৱ চিত্ৰ অংকন কৰা হৈছে।

---

৬৪। প্ৰভাত গোস্বামী - 'গৰা খহনীয়া', *ৰামধেনু*, ৪ৰ্থ বছৰ, ৭ম সংখ্যা
৬৫। ৰোহিণী কুমাৰ কাকতি - 'সিহঁত আৰু আশা', *ৰামধেনু*, ৪ৰ্থ বছৰ, ৭ম সংখ্যা
৬৬। ৰোহিণী কুমাৰ কাকতি - অস্থিৰ শিখা, *ৰামধেনু*, ৬ষ্ঠ বছৰ, ১ম সংখ্যা,
৬৭। কৃষ্ণ ভূঞা - 'ছিলঙৰ কেৰাণী', *ৰামধেনু*, ৮ম বছৰ, ১১-১২শ সংখ্যা

*ৰামধেনু*ৰ বহু সংখ্যক গল্পৰ পটভূমি শ্বিলং হোৱাৰ দৰে এই গল্পটোৰ পটভূমিও শ্বিলং নগৰী। কেৰাণীৰ সংসাৰৰ প্ৰধান সহচৰ অভাৱ-অনাটনৰ মৰ্মস্পৰ্শী বৰ্ণনা শ্বিলঙৰ কেৰাণী ৰত্নেশ্বৰৰ জীৱন যাত্ৰাৰ জৰিয়তে প্ৰকাশ পাইছে। ৰত্নেশ্বৰে নিজৰ বা পত্নী লক্ষীৰ নাইবা পুত্ৰ-কন্যাৰ কোনো ধৰণৰ আশা-আকাংক্ষা পূৰণ কৰিব নোৱাৰে। শ্বিলঙতে থাকি চেৰাপুঞ্জীলৈ ফুৰিবলৈ যোৱাৰ বাবে থকা লক্ষীৰ বহুদিনীয়া হেঁপাহ, কণমানি পুত্ৰ দীপৰ চাইকেল কিনাৰ আগ্ৰহক বাস্তৱত ৰূপ দিবলৈ ৰত্নেশ্বৰ অসমৰ্থ। অফিচৰ বৰবাবুৰ সৈতে হোৱা সামান্য মনোমালিন্যৰ ফলস্বৰূপে অৱশেষত তেওঁৰ বছৰেকীয়া ইনক্ৰিমেন্টটোও কটা যায়। সংসাৰৰ সমস্যা, অভাৱ আৰু নায্য অধিকাৰৰ পৰা বঞ্চিত হোৱা ৰত্নেশ্বৰ কেৰাণীৰ জীৱন এনেকৈয়েই চলি থাকে। সৌৰভ কুমাৰ চলিহাৰ 'অশান্ত ইলেকট্ৰন'[৬৮] গল্পটোতো মধ্যবিত্ত জীৱনৰ দুখ-দুৰ্দশা আৰু সংঘাতৰ চিত্ৰ ৰূপায়িত হৈছে। এই গল্পটোৰ মূল সুৰ হৈছে সামাজিক আৰু ৰাজনৈতিক বিশৃংখলতা। সমাজৰ অসৎ শ্ৰেণীৰ চৰিত্ৰৰ নৈতিক প্ৰমূল্যৰ অৱক্ষয় দেখুওৱাৰ উপৰিও যথাৰ্থ আদৰ্শবিহীন বিলাসী কমিউনিষ্টসকলকো তীব্ৰ সমালোচনা কৰা হৈছে। চলিহাৰ 'বাৰকাৰ'ল'[৬৯] গল্পটোতো মধ্যবিত্ত জীৱনৰ সীমাবদ্ধতা আৰু কল্পনাসৰ্বস্ব ৰূপটো স্পষ্ট হৈ উঠিছে। সমাজৰ সন্মানৰ পাত্ৰ শিক্ষক শ্ৰেণীৰ দুৰৱস্থাৰ বিৱৰণ আছে ৰাধিকা মোহন গোস্বামীৰ বিখ্যাত গল্প 'ষ্টেট ট্ৰেন্সপৰ্ট'ত [৭০]। শিক্ষাদানকে জীৱনৰ ব্ৰত হিচাপে লৈ আৰ্থিক সমস্যাৰ মাজতো আত্মীয়-স্বজনৰ পৰামৰ্শ সত্বেও ২য় মহাযুদ্ধৰ সময়ৰ লোভনীয় ঠিকা কামক অগ্ৰাহ্য কৰা শিক্ষকজনৰ জীৱন যাত্ৰাৰ স্বৰূপ ইয়াত আছে। মহাযুদ্ধই সৃষ্টি কৰা একশ্ৰেণীৰ তথাকথিত ধনী ভদ্ৰলোকে অন্তৰৰ নৈতিক মূল্যবোধ হেৰুৱাই শিক্ষকজনক তুচ্ছ-তাচ্ছিল্য কৰিবলৈ অকণো কুণ্ঠবোধ কৰা নাই। শিক্ষকজনক সন্মান কৰিছে কেৱল তেওঁৰ ছাত্ৰ এজনেহে। ২য় মহাযুদ্ধৰ সময়তে চোৰাং ব্যৱসায় কৰি চৰা দামত খাদ্য সামগ্ৰী বেচি ৰাইজক সৰ্বস্বান্ত কৰাৰ চক্ৰান্ত কৰা ব্যৱসায়ীৰ স্বৰূপ ফুটি উঠিছে যোগেশ দাসৰ 'বনমালী চৌধুৰী'[৭১] গল্পটোত। ইয়াত পঞ্চাছ চনৰ প্ৰলয়ংকৰী ভূমিকম্পৰ ভয়াবহতাৰ আভাসো আছে।

*ৰামধেনু*ৰ পাততে প্ৰকাশ পোৱা এটা অন্যতম গুৰুত্বপূৰ্ণ সমাজ সচেতন গল্প ৰবীন দাসৰ 'পৃথিৱী আৰু প্ৰাণ'[৭২]।লেখকৰ সচেতন মনটোৱে ব্ৰহ্মপুত্ৰৰ সংহাৰ মূৰ্তিৰ পৰা আৰম্ভ কৰি ভূমিকম্পৰ

৬৮। সৌৰভ কুমাৰ চলিহা- অশান্ত ইলেকট্ৰন, *ৰামধেনু*, ৩য় বছৰ, ১০-১১শ সংখ্যা,
৬৯। সৌৰভ কুমাৰ চলিহা- বাৰকাৰল, *ৰামধেনু*, ১০ম বছৰ, ৭ম সংখ্যা,
৭০। ৰাধিকা মোহন গোস্বামী- 'ষ্টেট ট্ৰেন্সপৰ্ট, *ৰামধেনু* ৫ ম বছৰ ৩য় সংখ্যা,
৭১। যোগেশ দাস – 'বনমালী চৌধুৰী', *ৰামধেনু*, ৩য় বছৰ ১১-১২ষ সংখ্যা
৭২। ৰবীন দাস- 'পৃথিবী আৰু প্ৰাণ', *ৰামধেনু* ৪ৰ্থ বছৰ, ৭ম সংখ্যা

ভয়াবহতা, দুৰ্ভিক্ষ- অভাৱ, ৰাজনৈতিক নেতাৰ দুৰ্নীতি, চৰকাৰৰ নিৰ্লিপ্ততা, নায্য অধিকাৰৰ দাবীত ছাত্ৰৰ আমৰণ অনশন, স্বাৰ্থান্বেষী সুবিধাবাদী অভিজাত শ্ৰেণীটোৰ স্বৰূপ প্ৰকাশ ইত্যাদি সমাজৰ সৈতে জড়িত বিভিন্ন দিশবোৰক স্পৰ্শ কৰিছেগৈ। গল্পৰ কেন্দ্ৰীয় চৰিত্ৰ বৰুৱাই দেশৰ এই অন্যায়-অবিচাৰৰ বিৰুদ্ধে মাত মাতি যাবলৈ আধাৰ হিচাপে গ্ৰহণ কৰে এখন বাতৰি কাকত। ক'লা টকাৰ ব্যৱসায়ীয়ে কেৱল বিশ্ববিদ্যালয়ত দান কৰা বিপুল ধনৰাশিৰ বিনিময়ত নিজৰ নাম সোণালী আখৰেৰে খোদিত কৰাব পৰা আমাৰ সমাজৰ প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি বৰুৱাই বিদ্ৰোহ কৰে – যি সমাজ ব্যৱস্থাত জাতীয় স্বাৰ্থৰ প্ৰতি কোনো ৰাজনৈতিক নেতা, পালি নেতাৰ কাণসাৰ নাই, সকলো ব্যস্ত কেৱল নিজ নিজ স্বাৰ্থপূৰণৰ উদ্দেশ্যত। চাৰিপাশৰ এই অন্যায়-অবিচাৰৰ পৰিবেশৰ মাজত একমাত্ৰ তেওঁ নিজৰ আদৰ্শত অটল হৈ ৰয়। জীৱিকাৰ একমাত্ৰ উপায় বাতৰি কাকতখন বন্ধ হৈ যোৱাৰ পিছতো তেওঁ ভাঙি নপৰে। তেওঁৰ লগত সমৰ্থক আৰু সহায়ক ৰূপে থাকে নতুন প্ৰজন্মৰ প্ৰতিনিধিস্বৰূপ কলেজত পঢ়ি থকা ভায়েকজন। ভাৰতৰ স্বাধীনতা আন্দোলন আৰু দ্বিতীয় মহাযুদ্ধৰ প্ৰভাৱে সাধাৰণ মানুহৰ মনত বাৰুকৈয়ে ক্ৰিয়া কৰিছিল। ইয়াৰ প্ৰমাণ পাৰা যায় যোগেন শৰ্মাৰ 'ভাৱনাৰ নপৰিলে ওৰ'[৭৩] নামত গল্পটোত। যুদ্ধই কিছুমান মানুহলৈ আনিলে বিৰাট সম্পদ আৰু কিছুমানলৈ আনিলে বিৰাট দুৰ্যোগ। যিয়ে যুদ্ধৰ লাভজনক পৰিবেশত চল চাই কঠিয়া পাৰি সোণালী সুযোগ আদায় কৰিব পাৰিলে তাৰ অৱস্থা নগণ্যৰ পৰা একেবাৰে উন্নতিৰ তুংগত উঠিলগৈ। চাউলৰ দাম প্ৰতি মোনত আশী টকা হ'লগৈ-তাতেই বেচোঁতা আৰু কিনোতাৰ প্ৰভেদ পৰিলক্ষিত হয়। নিজৰ দেশৰ স্বাধীনতা আন্দোলনত যোগদান কৰি ফাটেক খটাটো সুবিধাবাদী স্বাৰ্থান্বেষী মানুহখিনিৰ বাবে হৈ পৰিল এটা ডাঙৰ যোগ্যতা। তাৰেই দোহাই দি কিছুমানে ঠিকা কৰি হাজাৰ হাজাৰ টকা ঘটিব জানিলে! কংগ্ৰেছীৰ লগত জেল খাটি সুবিধা বুজি কংগ্ৰেছৰ পৰা ওলাই অহাৰ লিখিত প্ৰতিশ্ৰুতি ইংৰাজ চৰকাৰৰ হাতত দি নিজকে জাহিৰ কৰি ফুৰিলে ৰাজনৈতিক নিৰ্যাতিত বুলি! দেশ স্বাধীন হোৱাৰ পিছত সেইজনেই আকৌ নিৰ্বাচনত অংশ গ্ৰহণ কৰিবলৈ মন মেলিছে!

অসমৰ সীমাকো চুই যোৱা ২য় মহাযুদ্ধই সৃষ্টি কৰা সন্ত্ৰাস আৰু বিভীষিকাৰ বৰ্ণনা পোৱা আন এটা গল্প হৈছে যোগেশ দাসৰ 'তেতিয়া ৰাতি বাৰ'[৭৪] ! আধুনিক ভাৰতবৰ্ষৰ বুৰঞ্জীৰ এক কলংকিত

---

৭৩। যোগেন শৰ্মা- 'ভাৱনাৰ নপৰিলে ওৰ', *ৰামধেনু*, ৪ৰ্থ বছৰ,৮ম সংখ্যা

৭৪। যোগেশ দাসৰ – 'তেতিয়া ৰাতি বাৰ' *ৰামধেনু*, ৫ ম বছৰ প্ৰথম সংখ্যা

অধ্যায়ৰ স্বাক্ষৰ বহন কৰিছে চৈয়দ আব্দুল মালিকৰ ‘বীভৎস বেদনা’[৭৫] গল্পটোৱে !সভ্য সমাজৰ জীৱ অধ্যায়ৰ স্বাক্ষৰ বহন কৰিছে চৈয়দ আব্দুল মালিকৰ ‘বীভৎস বেদনা’ গল্পটোৱে। স্বাধীনতাৰ প্ৰাক মুহূৰ্তত দেশ শ্ৰেষ্ঠ মানুহৰ পাশৱিক মনোবৃত্তি চৰিতাৰ্থ কৰাৰ কাহিনী ইয়াত আছে। স্বাধীনতাৰ প্ৰাক মুহূৰ্তত দেশ বিভাজনৰ সময়খিনিত সাম্প্ৰদায়িকতাৰ বাস্তৱ বৰ্ণনা দাঙি ধৰা হৈছে এই গল্পটোত !সেই সময়ত মানুহৰ জীৱন যিদৰে মূল্যহীন হৈ পৰিছিল, শ শ নাৰী যিদৰে লাঞ্ছিতা হৈছিল– তাৰ বিচাৰ একো নাছিল। সেই জঘন্য অপৰাধৰ সাক্ষী হৈ ৰোৱা নাৰীৰ প্ৰতিনিধি হিচাপে লেখকে উমা আৰু পদ্মা নামৰ দুটা নাৰী চৰিত্ৰক উপস্থাপন কৰাইছে। সিহঁতৰ পৰৱৰ্তী জীৱনতো সেই বীভৎসতাৰ কদাকাৰ ছায়া মূৰ্তিয়ে সহঁতক খেদি ফুৰিছে। স্বাধীনতা প্ৰাপ্তিয়ে উমা- পদ্মা বা নিজৰ প্ৰেয়সী লক্ষীৰ সতীত্ব ৰক্ষা কৰিব নোৱাৰি উন্মাদ হৈ পৰা দীপকক একো দিব নোৱাৰিলে। বৰঞ্চ সিহঁতে হেৰুৱাবলগীয়া হ’ল নিজৰ দেহাৰ শুচিতা আৰু মানসিক স্থিৰতা। স্বাধীনতা লাভৰ আঁৰৰ এনে কদৰ্য ৰূপ এই গল্পৰ জৰিয়তে স্পষ্ট হৈ উঠিছে। সময়ৰ এনে পাশৱিক মানসিকতাক কলাসন্মতভাৱে প্ৰকাশ কৰিব পাৰিলে সাহিত্যই নগ্নতাৰ বিপৰীতে ৰূঢ় বাস্তৱক প্ৰকাশ কৰিবলৈ সক্ষম হয়। ‘বীভৎস বেদনা’ গল্পটো এই ক্ষেত্ৰত সম্পূৰ্ণৰূপে সাৰ্থক হৈছে।অসমীয়া সাহিত্যৰ বাস্তৱবাদী ধাৰাটোক শক্তিশালী কৰাত এই গল্পটোৱে যথেষ্ট অৰিহণা যোগাইছে। আন এখন অন্ধকাৰ জগতৰ কথা পোহৰলৈ আনিছে ‘ইস্মাইল শেখৰ সন্ধানত’[৭৬] গল্পটোৰ জৰিয়তে গল্পকাৰ হোমেন বৰগোহাঞিয়ে। গতানুগতিকতাৰ বিপৰীতে সমাজৰ বৈচিত্ৰ্যময় চিত্ৰ অংকন কৰিবলৈ যাওঁতে এক কদৰ্য আৰু কঠোৰ বাস্তৱৰ নিৰ্মম বৰ্ণনাৰে সচৰাচৰ সমাজৰ অগোচৰত থকা জীৱনৰ প্ৰতিচ্ছৱি ইয়াত দাঙি ধৰা হৈছে। লেখকে ইস্মাইল শেখৰ সন্ধানত এখন অবাঞ্ছিত সমাজত প্ৰৱেশ কৰি লাভ কৰা বিচিত্ৰ অভিজ্ঞতা, এগৰাকী নাৰীৰ পংকিলতাময় জীৱনৰ নেপথ্যৰ কৰুণ কাহিনী, কৰ্তব্যৰ তাগিদাত লেখকে অসহায় পৰিস্থিতিত পেলোৱা ইস্মাইল শেখৰ প্ৰতিশোধপৰায়ণতা আৰু লেখকৰ অন্তৰ্দ্বন্দ্বৰ সমাহাৰেই গল্পটো সাৰ্থক কৰি তুলিছে। লেখকে নিষিদ্ধ গলিত লগ পোৱা এলবাৰ্টো মোৰাভিয়াৰ উপন্যাস পঢ়া সেই নাৰীগৰাকীয়ে নিজৰ স্বপ্নৰ সমাধিত বহি লেখকক জীৱনৰ কাহিনী শুনায়– য’ত দেশ বিভাজনৰ সময়ত ধৰ্মৰ নামত অমানুহ হৈ পৰা এচাম লোকৰ কাৰ্য-কলাপ প্ৰকাশ পায়। দেশ বিভাজনত সৃষ্টি হোৱা ধৰ্মীয় বিদ্বেষৰ বলি হৈ নৈষ্ঠিক ব্ৰাহ্মণ অন্নদাচৰণ মুখোপধ্যায়ে গুৱাহাটীত ৰিক্সা চলাই জীৱিকা নিৰ্বাহ কৰিব লগা হ’ল। আৰু তেওঁৰ গীতা

---

৭৫।চৈয়দ আব্দুল মালিক - ‘বীভৎস বেদনা’, *ৰামধেনু* ৮ ম বছৰ, ৯ ম সংখ্যা

৭৬। হোমেন বৰগোহাঞি - ‘ইস্মাইল শেখৰ সন্ধানত’ , *ৰামধেনু*, ১১শ বছৰ, ১১শ সংখ্যা।

কণ্ঠস্থ কৰা কন্যা জীৱিকাৰ তাড়নাত নিষিদ্ধ গলিৰ বাসিন্দা হ'বলগীয়াত পৰিল। গল্পটোৰ জৰিয়তে লেখকে এই সমাজৰেই অন্তৰ্ভুক্ত অথচ সাহিত্যত প্ৰকাশ পাবৰ বাবে অবাঞ্ছিত বুলি গণ্য কৰা নিষিদ্ধ জগত এখনৰ কাহিনী সাহসেৰে বৰ্ণনা কৰিছে। যুদ্ধৰ বিৰুদ্ধে আৰু মানৱতাৰ সপক্ষে এক সাৰ্বজনীন আৱেদন জগাই তুলিবলৈ গল্পকাৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সক্ষম হৈছে 'এজনী জাপানী ছোৱালী'[৭৭] গল্পটোৰ জৰিয়তে। এই গল্পটো ২য় মহাযুদ্ধৰ পটভূমিত লিখা। যুদ্ধই জাপানত সৃষ্টি কৰা আতংকময় পৰিৱেশৰ পৰিচয় ইয়াত পাৱা যায়। গল্পৰ নায়িকা ফুমিক'ই এটম বোমাৰ বিষক্ৰিয়াত তাইৰ পিতৃ-মাতৃ আৰু ভাবী স্বামীক হেৰুৱাই আত্মহত্যাৰ সিদ্ধান্ত লয় যদিও শেষত নাৰ্ছবীয়া এজনৰ আহ্বান ক্ৰমে এই সিদ্ধান্ত পৰিত্যাগ কৰে। তেনেতে যুদ্ধৰ বিপক্ষে মাৰ বান্ধি সমবেত হোৱা ৰাইজৰ সমদল এটা দেখি তাইৰ মনলৈ পুনৰ জীৱনৰ হেৰোৱা মোহ ঘুৰি আহে। গল্পটোৰ শেষত মাইকৰ ধ্বনিত ফুমিক'ই যি আশাৰ জীৱনৰ পোহৰ দেখিছে সেই পোহৰে ফুমিক'ক বাট দেখুওৱাৰ লগতে লেখকে পাঠকৰ মনতো এক সংস্কাৰকামী মনোভাৱ জগাই তুলিবলৈ সক্ষম হৈছে। এই গল্পটোৰ দৰেই সমসাময়িক ৰাজনৈতিক, সামাজিক ধুমুহাৰ চিত্ৰ আৰু তাৰ লগতে মানৱতাবাদী চিন্তাৰ প্ৰসাৰ দেখিবলৈ পোৱা যায় বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ গল্প 'সাথৰ'ত'[৭৮]। সাম্প্ৰদায়িক সংঘৰ্ষৰ জিঘাংসা, ধৰ্মৰ উৎকট গোড়ামিৰ মাজতো জীৱনৰ সত্য চিৰউজ্জ্বল জ্যোতিৰে জ্যোতিষ্মান হৈছে। প্ৰেমত প্ৰত্যাখ্যাত হোৱা ঘনই তাৰ প্ৰতিশোধ হিচাবে বাঙালী ছোৱালী ভাৰতীৰ সম্প্ৰদায়ৰ ওপৰত হত্যা-লুটপাতৰ জৰিয়তে ক্ষোভ উজাৰিছে। অথচ এই সংঘৰ্ষৰ সময়তেই গৰ্ভৱতী ভাৰতীক নিজৰ ঘৰত আশ্ৰয় দিলে ঘনৰ মাকে। খণ্ডত অগ্নিশৰ্মা হোৱা ঘনই যেতিয়া ভাৰতীৰ মাতৃৰূপ আৰু নৱজাত শিশুটিক দেখিলে তেতিয়া তাৰ পাষাণ হৃদয় কৰুণাৰে বিগলিত হৈ পৰিল।সন্ত্ৰাসবাদী ঘন পৰিৱৰ্তিত হ'ল পুনৰ মানৱতাবাদী ঘনলৈ – তাৰ হৃদয় আকৌ মানৱ প্ৰেমেৰে পৰিপূৰ্ণ হৈ পৰিল।

*ৰামধেনু*ৰ গল্পকাৰসকলে শোষিত আৰু নিপীড়িতসকলৰ প্ৰতি সহানুভূতিশীল দৃষ্টি নিক্ষেপ কৰিছিল। সৰ্বহাৰা শ্ৰেণীটোৰ ব্যৰ্থতাৰ কৰুণ কাহিনী বহুতো গল্পত আছে। তেনে এক হৃদয়স্পৰ্শী বৰ্ণনা পাৱা যায় লেখিকা প্ৰীতি ভট্টাচাৰ্যৰ 'অভিশপ্ত'[৭৯] গল্পটোত। গাঁৱৰ মুকলিমুৰীয়া শিশু চৰ্দাৰ ৰতন ঘটনাচক্ৰত

---

৭৭। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য- 'এজনী জাপানী ছোৱালী,' *ৰামধেনু*, ৬ষ্ঠ বছৰ, ১১শ সংখ্যা

৭৮। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য- 'সাঁথৰ', *ৰামধেনু*, ১৩শ বছৰ, ৮ম সংখ্যা

৭৯। প্ৰীতি ভট্টাচাৰ্য- 'অভিশপ্ত', *ৰামধেনু*, ৪ৰ্থ বছৰ, ৭ম সংখ্যা।

পৰি নগৰৰ মানুহ এঘৰত চাকৰ খাটিবলগীয়া হয়। তাৰ ওপৰত চলা অকথ্য অত্যাচাৰ, উৎপীড়ন অসহ্য হৈ পৰাত এদিন প্ৰতিবাদ কৰাৰ ফলস্বৰূপে মালিকপুত্ৰৰ সৈতে হোৱা মৰামৰিত তাৰ ভৰিত এদাল কাঁইট সোমায়। লাহে লাহে সেই আঘাতেই ৰতনৰ ভৰিত দুৰাৰোগ্য নগা ঘা এডোখৰৰ ৰূপ লয় – যিয়ে বাটৰ কুকুৰৰ দৰে তাৰ মৰণ মাতি আনিলে। বিষত কেঁকাই-গেঠাই ৰাস্তাত অনাই-বনাই ঘূৰি ফুৰোতেও সভ্য সমাজৰ কাৰোৱেই পৰাই সি অকণমান সহানুভূতি লাভ নকৰে। এজনী কলেজীয়া ছাত্ৰীয়ে তাৰ মৰ্মবেদনা বুজিছিল যদিও সামান্য ব্যতিক্ৰম হোৱাৰ ভয়ত তাক সহায় কৰিব নোৱাৰিলে।

তেনেকুৱা আন এটা গল্প হৈছে হেম শৰ্মাৰ 'আলমগীৰো মৰে'[৮০] গল্পটো। আলমগীৰ বাটৰ ভিক্ষাৰী। তাৰ কংকালসাৰ ৰূপ দেখি লেখকৰ মনলৈ বিয়াল্লিছৰ বংগ দুৰ্ভিক্ষৰ ছবি এখন মনলৈ আহে। একেই দাৰিদ্ৰৰ অন্য এটা ৰূপ ফুটি উঠে শুকান হাড়-ছাল ওলোৱা ভৰি দুটাৰে প্ৰাণটাকি ৰিক্সা চলাই জীৱন নিৰ্বাহ কৰা ৰিক্সাৱালাৰ দেহত। এই চাম মানুহৰ দুৰৱস্থা দেখি লেখকে অনুভৱ কৰে দৰিদ্ৰতা দুৰৱস্থাৰ বিষয়ে তেওঁলোকে কৰা আলোচনা আৰু নেতাসকলৰ ফুলজাৰি মৰা বক্তৃতাৰ মাজত একো প্ৰভেদ নাই। দুয়োটা কথাই একেই অন্তঃসাৰশূন্য । যাৰ ক্ষমতা আছে তাৰ সহায় কৰাৰ মন নাই আৰু যাৰ মন আছে তাৰ সহায় কৰিবৰ বাবে থাকিবলগীয়া সামৰ্থ নাই।

সভ্য সমাজৰ আৱৰ্জনাস্বৰূপ ভিক্ষাৰী মগনীয়াবোৰক লৈ লিখা আন এটা গল্প হৈছে যোগেশ দাসৰ 'তাৰপিছত'[৮১]। ইয়াত এজনী ভিক্ষাৰীৰ কৰুণ জীৱন কাহিনী বৰ্ণিত হৈছে–যিজনীয়ে সভ্য সমাজখনৰ ভদ্ৰলোকৰ কামনাৰ দৃষ্টিৰ পৰা সাৰিব নোৱাৰি শেষত প্ৰাণ পৰ্যন্ত বিসৰ্জন দিবলৈ বাধ্য হৈছে।

*ৰামধেনু*ৰ গল্পৰ সমাজ সচেতনতাৰ অন্য এটি দিশ হৈছে ভদ্ৰ মানুহৰ মুখা পিন্ধি সমাজৰ বৰমূৰীয়া বোলাওঁতা এক ভণ্ড শ্ৰেণীক সমাজৰ শত্ৰুৰূপে চিহ্নিত কৰা। এনে অশুভ শ্ৰেণীৰ চৰিত্ৰৰ প্ৰতি অসমীয়া গল্পৰ সম্ৰাট চৈয়দ আব্দুল মালিকে চোকা দৃষ্টি নিক্ষেপ কৰিছে। প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতিও মালিকৰ এক সমালোচনাত্মক দৃষ্টিভংগী আছে। তেওঁৰ 'ৰেলৰ আলিৰ দুবৰি বন'[৮২] গল্পটোত সমকালীন সমাজৰ ৰাজনৈতিক নেতাৰ চৰিত্ৰহীনতা আৰু ভদ্ৰ মানুহৰ মুখা পিন্ধি সমাজৰ বৰমূৰীয়া বোলাওঁতা এক ভণ্ড শ্ৰেণীৰ যোত্ৰহীন মানুহৰ ওপৰত কৰা অমানুষিক অত্যাচাৰ-উৎপীড়নৰ চিত্ৰ প্ৰতিভাত হৈছে।

৮০। হেম শৰ্মা–'আলমগীৰো মৰে', *ৰামধেনু*, ৪ৰ্থ বছৰ, ৭ম সংখ্যা

৮১। যোগেশ দাস-'তাৰপিছত' *ৰামধেনু*, ৩য় বছৰ ৫ ম সংখ্যা

৮২। চৈয়দ আব্দুল মালিক –'ৰেলৰ আলিৰ দুবৰি বন', *ৰামধেনু*, ৬ষ্ঠ বছৰ, ১২শ সংখ্যা

দেশকৰ্মী পাৰ্বতী ফুকনে টকা, মদ আৰু কামনাৰ মাজেদি দেশৰ চকুত দেশপ্ৰেমৰ ধূলি মাৰি নতুন মটৰ কিনাৰ আৰু মন্ত্ৰী হোৱাৰ ব্যৱস্থা কৰি ফুৰে। ফুকনৰ অত্যাধুনিকা জীয়েক অজন্তায়ো পিতৃয়ে দেখুওৱা পথকেই অনুসৰণ কৰে। এই ফুকন আৰু অজন্তাক বন্ধুবৰ্গৰ আগত সমালোচনা কৰা বাবেই দৰিদ্ৰ বিধবাৰ ল'ৰা কাৰ্তিকক ফুকনে ঘৰলৈ মাতি নি অমানুষিক অত্যাচাৰ কৰে যাৰ ফলস্বৰূপে হীনমন্যতাত ভুগি কাতিৰ্কে ৰেলৰ আগত পৰি আত্মহত্যা কৰিবলগীয়া হয়।

স্বৰাজোত্তৰ কালত দেখা দিয়া ব্যক্তি তথা সমাজজীৱনলৈ নামি অহা নৈতিক বিশৃংখলতা আৰু আদৰ্শৰ স্খলন চন্দ্ৰপ্ৰসাদ শইকীয়াৰ ভালেখিনি গল্পৰ কেন্দ্ৰীয় সুৰ। তেওঁৰ গল্পত এক আদশাত্মক আৱেদন লক্ষ্য কৰা যায়। 'মায়ামৃগ'[৮৩] গল্পত একালৰ মেধাৱী ছাত্ৰ হেমন্তই ক্ষমতা আৰু প্ৰতিষ্ঠাৰ মায়ামৃগ খেদি ফুৰে। হেমন্তৰ এই অধঃপতনত আদৰ্শবান শিক্ষক পৰশুৰাম বৰুৱা ক্ষুব্ধ হয় আৰু তেওঁ হেমন্তকশান্ত ভাৱে তীব্ৰ ককৰ্থনা কৰে । অৱশেষত হেমন্তই নিজৰ কু-কাৰ্যৰ বাবে লজ্জিত হৈ অনুতাপ কৰে আৰু ভণ্ডামিৰ মুখাখন খুলি পেলায়।

তেনেদৰেই স্বাৰাজোত্তৰ কালত মধ্যবিত্ত জীৱনত দেখা দিয়া দুস্কৃতিৰ দিশটোৰ ওপৰত ভিত্তি কৰিও *ৰামধেনু*ত যথেষ্ট সংখ্যাক গল্প লিখা হৈছিল। বিলাস- প্ৰমোদৰ ন ন উপকৰণ, চকুত জলক তবক লগোৱা বিভিন্ন আবিষ্কাৰ, ব্যক্তিসৰ্বস্ব চিন্তা-চৰ্চাই মধ্যবিত্ত সমাজখনৰ কিছু সংখ্যক লোকক আনৰ ওচৰত হাঁহিয়াতৰ পাত্ৰ কৰি তুলিছিল। তেনে বিষয়বস্তুৰে গঢ় লৈ উঠা ৰমা দাশৰ 'ৰেডোডেনেড্ৰনৰ বিলাস'[৮৪] এটি অতি সুখপাঠ্য গল্প ! ৰোমান্টিক ভাৱধাৰাৰ উচ্ছলতাই ইয়াত কল্পনাৰ পাৰ ভাঙি পেলাইছে। অত্যাধুনিক দুগৰাকী মাক -জীয়েকে শ্বিলঙলৈ বুলি পিক্ নিক্ খাবলৈ গৈ চিনেমা জগতৰ সৈতে সম্পৰ্কিত দুজন ডেকাৰ মন উন্মনা কৰা কথা-বতৰাত ভোল গৈছে আৰু শেষত প্ৰতাৰিত হৈ নিজকে ভুচুংপেহুৰ ৰূপত সজাইছে। লেখকৰ বৰ্ণনাই গল্পটোত হাস্যৰস যোগাবলৈ সক্ষম হৈছে।

বৃহত্তৰ অসমীয়া সমাজখনৰ লগত ওতঃপ্ৰোতভাবে জড়িত হৈ থকা জনজাতিসকলক লৈ, তেওঁলোকৰ সমস্যাক লৈ *ৰামধেনু*ত কিছুসংখ্যক গল্প লিখা হৈছে। এই শ্ৰেণীৰ লেখকৰ মাজত মেদিনী চৌধুৰী অন্যতম। গ্ৰামীন জীৱনৰ মহত্ব আৰু সৌন্দৰ্যক তেওঁ এক সুকীয়া ৰূপ দিছে তেওঁৰ গল্পবোৰত।

---

৮৩। চন্দ্ৰ প্ৰসাদ শইকীয়া–'মায়ামৃগ', *ৰামধেনু*, ১২ শবছৰ, ২য় সংখ্যা

৮৪। ৰাম দাশ – 'ৰেডোডেনেড্ৰনৰ বিলাস', *ৰামধেনু*, ১০ ম বছৰ ,১০ ম সংখ্যা।

সৰল সহজ জনগোষ্ঠীৰ নিৰক্ষৰ লোকসকলৰ বঞ্চনা আৰু লাঞ্ছনাৰ চিত্ৰও তেওঁ অংকন কৰিছে। তেনে এটি গল্প 'সিহঁতে কেৱল মৰে'[৮৫]ত তেওঁ শিক্ষা দীক্ষাহীন কাৰ্বিসকলৰ সৰলতা আৰু দুৰ্ভাগ্যজনক পৰিস্থিতিৰ বিষয়ে লিখিছে।

সমাজৰ বিভিন্ন স্তৰৰ বিভিন্ন শ্ৰেণীৰ মানুহক লৈ *ৰামধেনু*ৰ গল্পকাৰে গল্প লিখিছে। বিচিত্ৰ মনৰ মানুহৰ বৈচিত্ৰ্যময় জীৱন *ৰামধেনু*ৰ গল্পত তুলি ধৰা হৈছে। মালিকৰ 'পৰ্বতৰ টিঙৰ জুই'[৮৬] গল্পৰ নায়ক ভোলাই তেনে এটা অতি সাধাৰণ অথচ মানসিক সুখ-শান্তি-তৃপ্তিৰে ভৰা জীৱনৰ খবৰ পাঠকৰ আগত দাঙি ধৰে। থিয়েটাৰ বলিয়া ভোলাই শৈশৱৰ পৰা বৃদ্ধাৱস্থালৈ নাটককে লৈয়েই ব্যস্ত হৈ থাকিল অথচ সি কোনোদিনে এখন নাটকতো অভিনয় কৰিও নাপালে বা মুখত ৰং, মূৰত চুলি লগায়ো নাপালে। সি নাটকো নিলিখে বা নাটকৰে কামত উদয়াস্ত খাটি পইচাও নাপায়। কিন্তু তাৰ কামৰ অন্ত নাই। দৰ্শকক আদৰি আনি সঠিক ঠাইত বহুওৱা, নাটকৰ কাগজ-পত্ৰ বিলোৱা, বেঞ্চ কঢ়িওৱা, দৌৰাদৌৰি কৰা আদি এশ এবুৰি কামত ব্যস্ত হৈ থাকি ভোলাই কোনোদিনেই এখন নাটকো সম্পূৰ্ণকৈ চাই নাপালে। নাটকৰ বাহিৰত থাকি থাকি ভোলা এসময়ত 'ভোলাকাই' লৈ পৰিবৰ্তন হ'ল যদিও জীৱন সংসাৰৰ চাৰিসীমাৰ ভিতৰত সি প্ৰবেশ কৰিব নোৱাৰিলে। থিয়েটাৰ চলি থকা কেইদিনৰ যিটো জীৱন সেইটো জীৱনতে সি গোটাই লয় সমগ্ৰ জীৱনৰ আনন্দ, ঐশ্বৰ্য আৰু তৃপ্তি। থিয়েটাৰলৈ অহা শ শ লোকক আদৰ-অভ্যৰ্থনা কৰিয়েই সি লাভ কৰিলে পৰম সুখ। লোকৰ আনন্দত আনন্দ কৰিবলৈকে যেন ভোলাই কেৱল শিকিলে।

যুগে যুগে শোষিত আৰু বঞ্চিত হৈ অহা মানুহৰ সংগ্ৰামৰ চিত্ৰ *ৰামধেনু*ৰ গল্পত প্ৰকাশ পাইছে। সমাজসচেতন গল্পকাৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'কলং আজিও বয়'[৮৭] এটা বিখ্যাত গল্প। ইয়াৰ মাজেদি ফুটাই তোলা বিভিন্ন সময়ৰ বিভিন্ন ঘটনা বৰ্ণিত হৈছে ঠগীৰাম আৰু সোণপাহীৰ জীৱন কাহিনীৰ মাজেৰে। যুগ যুগ ধৰি ঠগীৰামহঁত শোষিত আৰু বঞ্চিত হৈ আহিছে –কেতিয়াবা ৰাজনৈতিক দুৰ্যোগ আৰু কেতিয়াবা প্ৰাকৃতিক দুৰ্যোগৰ কবলত পৰি। পৰাধীনতাৰ কালছোৱাত সিহঁতে আশা কৰিছিল স্বাধীনতাই সিহঁতলৈ আনন্দৰ জোৱাৰ লৈ আহিব। কৃষকে খেতি কৰিবলৈ মাটি পাব, নিজৰ মাটিৰ মালিক হৈ মৌজাদাৰৰ অত্যাচাৰৰ অন্ত পেলাব পাৰিব। বছৰি বছৰি কলঙৰ তাণ্ডৱ আৰু তাৰ ওপৰত ভূতৰ ওপৰত দানহ পৰাৰ

৮৫। মেদিনী চৌধুৰী – 'সিহঁতে কেৱল মৰে', *ৰামধেনু*, ৬ষ্ঠ বছৰ, ৩য় সংখ্যা
৮৬। আব্দুল মালিক – 'পৰ্বতৰ টিঙৰ জুই', *ৰামধেনু*, ৯ম বছৰ, ১ম সংখ্যা
৮৭। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য– 'কলং আজিও বয়' *ৰামধেনু*, ৩য় বছৰ, ৬ষ্ঠ সংখ্যা

দৰে মৌজাদাৰৰ ৰোষত পৰি সৰ্বস্বান্ত হোৱা ঠগীৰামহঁতে তথাপিও ভালেকৈ দুবেলা-দুমুঠি খাই জীয়াই থাকিব পৰা জীৱন এটাৰ আশা কৰে। স্বাধীনতাই এই সকলোবোৰ দুখ-দুৰ্গতি আঁতৰাব পাৰিব বুলি অন্তৰত সাহস, দুচকুত স্বপ্ন আৰু দুবাহুত শক্তি লৈ সপৰিয়ালে সিহঁত জপিয়াই পৰে স্বৰাজৰ আন্দোলনত। অৱশেষত অগণন শ্বহীদৰ বলিদানে দেশলৈ স্বাধীনতা আনিলে। কিন্তু স্বাধীন দেশৰ কেইবাবছৰো বাগৰি যোৱাৰ পিছতো খাজনা নকমিল, গৰু-ম'হ বয়-বস্তুৰ দাম নকমিল।ঠগীৰামহঁতে এইবাৰ পালে স্বপ্নভংগৰ মৰ্মান্তিক বেদনা। তথাপি ভাগৰি নপৰি পুনৰ আন্দোলন কৰিবলৈ সিহঁত সংকল্পবদ্ধ হ'ল। হাজাৰ হাজাৰ ঞাই শ্বহীদ বেদীত শপত খালে যেতিয়ালৈকে খেতিয়কে খেতিৰ স্বাধীনতা নাপায়, যেতিয়ালৈকে খাজনা মাফ নহয়,যিদিনালৈকে গাঁৱৰ ডেকাই মাটি নাপায় সেইদিনালৈকে স্বৰাজৰ আন্দোলন চলিয়েই থাকিব। এই ৰ আন্দোলনৰ ফলস্বৰূপে আহিবলগীয়া অনাগত নতুন আনন্দৰ সপোনেৰে গল্পটোৰ সামৰণি মৰা হৈছে।

স্বাধীনতাৰ প্ৰাৰম্ভিক অৱস্থাত দেখা দিয়া ক্ষয়িষ্ণু সমাজ জীৱনৰ স্পষ্ট চিত্ৰ প্ৰতিভাত হৈছে আব্দুল মালিকৰ 'ৰঙা তেজ, ক'লা চিয়াহী আৰু কেইটামান পৰুৱা'[৮৮] গল্পটোৰ মাজেদি। ইতিমধ্যে দেশত স্বাধীনতা প্ৰাপ্তিৰ বাবে থকা উৎসাহ-হেঁপাহ আৰু আগ্ৰহৰ অন্ত পৰিছে। স্বাধীন দেশৰ নাগৰিকৰ আত্মসন্তুষ্টিতো ফাঁট মেলিবলৈ আৰম্ভ কৰিছে। অৰ্থনৈতিক দুৰৱস্থাই দেশৰ কৃষক শ্ৰমিকসকলৰ বিপৰ্যস্ত কৰি তুলিছে। আৰু আনফালে সেই আৰ্থিক অৱস্থাৰ সুযোগ গ্ৰহণ কৰি এটা পুঁজিপতি শ্ৰেণীৰ সৃষ্টি হৈছে। এই পুঁজিপতি সকলে নিজৰ স্বাৰ্থৰ খাতিৰত সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি কৰি মুনাফা আদায় কৰাত যত্নপৰ হৈ পৰিছে। ক্ষোভ আৰু বিদ্ৰোহৰ অগণি জ্বলা শিক্ষিত যুৱচামে বহুধাবিভক্ত শ্ৰমিক আৰু কৃষকসকলক ঐক্যবদ্ধ কৰি সংগ্ৰামৰ জৰিয়তে বিপ্লৱৰ মাজেৰে তেওঁলোকৰ প্ৰাপ্য অধিকাৰ আদায়ৰ বাবে সপোন দেখে। কিন্তু পুঁজিপতিৰ কুটিল ষড়যন্ত্ৰৰ ফলত সৃষ্টি হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ ধুমুহাই সেই সপোন বহুদূৰলৈ উৰুৱাই লৈ যায়। কাকতৰ মালিক ভট্টাচাৰ্যৰ হাতৰ পুতলা হৈ এই সংঘৰ্ষৰ অৰিহণা যোগোৱা 'সত্যবাণী' কাকতৰ সম্পাদক মনচুৰৰ অৱশেষত বোধোদয় হয় যদিও ভট্টাচাৰ্যৰ হাততে নিহত হ'বলগীয়া হয়। তেতিয়াহে সাধাৰণ ৰাইজে অনুভৱ কৰিলে যে অৰ্থনৈতিক অৱস্থাৰ বিৰুদ্ধেও এখন সংগ্ৰাম কৰিবলগীয়া আছে। এনে সংগ্ৰামে প্ৰত্যক্ষভাৱে ক্ষতি কৰিব বাতৰি কাকতৰ মালিক ভট্টাচাৰ্যৰ দৰে মানুহখিনিক। তেওঁলোকে তেতিয়াহে বুজি পায় যে

৮৮। আব্দুল মালিক – 'ৰঙা তেজ, ক'লা চিয়াহী আৰু কেইটামান পৰুৱা *ৰামধেনু*, ৩ বছৰ, ৬ষ্ঠ সংখ্যা।

ভট্টাচাৰ্যহঁতে ভুল সংবাদ পৰিবেশন কৰি সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি কৰিলে যাৰ ফলস্বৰূপে বাতৰি কাকতৰ প্ৰচাৰ কেইবা হাজাৰো বৃদ্ধি হৈ তেওঁলোকৰ দৰে পুঁজিপতিৰ লাভ হ'ল।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সমাজ সচেতন দৃষ্টিয়ে নগাসমাজতো ভুমুকি মাৰিছে। এটা প্ৰেমৰ কাহিনীৰ মাজেৰে তেওঁ সেই সমাজ ব্যৱস্থা তুলি ধৰিছে। 'আজি বিয়া কাইলৈ গাওঁ পঞ্চায়ত'[৮৯] গল্পটো নগা সমাজৰ গণতান্ত্ৰিক চেতনাৰ অংকুৰণৰ পটভূমিত ৰচনা কৰা হৈছে। নগাসকলৰ এচাম লোকে সমৰ্থন কৰে পুৰণিকলীয়া গাওঁবুঢ়াৰ শাসন-ৰীতি আৰু আন এচাম প্ৰগতিবাদী যুৱক উঠি পৰি লাগে পঞ্চায়ত গঠন কৰিবলৈ। নায়ক ৰেগু ইয়াৰে পিছৰ চামৰ নেতা। আনহাতে ৰেগুৰ প্ৰেমিকা ছিৰালা হ'ল আনটো দলৰ নেতাৰ জীয়ৰী। ফলত ৰেগুৰ প্ৰেমত সমস্যাৰ সৃষ্টি হয় যদিও সৰ্বশেষত ৰেগু জয়ী হয়। পঞ্চায়ত গঠনৰ সপোন বাস্তৱত পৰিণত কৰাৰ সাহসেৰে সাহসী হৈ ৰেগুৱে ছিৰালাকো আপোন কৰিবলৈ সক্ষম হয়। এফালে পঞ্চায়ত গঠনৰ আশা আৰু আনফালে প্ৰিয়ামিলনৰ সপোন ৰেগুৰ জীৱনত একেলগে পূৰণ হ'ল। সমাজক উন্নতিৰ সোপানত আগবঢ়াই নিবলৈ যে সংস্কাৰমুখী পৰিবৰ্তনৰ প্ৰয়োজন হয় তাৰ নিদৰ্শন এই গল্পটোৰ জৰিয়তে প্ৰকাশ পাইছে। এনে শুভ পৰিবৰ্তনকামী অন্য এটা গল্প হৈছে এইজন লেখকৰে 'ৱাৰ্ড নং দুই'[৯০]। প্ৰচলিত সমাজ ব্যৱস্থাৰ আৰোগ্যৰ বাবে সমাজত পৰিবৰ্তন লাগে। সমাজৰ অতি নিম্নখাপৰ শ্ৰেণীটোৰ দুৰ্দশাগ্ৰস্ত ৰূপটোৰ পৰিচয় দিছে লেখকে এই শ্ৰেণীৰ প্ৰতিনিধি স্বৰূপ এজন মুমূৰ্ষু মগনীয়াৰ বৰ্ণনাৰে – "কেৱল হাড়, হাড় আৰু হাড়। মঙহবোৰ হাড়ৰ ভিতৰলৈ সোমাই গৈছিল নহয়, মঙহৰ নামত কেৱল গাত উঁৱলা ছালখন লাগি আছিল। ছালখনৰ ৰং কেটোৰ ক'লা। এই ক'লা ছালখন তাৰ জীৱনত অন্ধাৰৰ স্মৃতিচিহ্ন।"[৯১] এই শ্ৰেণীৰ মানুহবোৰৰ দুৰৱস্থাৰ বাবে দায়ী হৈছে প্ৰচলিত সমাজ ব্যৱস্থা। যি সমাজ ব্যৱস্থাত কাম কৰা মানুহবোৰে খাবলৈ নাপায় আৰু কাম নকৰাবোৰে খাবলৈ পায়। কাম কৰা মানুহ ইয়াত হবলগীয়া হয় অকৰ্মণ্য। দুখ, ভোক আৰু দাৰিদ্ৰই সিহঁতক পংগু কৰি তোলে। এই সমাজ ব্যৱস্থা আঁতৰাবলৈ হ'লে সমাজলৈ পৰিবৰ্তন আনিবই লাগিব। এই গল্পটোত শোষিত বনুৱাৰ বন্ধু ৰূপত অৱতীৰ্ণ হোৱা মোহন নামৰ চৰিত্ৰটোৱে সমাজৰ ৰূপান্তৰ ঘটাব খুজিছে। বনুৱাৰ ওপৰত চলা শাসক গোষ্ঠীৰ অন্যায়-উৎপীড়ন দেখি তেওঁ বনুৱাৰ হকে মাত মাতিছে আৰু বিনিময়ত লাভ কৰিছে কাৰাবাসৰ দণ্ড।

---

৮৯। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য – 'আজি বিয়া কাইলৈ গাওঁ পঞ্চায়ত', *ৰামধেনু*, ৪ৰ্থ বছৰ, ৫ম সংখ্যা
৯০। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য – 'ৱাৰ্ড নং দুই', *ৰামধেনু*, ৯ম বছৰ, ৮ম সংখ্যা
৯১। পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৬৪৯

মোহনৰ প্ৰখৰ সমাজ চেতনাৰ পোহৰতেই হাজাৰ জনে খোজ দিবলৈ নতুন বাটৰ সন্ধান পাইছে — নতুন উদ্যমেৰে বিপ্লৱত আগবাঢ়িবলৈ প্ৰেৰণা লাভ কৰিছে।

এইজন সমাজ সচেতন গল্পকাৰে সমাজত যাতে নৈতিক প্ৰমূল্যসমূহ বৰ্তি থাকে আৰু বিশৃংখলতাৰ সৃষ্টি নহয় তালৈও লক্ষ্য ৰাখি ৰচনা কৰিছে 'শলিতা মামী'[৯২] ৰ দৰে গল্প। ইয়াত বিধবা শলিতা আৰু বগীৰামৰ অবৈধ প্ৰেমৰ আসক্তিৰ কথা আছে। সমাজত বিশৃংখলতাৰ সৃষ্টি কৰা এনে ধৰণৰ ব্যভিচাৰক লেখকে সমৰ্থন কৰা নাই। দেহজ প্ৰেমৰ তাড়নাত কাতৰ হোৱা তেনে চৰিত্ৰৰ প্ৰতি লেখকৰ অন্তৰৰ কোনো এক স্থানত নামমাত্ৰ সহানুভূতি থাকিলেও সমাজৰ সুস্থ বাতাবৰণৰ প্ৰয়োজনত লেখকে তেনে চৰিত্ৰৰ ধ্বংসমুখী কৰুণ পৰিণতিৰ অৱতাৰণা কৰিছে শলিতা আৰু বগীৰামৰ আত্মহত্যাৰ দ্বাৰা।

---

৯২। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য— 'শলিতা মামী', *ৰামধেনু,* ১০ ম বছৰ, ১১শ সংখ্যা

# ৰামধেনুৰ চুটিগল্পত হাস্যব্যংগৰ ধাৰা

অসমীয়া চুটিগল্পৰ জন্মলগ্নৰ পৰাই হাস্যব্যংগই এক বিশেষ গুৰুত্ব লাভ কৰি আহিছে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ হাততেই এই ধাৰাটিৰ সৃষ্টি হৈছিল আৰু বৰ্তমানলৈকে ই অব্যাহত ৰূপত আছে। ভিন্ন যুগৰ ভিন্ন বিষয়বস্তুক লৈ বিভিন্ন লেখকে নিজৰ প্ৰতিভা, জীৱনৰ অভিজ্ঞতাৰে এই ধাৰাক পৰিপুষ্ট আৰু ৰসাল কৰি তুলিছে। অনিবাৰ্য ভাৱেই যুগধৰ্ম অনুসাৰে গল্পৰ বক্তব্য পৃথক পৃথক হৈছে, সময়ৰ পটভূমি অনুযায়ী বিষয়বস্তুও সলনি হৈছে।

বেজবৰুৱাৰ সময়ৰ অসমীয়া সমাজখনৰ সংকীৰ্ণতা, শঠতা, ভেম আৰু ভণ্ডামিয়েই তেওঁৰ ব্যংগৰ প্ৰধান লক্ষ্য আছিল। তেওঁৰ অসমীয়া তথা ভাৰতীয় সমাজ জীৱনৰ বিষয়ে বহুতো ক'বলগীয়া আছিল নিজৰ কলমৰ জৰিয়তে। সংস্কাৰাচ্ছন্ন এখন ৰক্ষণশীল সমাজৰ ক্ষয়িষ্ণু ৰূপ এটা তেওঁ 'জাতিৰামৰ জাত' 'মলক গুইন গুইন' 'ধোৱাখোৱা', 'আৰ্জি', ধৰ্মধ্বজ ফয়চলা নবিচ আদি গল্পবোৰৰ জৰিয়তে অংকন কৰি থৈ গৈছে। ব্যক্তি আৰু সমাজৰ দোষ-ত্ৰুটী খিনি আঁতৰাই নিকা কৰিবলৈ তেওঁ সমাজ সংস্কাৰকৰ ৰূপ লৈছিল। নিজৰ লেখনীৰ ক্ষুৰধাৰ ব্যংগ আৰু শ্লেষৰ জৰিয়তে বেজবৰুৱাৰ চুটিগল্পতে পোনপ্ৰথমবাৰৰ বাবে হাস্য আৰু ব্যংগই শক্তিশালীৰূপত আত্মপ্ৰকাশ কৰাৰ পিছত তেওঁৰ সমসাময়িক লেখকৰ গল্পতো হাস্যব্যংগই গুৰুত্ব লাভ কৰিছিল।

জোনাকী যুগৰ চুটিগল্পৰ হাস্যব্যংগৰ ধাৰাটো অধিক শক্তিশালী হৈ উঠে পৰৱৰ্তী আৱাহন যুগত। এই যুগৰ গল্পকাৰসকলৰ ভিতৰত মহীচন্দ্ৰ বৰা, লক্ষ্মীধৰ শৰ্মা, কৃষ্ণ ভূঞা, ত্ৰৈলোক্য নাথ গোস্বামী আদিয়ে প্ৰখৰ সমাজ চেতনা আৰু সামাজিক দায়বদ্ধতাৰে গল্প লিখিবলৈ লোৱা বাবে সমকালীন সমাজৰ বহু ধৰণৰ ভণ্ড চৰিত্ৰক সমালোচনা কৰিছিল। ভিন্ন শ্ৰেণীৰ চৰিত্ৰৰ অন্তঃসাৰশূণ্যতাক সমালোচনা কৰিবলৈ যাওঁতেই আৱাহন যুগৰ গল্পকাৰৰ লেখনীত হাস্য আৰু ব্যংগই শক্তিশালী ৰূপ ধাৰণ কৰিছিল।

*জোনাকী* আৰু *আৱাহনৰ* চুটিগল্পৰ হাস্যব্যংগৰ গতি-প্ৰকৃতি *ৰামধেনুত* বহুত সলনি হ'ল। ইয়াৰো যথোচিত কাৰণ আছিল। জোনাকী তথা আৱাহন যুগৰ সমাজ ব্যৱস্থা, শৈক্ষিক আৰু বৌদ্ধিক বাতাবৰণ ৰামধেনু যুগৰ সৈতে একে নহয়। এই পাৰ্থক্যৰ ফলতেই *জোনাকী* আৰু *আৱাহনৰ* চুটিগল্পত

সমাজৰ যিবোৰ দিশ আৰু চৰিত্ৰক ব্যংগ কৰাৰ লক্ষ্য আছিল *ৰামধেনুৰ* সময়ত সেয়া কিছু পৰিমানে পৃথক হৈ পৰিল। বিশেষকৈ এটা ক্ষেত্ৰত এই পাৰ্থক্য স্পষ্টৰূপত প্ৰতিভাত হ'ল। সেয়া হ'ল দেশৰ শাসনকাৰ্যৰ সৈতে জড়িত মানুহখিনিৰ বিষয়ে থকা ইমানদিনীয়া ভাল ধাৰণা চূৰ্ণাকৃত হোৱাটো। অগণন মানুহৰ ত্যাগৰ বিনিময়ত লাভ কৰা স্বাধীনতাই সকলোৰে বাবে সুখ শান্তি, আৰু সমৃদ্ধিৰ বতৰা লৈ আহিব বুলি প্ৰত্যেকেই আশাৰে বাট চাই আছিল। কিন্তু কাৰ্যত তেনে নোহোৱা দেখি আৰু পূৰ্বৰ ত্যাগৰ আদৰ্শৰ ঠাইত স্বাৰ্থান্ধ আৰু ভোগবাদী মানসিকতাই দেশৰ ৰাজনীতিত গা কৰি উঠা দেখি সাধাৰণ মানুহৰ স্বাধীনতাক লৈ দেখি অহা স্বপ্ন ভংগ হ'ল। ব্যক্তি স্বাৰ্থজনিত ৰাজনীতিৰ কবলত পৰি সমাজ জীৱনত নৈতিক স্খলন, অৰ্থনৈতিক অৱক্ষয় আৰু দাৰিদ্ৰই ভয়ংকৰ ৰূপ ধাৰণ কৰিলে। এই সত্য গভীৰ ভাৱে অনুভৱ কৰিব পৰা হোৱাৰ লগে লগে *ৰামধেনুৰ* সময়ৰ গল্পকাৰসকলৰ ব্যংগৰ অন্যতম পাত্ৰ হৈ পৰিল ৰাজনীতিৰ সৈতে জড়িত ব্যক্তিসকল।

*জোনাকী* আৰু *আৱাহনৰ* দিনত অসমৰ সমাজখনত নতুন শিক্ষাৰে শিক্ষিত হৈ কিছুসংখ্যক নব্য শিক্ষিতে আধুনিকতাৰ নামত যিখন ভেকো- ভাওনা কৰিবলৈ লৈছিল সেই বোৰৰ প্ৰতি লেখকসকলে ভ্ৰূকুটি কৰি ব্যংগ কৰিছিল আৰু তাৰ দ্বাৰাই পাঠকৰ মনলৈ হাস্যৰসৰ জোৱাৰ আনিছিল। *ৰামধেনুৰ* পাততো অত্যাধুনিক হ'বলৈ গৈ সমাজৰ মধ্যবিত্ত শ্ৰেণীটোৱে নিজকে আনৰ আগত ভুচুংপহু সজোৱাৰ প্ৰচেষ্টাক লক্ষ্য কৰি লেখকসকলে সততে ব্যংগবাণ এৰিছে।

এইবোৰৰ উপৰিও সাধাৰণ লোকৰ অজ্ঞতা, মূঢ়তা কোনো এটা বিশেষ ৰস উদ্ৰেককাৰী ঘটনা, কাৰোবাৰ হাঁহি উঠা বিধৰ কাৰ্য-কলাপ নাইবা এৰাব নোৱাৰা চাৰিত্ৰিক বৈশিষ্ট্যক উদ্দেশ্য কৰিও *ৰামধেনুৰ* পাতত গল্প লিখা হৈছে।

*ৰামধেনুত* প্ৰকাশিত গল্পসমূহৰ কেইটামান গল্পক বাদ দি প্ৰায়বোৰতেই হাস্য-ব্যংগৰ ধাৰা ক্ষুৰধাৰ বা তীব্ৰ নহয়। কেতিয়াবা তেনেই সাধাৰণ হাঁহি উঠা ঘটনা এটাক লৈয়েই লেখকসকলে লিখিছে। ওপৰত উল্লেখ কৰি অহা *আৱাহন* আৰু *ৰামধেনুৰ* হাস্য ব্যংগৰ পাৰ্থক্যৰ বাহিৰে দুয়োখন আলোচনীৰ গল্পত এই ক্ষেত্ৰত বিশেষ তফাৎ নাই। মন কৰিবলগীয়া এয়েই যে আৱাহন যুগৰ হাস্য ব্যংগৰ লেখকসকলেই প্ৰায়েই *ৰামধেনুৰ* পাততো এনে ধৰণৰ গল্প লিখিছে। যুদ্ধোত্তৰ যুগৰ আধুনিকতাৰ প্ৰভাৱত হোৱা মানুহৰ নৈতিক অৱক্ষয়, অন্তঃসাৰশূন্যতা ইত্যাদিক লৈও *ৰামধেনুত* হাস্যকৰ গল্প লিখা হৈছে যদিও তেনে কোনো বিশেষ পটভূমি বা কাৰণ নথকা ঘটনা, কাহিনীক লৈও এনেধৰণৰ গল্প লিখা হৈছিল।

আধুনিক অসমীয়া গল্প সাহিত্যৰ অন্যতম পুৰোধা মহিম বৰাৰ 'কুমাৰী অটবী'[৯৩] এটা ৰসোত্তীৰ্ণ আৰু তৃপ্তিদায়ক গল্প। অৰণ্যৰ জীৱন্ত বৰ্ণনাৰে আৰম্ভ হৈ অৰণ্যৰ ভিতৰত ঘটা বিভিন্ন লোমহৰ্ষক অথচ আমোদজনক ঘটনাৰ ৰোমাঞ্চকৰ আৰু চমকপ্ৰদ বৰ্ণনাৰ শেষত 'মধুৰেণ সমাপয়েৎ' কৰি শেষ মুহূৰ্তলৈকে অব্যাহত থকা পাঠকৰ অনুসন্ধিৎসুতাৰ ওৰ পেলোৱা হৈছে। ইয়াত বিশেষ কাৰোবাক বা কোনোবা শ্ৰেণী বা সমাজৰ কোনো দোষ-ত্ৰুটীক লৈ কোনো ধৰণৰ ব্যংগাত্মক দৃষ্টিভংগী বা তুচ্ছ-তাচ্ছিল্য নাই। চহৰীয়া স্বচ্ছলতাৰে পৰিপূৰ্ণ জীৱনৰ একঘেয়ামী গতানুগতিকতাৰ পৰা ক্ষন্তেক আঁতৰি আহি এক মধুৰ ব্যতিক্ৰমৰ সন্ধানত তিনিজন অন্তৰংগ বন্ধু দীনেশ, পূৰ্ণ আৰু গণেশে ছুটীৰ দিন এটিত কাজিৰঙাত মিলিত হৈছে। তেওঁলোকৰে এজন বন্ধু গণেশে বহুপূৰ্বে লাভ কৰা জীৱনৰ দিশ নিৰ্ণায়ক দুৰ্লভ অভিজ্ঞতা এটিৰ ৰসাল মনোগ্ৰাহী বৰ্ণনাতেই গল্পটোৰ কাহিনীয়ে গঢ় হৈ উঠিছে।

কাহিনীটোৰ নায়ক গণেশ হাজৰিকাই মেডিকেল পঢ়ি থকা অৱস্থাতে এবাৰ অৰণ্য ভ্ৰমণ আৰু চিকাৰৰ মোহত বে-আইনী চিকাৰী দল এটাৰ সৈতে কাজিৰঙাত সোমাল। সেইনিশা তেওঁৰ নিকটতম সহচৰ হিচাপে লগত থাকিল সেই সময়ৰ সাম্যবাদী আন্দোলনৰ এজন আত্মগোপনকাৰী কোমলমতীয়া শিখ কিশোৰ চন্দন সিং যি তেওঁৰ সম্পূৰ্ণ অপৰিচিত। সেই ৰাতি অৰণ্যৰ মাজত কটাবলগীয়া হোৱাত অৰণ্যৰ আচহুৱা দৃশ্য, ভয়াবহ ৰহস্যময় শব্দ আৰু বাৰে বাৰে হাতী, বাঘৰ, সৈতে মুখামুখি হৈ তেওঁলোকৰ যি দুৰৱস্থা হৈছিল, সেই কথা এতিয়া গণেশে অকৃপণভাৱে আমোদ লগাকৈ বৰ্ণনা কৰিছে। ৰাতিৰ অৰণ্যৰ সেই বিভীষিকাৰ মাজতো গণেশে কল্পনা কৰিবলৈ সুৰুঙা উলিয়াইছে নাৰীৰ শান্তিদায়িনী সান্নিধ্যৰ কথা। তেওঁ ভাবিছে ৰামায়ণৰ ৰাম, সীতা, লক্ষ্মণে দণ্ডকাৰণ্যত কটোৱা দিন-ৰাতিৰ কথা। যদিহে তেওঁৰ এই ৰহস্যঘন নিশাটো এগৰাকী নাৰীৰ উপস্থিতিয়ে সজীৱ কৰি তুলিলেহেঁতেন তেনেহ'লে নিঃসন্দেহে ই চিৰস্মৰণীয় হৈ ৰ'লহেঁতেন বুলি কল্পনা কৰিছে। যিকিনহওক, সেইদিনা অভাৱনীয় পৰিস্থিতিত পৰি মৃত্যু ভয়ত গণেশ আৰু চন্দন সিঙে সাৰটা সাৰটিকৈ বিনিদ্ৰ ৰজনী কটালে। পিচদিনা ৰাতিপুৱা সকলোবোৰ দিহাদিহি গ'ল যদিও এই নিবিড় সান্নিধ্য চন্দন সিঙৰ মনত অবিস্মৰণীয় হৈ ৰ'ল কিয়নো প্ৰকৃততে সেইজন আছিল সেই সময়ৰ সাম্যবাদী আন্দোলনৰ নামজ্বলা নেত্ৰী মালতী বৰা! আন্দোলনৰ ঢৌ মাৰ যোৱাৰ লগে লগে নিজৰ প্ৰকৃত পৰিচয় আৰু অনুৰাগৰ বিষয়ে প্ৰকাশ কৰি মালতী বৰাই গণেশ হাজৰিকাৰ সৈতে বিবাহত আবদ্ধ হৈ

---

৯৩। মহিম বৰা –'কুমাৰী অটবী,' *ৰামধেনু*, ১৮ শ বছৰ, ৯সংখ্যা।

সহধৰ্মিণী হৈ ৰ'ল। ডাক্তৰ গণেশে সেই শিখ কিশোৰৰ সম্পৰ্কে থকা গভীৰ কৌতূহল শেষমুহূৰ্তত কৌশলতাৰে বন্ধুদ্বয়ৰ আগত নিবাৰণ কৰিছে অতি ৰসালভাৱে।

মহিম বৰাৰ গল্পৰ প্ৰধান বৈশিষ্ট্য বৰ্ণনাৰ চিত্ৰধৰ্মিতা আৰু স্পষ্টতাৰ প্ৰতিফলন এই গল্পটোতো ঘটিছে। ইয়াৰ অৰণ্যৰ বৰ্ণনাবোৰ ইমান জীৱন্ত আৰু সতেজ যে পাঠকে অনুভৱ কৰে তেওঁ গল্পটো কেৱল পঢ়াই নাই,- নিজেও সেই অৰণ্যৰ মাজতে আছে। উদাহৰণস্বৰূপে এই কথাখিনি উল্লেখ কৰিব পাৰি-

> গুৰুম। গুলীটো অৱশ্যে গণেশৰ মুখতে ফুটিল যদিও মোৰ ভাৱ হল এই মোৰ চকুৰ আগত কাতিয়াৰ এক নলী বন্দুকৰ আগদি বুলেটটো ওলাই নোদোকা শৰটো গিৰাই দিলে। গণেশ কৈ গ'ল- গুৰুম শব্দটোৱে গোটেই কাজিৰঙা যেন কঁপাই তুলিলে। আমি চক খাই থিয় দিলো। দেখিলো পহুৰ দলটো মায়া হৈ গ'ল আৰু যিটো পহুৰ গাত গুলী লাগিল সি বৰ দীঘলকৈ জাপ এটা মাৰি হাবিখিনিত সোমাই পৰিল। দেখিলো মুহূৰ্ততে চিকাৰী আৰু ডম্বৰু দুয়ো পহুৰ পিচতে জাপ দি এই নলখাগৰিৰ মাজত অদৃশ্য হৈ গ'ল। চকুৰ আগতে যেন এটা নাটকীয় দৃশ্যৰ অভিনয় হৈ গ'ল। আমি দৰ্শক দুজনৰ তেতিয়া সিদ্ধান্ত লববৈলেও সময় নাই,- হয় আমি সিহঁতৰ পাচতে দৌৰি গৈ হাবিত জাপ দিব লাগিব, নহয় তাতে বহি থাকিব লাগিব। কিন্তু আমি কোনোটোকে কৰিব নোৱাৰি লৰ মাৰি পহুৱে জাপমৰা ঠাই পালোগৈ কিন্তু নলখাগৰিৰ মাজত জাপ দিবলৈ গৈও দুয়ো ৰৈ গলো। পহু বা কেনি গ'ল, মানুহ বা কেনি গ'ল আৰু আমি বা কেনি যাম।[৯৪]

মহিম বৰাৰ আন এটা *ৰামধেনুত* প্ৰকাশ হোৱা লঘু হাস্যৰসেৰে ভৰা গল্প হৈছে 'কেঞাআঙুলি'।[৯৫] নতুনকৈ বিয়া পতা সোমেশ্বৰৰ ন কইনা যোগেশ্বৰীক চাবলৈ অহা গাঁৱৰ মাইকী মানুহখিনিৰ এজনীয়ে আবিষ্কাৰ কৰি উলিয়ালে যে ন-কইনাৰ ভৰিৰ কেঞা আঙুলি দুটা দীঘল! বচ্‌, চৌদিশে কথাটো ৰাষ্ট্ৰ হৈ পৰিল। যোগেশ্বৰীয়ে নিজকে লুকুৱাবলৈ ঠাই এডোখৰ বিচাৰি নাপালে– সোমেশ্বৰৰ অন্তৰ ভাঙি গ'ল। সি ইমান হেঁপাহৰে ইমান আয়োজন কৰি পতা বিয়াখনৰ সকলো কষ্ট অথলে গ'ল- ভাগ্যক ধিয়াই সোমেশ্বৰ এচুকত বহি পৰিল। এনেতে গাৱঁৰ সন্মানীয়া মৌজাদাৰণী আইদেউ কইনা চাবলৈ পালেহি। সকলোৱে অতি ৰঙেৰে উদগ্ৰীৱ হৈ এই সম্পৰ্কত তেখেতৰ প্ৰতিক্ৰিয়া চাবলৈ ৰৈ থাকি শেষত হতাশ হ'ল। কিয়নো মৌজাদাৰণীয়ে এই কথাত অকণো গুৰুত্ব নিদি চাহ-তামোল খাই কইনাক লক্ষ্মী বুলি শলাগি থৈ যেতিয়া

---

৯৪। মহিম বৰা –'কুমাৰী অটবী', *ৰামধেনু*, ১৮ শ বছৰ, ৯ ম সংখ্যা, পৃ. ২৫৫

৯৫। মহিম বৰা –'কেঞাআঙুলি' *ৰামধেনু*, ৫ ম বছৰ, ৪ৰ্থ সংখ্যা

যাবলৈ ওলাল তেতিয়া লগে লগেই বুবু বাবাবোৰৰ অন্ত পৰিল। যোগেশ্বৰী, সোমেশ্বৰৰ মুখলৈ পানী আহিল। শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে গদ গদ হৈ মৌজাদাৰণীক বাটলৈ আগবঢ়াবলৈ গৈ সোমেশ্বৰে এপাকত অবাক বিস্ময়েৰে লক্ষ্য কৰিলে যে মৌজাদাৰণীৰো ভৰিৰ কেঞ্জা আঙুলি এটা দীঘল!

*ৰামধেনুত* প্ৰকাশিত গল্পত ব্যংগ ধাৰাটোৰ আন এক আধাৰ হ'ল জ্ঞানতকৈ উপাধিক অধিক গুৰুত্ব দি যশস্যা জাহিৰ কৰি ফুৰা শ্ৰেণীটো। আধুনিক শিক্ষা ব্যৱস্থাত এনে এটা ধাৰণা শিপা গজাই বহিছে যে কোনে কিমান জ্ঞান অৰ্জন কৰিলে সেইটো ডাঙৰ কথা নহয়, বৰঞ্চ কোনো কিমান উচ্চ পৰ্যায়ৰ ডিগ্ৰী ল'লে আৰু ক'ৰ পৰা ল'লে সেইটোহে মূল কথা।জ্ঞান থাকক বা নাথাকক, প্ৰয়োজন থাকক বা নাথাকক এইবোৰৰ বিচাৰ-বিশ্লেষণ নকৰাকৈ বিদেশত উচ্চ শিক্ষা লোৱা বুলি ডিপ্লমা ল'লেই আমাৰ দেশত সন্মান আদায় কৰিব পাৰি। এনেকুৱা এটা প্ৰচলিত ধাৰণাৰে এখন আমোদজনক ছবি অংকন কৰিছে প্ৰখ্যাত গল্পকাৰ সৌৰভ কুমাৰ চলিহাই তেওঁৰ গল্প 'গোলাম'ত।[৯৬]

গল্পকাৰ নৰেন শৰ্মাৰ 'কন্যাদায়,'[৯৭] এটা হাস্যভাৱেৰে পৰিপূৰ্ণ গল্প। ইয়াত এজন কন্যাদায়গ্ৰস্ত পিতৃৰ অজ্ঞতা আৰু বৃথা প্ৰচেষ্টাৰ সুখপাঠ্য বৰ্ণনা আছে যিয়ে পাঠকৰ মনত বিমল হাস্যৰসৰ যোগান ধৰিবলৈ সক্ষম হৈছে।

দুৰ্যোধন মহন্তৰ একমাত্ৰ জীয়েক পিপৰাৰ বাবে উপযুক্ত পাত্ৰৰ সন্ধানত মহন্তই দশোদিশ একাকাৰ কৰি ফুৰিছে। দৰা বিচৰা কাৰ্যটো তেওঁৰ খাৱন-শোৱনৰ লগৰে এটা হোৱাদি হৈ পৰিল। মহন্তৰ এই অৱস্থাত ৰং চাই ভাল পোৱা দুজনমানৰ পৰামৰ্শমতে তেওঁ শ্বিলং পালেহি– কোনেবাকৈ তাৰ সচিবালয় আৰু অন্যান্য অফিচত হয়তো কোনোবা ল'ৰা ওলাবও পাৰে। শ্বিলঙৰ যিখন হোটেলত তেওঁ উঠিলেহি ব্যৱসায়িক লাভৰ বাবে তাৰ মেনেজাৰে বৰকৈ আদৰ-সাদৰ কৰাত তেওঁকেই জোঁৱাই পাতিবলৈ আগ্ৰহী হৈ সেই সম্পৰ্কে কথা-বতৰা পাতিবলৈ লোৱাত মহন্ত নিৰাশ হ'বলগীত পৰিল। তাৰপিছত তেওঁ ক্ৰমে সচিবালয় আৰু বীমা নিগমৰ অফিচলৈ দৰা বিচাৰি গৈ সকলোৰে হাহিয়াতৰ পাত্ৰ হ'ল যদিও আশা এৰি নিদি অনুসন্ধান অব্যাহত ৰাখিলে। অৱশেষত নিজৰ ঘৰৰ ওচৰৰে এজন ডাক্তৰৰ মুখৰ কথাত মহন্তৰ আশা আৰু অনুসন্ধান দুয়োটাৰে অন্ত পৰিল। ডাক্তৰৰ আগত জীয়েক পিপৰাৰ কথা কওঁতেই ব্যস্ত ডাক্তৰে অন্য

৯৬। সৌৰভ কুমাৰ চলিহা – 'গোলাম,' *অসমীয়া গল্পগুচ্ছ*,

৯৭। নৰেন শৰ্মা – 'কন্যাদায়', *ৰামধেনু*, ৫ ম বছৰ ২য় সংখ্যা

অৰ্থত পিপৰা অৰ্থাৎ পৰুৱাৰ পৰা বিৰক্ত হোৱা বুলি ভাবি এবটল ডি.ডি.টি আনি দিওঁতে দুৰ্যোধন মহন্ত আকাশৰ পৰা মাটিত সৰি পৰিল আৰু সেইদিনাই সেই মুহূৰ্তৰ পৰাই তেওঁৰ এই সন্ধান কাৰ্যৰ ওৰ পৰিল।

এই গল্পটোত লেখকে এজন কন্যাদায়গ্ৰস্ত তেনেই সৰল প্ৰকৃতিৰ পিতৃৰ চিন্তা আৰু দুৰৱস্থা হাস্যকৰভাৱে উপস্থাপন কৰিছে। পিতৃ হিচাপে মহন্তৰ কাৰ্য-কলাপবোৰ বেছ আমোদজনক। দৰা বিচাৰি শ্বিলঙলৈ যোৱা, সচিবালয়, বীমা নিগমৰ কাৰ্যালয়ত খবৰ লোৱা এইবোৰৰ বৰ্ণনা বৰ হাঁহি উঠা। উদাহৰণ স্বৰূপে সচিবালয়ত ৰেজিষ্ট্ৰাৰজনে কৈছে –"ডাঙৰীয়া, ছেক্ৰেটেৰিয়েটত এতিয়ালৈকে গড়কাপ্তানী বিভাগ, শিক্ষা বিভাগ বন বিভাগ, আদি বিভাগবিলাকহে হৈছে, প্ৰজাপতি বিভাগটো হোৱাগৈ নাই। হওঁতে যি প্ৰকোপ হৈছে- তিনি চাৰি বছৰৰ ভিতৰত সেইটোও হবগৈ পাৰে। কোনে জানে তাৰ কাৰণে এজন মিনিষ্টাৰো কিজানি হ'ব।তেতিয়া আপোনাৰ সুবিধা হ'ব।"[৯৮] এনেদৰে কৈ যে তেওঁকেই ঠাট্টা-ইতিকিং কৰিছে- তেনেই সৰল-সহজ, সংসাৰৰ আও-ভাও নোপোৱা মহন্তৰ তেতিয়াও বোধগম্য হোৱা নাই বৰঞ্চ কথাষাৰ শুনি মহন্তৰ মনটো ক'লা পৰি গ'লেও তিনি চাৰি বছৰ ৰোৱাৰ বাহিৰে একো উপায় তেওঁ বিচাৰি নাপালে।

*ৰামধেনুৰ* গল্পকাৰসকলৰ হাস্যব্যংগৰ পাত্ৰ আৰু এক শ্ৰেণী হ'ল- তথাকথিত ভদ্ৰ অথচ ভণ্ডামিৰে পৰিপূৰ্ণ চৰিত্ৰবোৰ। সমাজত ভদ্ৰতাৰ মুখাৰ আঁৰত নিজৰ প্ৰকৃত চেহেৰা লুকুৱাই থোৱা শিক্ষিত উচ্চপদস্থ ব্যক্তি, সমাজ দেশসেৱকক *ৰামধেনুৰ* পূৰ্বৱতী *জোনাকী* আৰু *আৱাহন*তো তুচ্ছ-তাচ্ছিল্য কৰা হৈছিল। আধুনিক শিক্ষাব্যৱস্থাৰ প্ৰসাৰ, স্বাৰ্থকেন্দ্ৰিক সভ্যতাৰ বিকাশ আৰু অন্তঃসাৰশূন্য আধুনিকতাৰ প্ৰভাৱত এই শ্ৰেণীৰ ফোপোলা স্বৰূপ প্ৰকাশ পাইছিল। কুমুদ গোস্বামীৰ 'স্পন্দন'[৯৯] গল্পটোত এনে এক ভদ্ৰলোকৰ ঠগামি আৰু শোষণৰ বিশ্লেষণে ঠাই পাইছে। এনে ধৰণৰ শোষণ আৰু নিম্নবিত্ত শ্ৰেণীৰ প্ৰতি থকা অৱহেলা আৰু ঘৃণাই এজন মানুহক কিদৰে উন্মাদ কৰি তুলিব পাৰে এই গল্পটোত সেই কথাকে উপস্থাপন কৰা হৈছে। উচ্চবৰ্গৰ লোকে নিম্নবৰ্গৰ মানুহৰ ক্ষেত্ৰত কৰা অমানৱীয় আচৰণত প্ৰফুল্ল অতীষ্ঠ হৈ শেষত মানসিক আৰু শাৰীৰিক যন্ত্ৰণাত ভুগি মগজুৰ ভাৰসাম্য হেৰুৱাই পেলাইছে আৰু হাতত এখন চিপৰাং লৈ যাকে-তাকে মাৰিবলৈ দেখি ফুৰিছে। গল্পটোত প্ৰফুল্লৰ অন্তৰ্দ্বন্দ্বৰ তীব্ৰতা আৰু সভ্য সমাজৰ নাৰকীয় চৰিত্ৰৰ প্ৰতি নিক্ষেপ কৰা ব্যংগাত্মক দৃষ্টি অতি প্ৰত্যয়জনক ৰূপত প্ৰকাশ পাইছে।

---

৯৮। নৰেন শৰ্মা – 'কন্যাদায়', *ৰামধেনু*, ৫ ম বছৰ ২য় সংখ্যা পৃঃ ৬৭ ।

৯৯। কুমুদ গোস্বামী – 'স্পন্দন,' *ৰামধেনু*, ২য় সংখ্যা, ১৯৭৯ চন।

*ৰামধেনুত* প্ৰকাশিত কিছুসংখ্যক গল্পত আৰু এক শ্ৰেণী ভদ্ৰ মানুহৰ ভণ্ডামিৰ পৰিচয় পোৱা যায়। এই মানুহখিনিয়ে অৱশ্যে কাৰো বিশেষ অপকাৰ নকৰে,- কেৱল য'তে ত'তে, যাৰে তাৰে পৰা হকে বিহকে সুবিধা আদায় কৰিব খোজা স্বাভাৱৰ বাবে এওঁলোক সকলোৰে হাঁহিয়াতৰ পাত্ৰলৈ পৰিণত হয়। আৱাহন যুগৰ বিশিষ্ট লেখক লক্ষ্মীনাথ ফুকনে *ৰামধেনুৰ* পাতত লিখা গল্প 'নতুন সুৰ' এই শ্ৰেণীৰে প্ৰতিনিধিস্থানীয় চৰিত্ৰক লৈ ৰচিত।

প্ৰতিপত্তিশীল শহুৰেকৰ ধনৰ বলত দুবাৰ কৈ পৰীক্ষা দি বি,এ পাছ আৰু নামৰ বলত ফুলপানী বাগিচাৰ এছিষ্টেন্ট মেনেজাৰৰ চাকৰি লাভ কৰা মাধৱ চন্দ্ৰ বৰুৱা সাজে পোচাকে ষোলঅনা চাহাব। থকা - মেলা আৰু খোৱা- বোৱাৰ আদৱ কায়দাৰ ক্ষেত্ৰতো তেওঁ সম্পূৰ্ণ চাহাবী। তেওঁ পুৱা পালেঙতে বেডটি, ন বজাত ব্ৰেকফাষ্ট, ডেৰমান বজাত লাঞ্চ, আবেলি চাহ আৰু ৰাতি আঠ বজাত ভিতৰতে ডিনাৰ খায়। মাধৱ চন্দ্ৰৰ যেতিয়া খং উঠে তেতিয়া তেওঁৰ হিন্দুস্থানী মাত ওলায়, কাৰণ তেওঁৰ মতে হিন্দুস্তানী ভাষাৰ যি জোৰ অসমীয়া ভাষাৰ সেই জোৰ নাই । আনহাতে মাধৱৰ পত্নী কিৰণৰ ধৰণ-কৰণ সম্পূৰ্ণ অসমীয়া।এই কিৰণৰ পিতৃ অৰ্থাৎ শহুৰেকৰ জৰিয়তেই নগৰত ঘৰ-মাটি কিনিবলৈ বুলি সুযোগ চাই থাকোতেই হঠাৎ এদিন তেখেতৰ মৃত্যু ঘটিল আৰু মাধৱৰো সেই আশা নিৰ্বাপিত হ'ল।

মাধৱচন্দ্ৰ হ'ল ক্ষণে ক্ষণে বৰণ সলোৱা লোক। তেওঁৰ বাগিচাখন যেতিয়া ইংৰাজ মালিকৰ হাতৰ পৰা এজন কলিকতীয়া মাৰোৱাৰী তথা কংগ্ৰেছী ৰতনমল কেডীয়াই কিনিলে তেতিয়া মাধৱে আকৌ আগৰ চাহাবী ৰেহৰূপ সম্পূৰ্ণ পৰিত্যাগ কৰি কুৰ্তা-পায়জামাত ধৰিলে আৰু সকলোবোৰ কাণ্ড কাৰখানা ভাৰতীয় দস্তুৰ মতেই চলিবলৈ ধৰিলে। ৰতনমলৰ লগত হিন্দীত কথা পাতিবলৈ গৈ মাধৱে নিজকে হাঁহিয়াতৰ পাত্ৰ কৰি তুলিছে। কিৰণক ৰতনমলৰ জীয়েকৰ নিচিনা বুলি কবলৈ যাওঁতে ভুলক্ৰমে ওলোটাহে হৈছে অৰ্থাৎ মাধৱৰহে কিৰণ নিজৰ জীয়েক হৈছেগৈ এইদৰে–"বহুত আচ্ছা বাত, কিৰণতো মেৰী বেটীকে মাফিক্ হৈ- মাফিক্ ক্যা অপনী বেটীহি হৈ।"[১০০]

ৰতনমলৰ মন যোগাবলৈ ইমানখিনি কৰাৰ ফলস্বৰূপে মাধৱ ফুলপানী বাগিচাৰ মেনেজাৰ হ'বলৈ পালে কিন্তু বাৰে বাৰে অনুৰোধ কৰা সত্বেও ৰতনমলে দৰমহা নবঢ়োৱাত মাধৱ আগৰ দৰমহাতে সন্তুষ্ট থাকিবলগীয়া হ'ল।

---

১০০। লক্ষ্মীনাথ ফুকন – 'নতুন সুৰ,'*ৰামধেনু*, ৩ য় বছৰ, ৪ৰ্থ সংখ্যা,

দেশপ্ৰমীৰ মুখা পিন্ধি তাৰ আঁৰত নিজৰ স্বাৰ্থসৰ্বস্ব চেহেৰা লুকুৱাই থোৱা বৰকথীয়াসকলৰ প্ৰতি *ৰামধেনুৰ* গল্পকাৰে ব্যংগাত্মক দৃষ্টি নিক্ষেপ কৰিছে। এনে ধ্যান-ধাৰণাৰ পটভূমিত গঢ় লৈ উঠা গল্প এটা হৈছে সত্যৰেখা বৰুৱাৰ ‘দেশসেৱিকা।’[১০১]

গল্পটোত নিৰু নামৰ আধুনিকা যুৱতী গৰাকীয়ে আত্মীয় স্বজনসকলে পছন্দ কৰি দিয়া সাধাৰণ উকীল অমিয় দুৱৰাক এই কাৰণেই প্ৰত্যাখ্যান কৰিছে যে তেওঁৰ জীৱনৰ ব্ৰত যিহেতু দেশৰ সেৱা গতিকে বিবাহৰ দৰে এটা ঘটনাই তেওঁৰ এই মহান কাৰ্যত বাধা-বিঘিনিৰ সৃষ্টি কৰিব পাৰে। সেয়েহে নিৰুৱে চিৰকুমাৰী হৈ থাকি দেশৰ বাবে, দহৰ বাবে জীৱন উৎসৰ্গা কৰিছে। সাধাৰণ মানুহৰ গতানুগতিক সংসাৰৰ ক্ষুদ্ৰ গণ্ডীত তেওঁ আবদ্ধ নাথাকে। কিন্তু কাৰ্যত দেখা গ'ল যে দুদিন মানৰ পিছতেই নিৰুৱে ব্লেক মাৰ্কেটৰ নামজ্বলা কাৰবাৰী প্ৰণৱ চৌধুৰীৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈছে। গল্পটোৰ শেষত গল্পকাৰৰ টিপ্পনী যথাযোগ্য হৈছে যে দৰাচলতে নিৰুৱে উচিত কামকেই কৰিছে কিয়নো দেশ সেৱা কৰিবলৈ প্ৰথমতে প্ৰয়োজনীয় মটৰ এখনতো লাগিবই গতিকে মটৰ কিনিবৰ ক্ষমতা নথকা অমিয় দুৱৰাক বিয়া কৰোৱাতকৈ লাখপতি প্ৰণৱ চৌধুৰীক বিয়া কৰাই মটৰৰ লেখীয়া দেশসেৱাৰ বাবে অপৰিহাৰ্য আহিলাটি সৰ্বপ্ৰথমে গোটাই লোৱাটোহে প্ৰকৃত দেশপ্ৰেমীৰ কাম!

স্বৰাজোত্তৰ কালত মধ্যবিত্ত জীৱনত দেখা দিয়া সাংস্কৃতিক মূল্যবোধৰ স্খলনৰ দিশটোৰ ওপৰত ভিত্তি কৰিও *ৰামধেনুত* যথেষ্ট সংখ্যক গল্প লিখা হৈছিল। বিলাস প্ৰমোদৰ নানান উপকাৰণ, চকু ছাট মাৰি ধৰা বিভিন্ন বিজ্ঞানৰ আবিষ্কাৰ, ব্যক্তিসৰ্বস্ব চিন্তা-চৰ্চাই মধ্যবিত্ত সমাজখনৰ কিছু সংখ্যক লোকক উন্মনা আৰু উশৃংখল কৰি তুলিছিল। তেনে বিষয়বস্তুৰে গঢ় লৈ উঠা আৱাহন যুগৰ প্ৰতিষ্ঠিত গল্পকাৰ ৰমা দাশৰ ‘ৰেডোডেণ্ড্ৰণৰ বিলাস’[১০২] এটি সুখপাঠ্য গল্প।

অত্যাধুনিকা মাক জীয়েক মিছেছ সৱিতা কাকতি আৰু মিছ নমিতা দুয়োগৰাকী বলিয়া চিনেমা জগতক লৈ। দুয়োগৰাকীয়েই সপোন দেখে বিখ্যাত চিত্ৰাভিনেত্ৰী হৈ নিজৰ নিজৰ নাম চিৰযুগমীয়া কৰি থৈ যোৱাৰ। নৃত্যাংগনা নমিয়ে কল্পনা কৰে এদিন তাই অসমৰ বৈজয়ন্তীমালা হ'ব! সেয়ে তাই বেণীদুডালো ওলোমাই লয় ঠিক বৈজয়ন্তীমালাৰ ষ্টাইলত! মিছেচ সবিতা কাকতিয়েই জীৱনৰ সকলো কথাতে

---

১০১। সত্যৰেখা বৰুৱা –‘দেশসেৱিকা’ *ৰামধেনু*, ৩য় বছৰ, ৩য় সংখ্যা।

১০২। ৰমা দাশ –‘ৰেডোডেণ্ড্ৰণৰ বিলাস’, *ৰামধেনু*, ৯ম বছৰ, ৮ ম -৯ ম সংখ্যা।

চিত্ৰাভিনেত্ৰীসকলকেই অনুসৰণ আৰু অনুকৰণ কৰে। শ্বিলং পিকত লগপোৱা চলচ্চিত্ৰ জগতৰ তাৰকা হিমাদ্ৰী আৰু অজয়ৰ ভুৱা আশ্বাসত পতিয়ন গৈ দিবাস্বপ্নত বিভোৰ হোৱা নমিতাই ভাবে–তায়ো যেন সচাঁকৈয়ে অভিনয় কৰিছে 'অলকাৰ সপোনত',- বিখ্যাত চিত্ৰ তাৰকা অজয়ক লৈ। অবাক হৈ চাইছে সিহঁত দুয়োকে, গোটেই জগতেই কৈছে–"সচাঁকৈ, সচাঁকৈ এই নতুন বৈজয়ন্তীমালা লুকাই আছিল কত ইমান দিনে? দিয়া দিয়া ৰেডোডেণ্ড্ৰনৰ ৰঙা জয়মাল্য এওঁৰ ডিঙিত ভালকৈ পিন্ধাই দিয়া। থোৱা থোৱা গোটেই ঘৰে ঘৰে এওঁৰ ছবি আঁকি থোৱা।"[১০৩] এই দুগৰাকী মাক জীয়েকে আপাৰ শ্বিলঙলৈ পিকনিক খাবলৈ যাওঁতে বাটতে লগ পোৱা চিনেমাৰ এই দুজন তাৰকা হিমাদ্ৰী আৰু অজয়ৰ মন উন্মনা কৰা, দেহা ৰাইজাই কৰা কথা-বতৰাত আপোৰ পাহৰি দিকবিদিক শূণ্য হৈছে আৰু শেষত প্ৰতাৰিত হৈ নিজকে ভুচুংপহুৰ ৰূপত সজাইছে।

ৰোমান্টিক ভাৱধাৰাৰ উচ্ছলতাই ইয়াত কল্পনাৰ পাৰ ভাঙি পেলাইছে। লেখকৰ অপূৰ্ব বৰ্ণনাই গল্পটো ৰসোত্তীৰ্ণ কৰি তোলাৰ লগতে পাঠকক হাঁহিৰ খোৰাক যোগাবলৈ সক্ষম হৈছে।

*ৰামধেনু*ত প্ৰকাশিত কিছুংসখ্যক গল্পকাৰৰ গল্পত সমকালীন ৰাজনৈতিক নেতাসকলৰ প্ৰতি তীব্ৰ বাক্যবাণ নিক্ষেপ কৰা পৰিলক্ষিত হয়। চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'মায়ামৃগ'[১০৪] গল্পটোত এ কালৰ মেধাৱী ছাত্ৰ হেমন্তই ৰাজনীতিৰ সৈতে জড়িত হৈ ক্ষমতা আৰু প্ৰতিষ্ঠাৰ মৰীচিকা খেদি ফুৰে। হেমন্তৰ এই অধঃপতনত তেওঁৰ এসময়ৰ শিক্ষা গুৰু, আদৰ্শৱান শিক্ষক পৰশুৰাম বৰুৱা ক্ষুব্ধ হয় আৰু হেমন্তক শান্ত ভাৱে ব্যংগ কৰি তীব্ৰ ককৰ্থনা কৰে। পৰশুৰাম বৰুৱাৰ মুখৰ -

> দুদিনৰ বাবে জেলত আছিলা বুলিয়েই স্বাধীন চৰকাৰৰ পৰা পুৰস্কাৰ বিচৰাৰ ঘৃণনীয় কাহিনী বোধকৰো পৃথিবীৰ আৰু কোনো দেশত নাই। আন্দোলনত সৰ্বস্ব হেৰুওৱা কোনোবাই হয়তো নিজৰ কাৰ্য শক্তিৰ অক্ষমতাৰ বাবে কিবা এটা পালে। কিন্তু তাৰ বাবে যি দাবী কৰে তাৰ দৰে আৰু লজ্জাৰ কথা কি থাকিব পাৰে? দেশৰ প্ৰগতিৰ নামত ৰঘুমলাৰ দৰে সৃষ্টি হোৱা এই ব্যৱসায়ী দলটো যিমান সোনকালে নিঃশেষ হৈ যায় সিমানেই দেশখনৰ মঙ্গল হ'ব বুলি মই ভাবো।[১০৫]

এই কথাখিনিত তথাকথিত দেশপ্ৰেমিকৰ মুখাৰ আঁৰত লুকাই থকা ভণ্ডমিৰ প্ৰতি ব্যংগ প্ৰচ্ছন্ন হৈ আছে। হেমন্তই তেওঁ যে এজন অতি ব্যস্ত নেতা সেইটোকে প্ৰতিপন্ন কৰিবলৈ বুলি তেওঁক লগ কৰিবলৈ অহা

---

১০৩। ৰমা দাশ –'ৰেডোডেণ্ড্ৰণৰ বিলাস', *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প*, পৃঃ ২৫।

১০৪। চন্দ্ৰ প্ৰসাদ শইকীয়া -'মায়ামৃগ,' *ৰামধেনুৰ*, ১২শ বছৰ, ২য় সংখ্যা।

১০৫। চন্দ্ৰ প্ৰসাদ শইকীয়া -'মায়ামৃগ,' *ৰামধেনুৰ শ্ৰেষ্ঠ গল্প* পৃঃ ১০৩।

মানুহখিনিক নির্দিষ্ট সময়তকৈ তিনি-চাৰি ঘন্টা পলমকৈ লগ কৰে। অথচ এই সাধাৰণ সত্য তেওঁৰ উপলব্ধিৰ বাহিৰত নহয় যে তেওঁলৈ এনেদৰে ঘন্টা ঘন্টা সময় অপেক্ষা কৰা মানে গাঁৱৰ সাধাৰণ মানুহখিনিৰ বাবে তিনিদিন লঘোণে থকা।কিন্তু হেমন্তৰ এইকণ কথা বুজিবলৈও অন্তৰ নাই, অথচ তেওঁ এজন বিয়াগোম নেতা – জনসাধাৰণৰ প্ৰতিনিধি!গল্পটোৰ শেষৰ দেখুওৱা হৈছে পৰশু বৰুৱাৰ তীব্ৰ বাক্যবাণত থকাসৰকা হৈ হেমন্তই নিজৰ কু-কাৰ্যৰ বাবে অনুতপ্ত হৈছে আৰু ভণ্ডামিৰ মুখাখন খুলি পেলাইছে।

'মায়ামৃগ'ৰ বিষয়বস্তুৰ সৈতে সাদৃশ্য থকা আন এটা গল্প হৈছে ত্ৰৈলোক্য নাথ গোস্বামীৰ 'সাধনাৰ ধন'[১০৬] গল্পটো। অন্যায়-অবিচাৰ, শোষণৰ দ্বাৰা জনসাধাৰণক ক্ৰমে ৰিক্ত আৰু নিঃস্ব কৰি তোলা ৰাজনৈতিক নেতাৰ চৰিত্ৰক বিদ্ৰূপাত্মক ভাৱে ব্যংগ কৰা হৈছে। বিয়াল্লিছৰ আন্দোলনত অংশগ্ৰহণ কৰি কাৰাবাস খটা তিনিজন সতীৰ্থৰ এজনে নিজৰ ত্যাগ আৰু সততাৰ আদৰ্শক লৈয়েই জীয়াই থাকিবলৈ ভালপালে আৰু আন দুজনে সময়ৰ সুযোগৰ সদব্যৱহাৰ কৰি নিজৰ সকলো নীতি-আদৰ্শক বিসৰ্জন দি ভোগবাদী ৰাজনৈতিক নেতালৈ ৰূপান্তৰিত হ'ল। ইয়াৰে প্ৰথমজন ৰমেশ এজন চিত্ৰকৰ। ৰং তুলিকাৰ মাধ্যমত তেওঁ দেশৰ দৰিদ্ৰ নাৰায়ণক বুজাই দিব খুজিছে যে তেওঁলোক অন্যায়ৰ বলি হৈছে আৰু সহ্য কৰি থকাৰ সীমাও তেওঁলোকে অতিক্ৰম কৰিছে। জনসাধাৰণৰ কল্যাণৰ দোহাই দি পৃথিৱীত চলি থকা নৃশংস অত্যাচাৰ, উৎপীড়নৰ প্ৰতিবাদ কৰিবৰ সময় আহি পৰিছে। সাম্প্ৰতিক সময়ৰ এই ভয়াবহ বাস্তৱক ৰমেশে হাজাৰ বিপদ-বাধা সত্বেও ৰং তুলিকাৰে মূৰ্ত কৰি তুলিবলৈ চেষ্টা কৰিছে আৰু নানান প্ৰতিকূলতাৰ মাজতো তেওঁৰ এই সৎপথৰ যাত্ৰা অব্যাহত ৰাখিবলৈ সিদ্ধান্ত লৈছে।

*ৰামধেনুতে* গল্প লিখিবলৈ আৰম্ভ কৰি বৰ্তমানলৈকে ধাৰাবাহিকতা ৰক্ষা কৰি অহা লেখক ৰিজু হাজৰিকাই বেজবৰুৱাৰ হাততে সৃষ্টি হোৱা হাস্য-ব্যংগৰ ধাৰাটোলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে। সাধাৰণতে সমাজৰ ফোপোলা স্বৰূপৰ ভণ্ড চৰিত্ৰক কলমৰ লক্ষ্য হিচাপে গ্ৰহণ কৰা হাজৰিকাৰ *ৰামধেনুৰ* পাতত প্ৰকাশিত 'লাজ লগা কাৰণে'[১০৭] গল্পটো অৱশ্যে এজন লোকৰ এটা সাধাৰণ অথচ হাঁহি উঠা অক্ষমতাত লৈ লিখা হৈছে।

---

১০৬। ত্ৰৈলোক্য নাথ গোস্বামীঃ – 'সাধনাৰ ধন,' *ৰামধেনু*, ৫ম বছৰ, ১০ ম সংখ্যা।

১০৭। ৰিজু হাজৰিকা – 'লাজ লগা কাৰণে', *ৰামধেনু*, ১৯শ বছৰ, ২য়-৩য় সংখ্যা।

প্ৰথম পুৰুষত ব্যক্ত কৰা এই গল্পৰ নায়কজনে চাইকেল চলাব নাজানে। এই দুৰ্বলতাৰ বাবেই তেওঁ প্ৰায়েই বিপদত পৰা উপৰিও অন্যৰ আগতো হাঁহিয়াতৰ পাত্ৰ হ'বলগীয়া হয়। কাৰণ ল'ৰা মানুহে চাইকেল চলাব নজনাটো আমাৰ সমাজৰ বাবে এক অবিশ্বাস্য আৰু অতি হাস্যজনক আৰু আচৰিত কথা। সৰু কালৰে পৰা ডেকা অৱস্থালৈকে এই বিপদটোৱে তেওঁৰ লগ নেৰিলে– যিহেতু তেওঁৰ চাইকেল শিকাও তেতিয়ালৈকে নহ'লগৈ। উপযুক্ত পৰিমাণে শিক্ষিত হোৱাৰ পিছত চৰকাৰী চাকৰিৰ বাবে নিৰ্বাচিত হোৱাৰ সময়তো আৰু পিছতো তেওঁৰ বহুবাৰ লটিঘটি হৈছে এই কথাটোক কেন্দ্ৰ কৰিয়েই। সৰ্বশেষ আৰু চূড়ান্ত অঘটনটো ঘটিলে তেওঁৰ বিয়া ঠিক হোৱাৰ সময়ত। বিহু উৎসৱত চাইকেল ৰেচ দি প্ৰথম হোৱা ভাবী পত্নীৰ আগত ভৱিষ্যতে লাজত নপৰিবলৈ বুলি তেওঁ ব্যৱস্থা কৰাত লাগিল। দুজন বন্ধুৱে তেওঁক নিয়মীয়াকৈ চাইকেল চলোৱাৰ প্ৰশিক্ষণ দিবলৈ ধৰিলে। প্ৰশিক্ষণ চলি থকা সময়চোৱাতে এবাৰ এপাকত তেওঁ চাইকেলত উঠি জোৰেৰে পেডেল মাৰি ব্ৰেক টানি দিয়াত উফৰি গৈ বলদ এটাৰ ওপৰতে পৰিল আৰু সি তাৰ প্ৰকাণ্ড শিং দুটাৰে আঘাত কৰাত তেওঁ চিকিৎসালয়ত চিকিৎসাধীন হ'বলগীয়াত পৰিল।

লেখিকা নীলিমা শৰ্মাৰ 'তৃষা'[১০৮] গল্পৰ নায়িকা বিগত যৌৱনা অবিবাহিতা যুৱতী প্ৰণৱী আৰু তাইৰ কাৰ্যকলাপে তাইক এজনী পাতল স্বভাৱ আৰু টুলুঙা মনৰ নাৰীলৈ ৰূপান্তৰ ঘটাইছে আৰু অন্যৰ চকুত হাঁহিয়াতৰ পাত্ৰ কৰি তুলিছে।

হোষ্টেলৰ মিঠা বয়সৰ ছোৱালীবোৰৰ দৰে প্ৰণৱীয়েও নিজকে সুন্দৰ কৰি ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰে আৰু তাৰ বিনিময়ত অৰ্জন কৰে এটা নতুন নাম-'মধুবালা'। কমোৱা তুলাৰ দৰে চঞ্চল পাতল মনৰ অধিকাৰী প্ৰণৱীয়ে প্ৰেমপত্ৰ লিখিবলৈ কাকো বিচাৰি নাপাই প্ৰথম বাৰ্ষিকত পঢ়া নিজৰ ভনীয়েকলৈকে ভাৱ-ভাষাৰ মধুৰ আৱেগ ঢালি চিঠি লিখে। বায়েকে ভনীয়েকলৈ লিখিবনলগীয়া বহুতো কথা অজানিত ভাৱেই প্ৰণৱীয়ে কৰবীলৈ লিখি পেলায়। তাই শিক্ষকতা কৰা স্কুলখনৰে সহকৰ্মী সুদীপ্তক দেখি প্ৰণৱী মুগ্ধ হয় আৰু একপক্ষীয় প্ৰেমৰ মালা গাঁথি আপোনপাহৰা হৈ থাকে। পূজাৰ বন্ধত নিজৰ ঘৰলৈ অহা প্ৰণৱীয়ে ককায়েকহঁতে ঠিক কৰা তাইক পছন্দ কৰিবলৈ অহা কোনোবা বাগিচাৰ কেৰেণীজনক খঙে-ৰাগে একাকাৰ হৈ অপমান কৰি ঘৰৰ পৰা পঠিয়াই দিয়ে নিজৰ মিছা অহংবোধৰ বাবে। পিছত স্কুললৈ আহি সুদীপ্তক এইখিনি কথাকে প্ৰণৱীয়ে এজন এছিষ্টেণ্ট মেনেজাৰে তাইক চাবলৈ অহা বুলি ৰহন সানি পৰম তৃপ্তিত কৈ

১০৮।নীলিমা শৰ্মা – 'তৃষা,' *ৰামধেনু*, ১৩শ বছৰ, ৩য় সংখ্যা

যাওঁতে গমেই পোৱা নাছিল যে সেইজন প্ৰকৃততে সুদীপ্তয়েই পঠিওৱা তেওঁৰেই একমাত্ৰ ককায়েকহে আছিল! প্ৰণৱীলৈ বুলি ককায়েককে ঠিক কৰি সেইদিনা তেওঁক সুদীপ্তই পঠিয়াইছিল, কিয়নো তেওঁৰ প্ৰতি থকা প্ৰণৱীৰ আকাংক্ষা পূৰাবলৈ গৈ সুদীপ্ততো আৰু অপদাৰ্থ হ'ব নোৱাৰে। প্ৰণৱীৰ নিচিনা সময়ৰ ধূলি লাগি ৰং যোৱা কাগজৰ ফুলে যে তেওঁৰ দৰে সুঠাম ডেকাৰ মনৰ তৃষ্ণা আঁতৰাবলৈ অপাৰগ!

আৱাহন যুগৰে গল্পকাৰ বেজবৰুৱাৰ উপযুক্ত উত্তৰসূৰী লক্ষ্মীনাথ ফুকনৰ 'মহিমাময়ী'[১০৯] *ৰামধেনুত* প্ৰকাশ পোৱা এটি অনন্যসাধাৰণ চৰিত্ৰ। অতিমাত্ৰা মিতব্যয়িতাই জন্ম দিয়া চূড়ান্ত কৃপণ স্বভাৱৰ এই গৰাকী মহিলাৰ কাৰ্য-কলাপে গোটেই গল্পটোতে হাঁহিৰ সমল যোগাইছে। গল্পটোৰ সুখপাঠ্যতা আৰু ৰসাল বৰ্ণনাই পাঠকৰ পেটৰ নাড়ী হাঁহিৰ কোবত ডাল ডাল কৰে।

তেজপুৰৰ ফালৰ বকুলবন বাগিচাত বৰকেৰাণীৰ কাম কৰা আনন্দৰ ঘৈণীয়েক মহিমাময়ীয়ে ল'ৰা-ছোৱালীহাল পবিত্ৰ আৰু অমিয়াক লৈ গুৱাহাটীত থাকে। আনন্দ খৰচী মানুহ, কিন্তু মহিমাময়ীৰ হাতেৰে পানী সৰকিবলৈও টান। ঘটনাৰ সূত্ৰপাত হৈছে আনন্দৰ ভাগিনীয়েক তীখৰ নবীনৰ মোমায়েকৰ ঘৰলৈ আগমণক কেন্দ্ৰ কৰি। নবীনৰ বজাৰ কৰা, চিনেমা চোৱা, ফুৰিবলৈ যোৱাৰ প্ৰকোপ দেখি মামীয়েক মহিমাময়ীৰ চিন্তাতে জ্বৰ উঠিল। তেওঁ নবীনক কেনেকৈ সিমানতে খেদিব পৰা যায়- তাৰ উপায় চিন্তা কৰিয়েই তত নোপোৱা হ'ল। দুদিনমান চাহ-ভাত খাবলৈ নাপালে নিজেই যাবগৈ বুলি এবাৰ মহিমাময়ীয়ে বেমাৰৰ ভাও ধৰিও লাভতো নহ'লেই বৰঞ্চ লোকচানহে হ'ল। কিয়নো তেতিয়া নবীনে নিজেই পাকঘৰত সোমাই ৰাজত্ব চলাবলৈ ধৰিলে। নবীন ৰান্ধনী ঘৰত সোমোৱাৰ দিনা মহিমাময়ীৰ গৃহস্থালিৰ ইতিহাসত সোণালী আখৰেৰে লিখি থবলগীয়া অভূতপূৰ্ব ঘটনা ঘটিল। কাৰণ সেই ৰাতি বন কৰা ছোৱালী তৰবৰীয়েও কণী এটা খবলৈ পালে। এৰেহা বা কৰ্কৰা ভাতকে সদায় খাবলৈ পোৱা তাই কাচিৎ কোনো দিনা সিজা ভাত খাবলৈ পালেও সেই দিনটো পৰ্ব দিন যেন হয়। কিন্তু সেই ৰাতি তাই কাৰো এৰেহা খাব নেলাগিল। তৰবৰীয়ে খালে পবিত্ৰ, অমিয়াহঁতৰ দৰেই খমখমীয়া লুচী আৰু আলুৰে সৈতে কণীৰ আঞ্জা। মামীয়েকৰ নৰিয়া শকত যেন পাই নবীনে এইবাৰ গাঁৱৰ পৰা মাক আৰু লগতে বনকৰা ল'ৰা ফটিককো লৈ আহি গুৱাহাটী পোৱালেহি। কিছুদিন কটোৱাৰ পিছত নবীন আৰু মাক যাবলৈ ওলাল। মামীয়েকৰ পৰা ৰেল ভাড়া পঁচিশ টকা আদায় কৰি লগতে তেওঁৰ মনো ফৰকাল কৰি নবীনহঁত গ'লগৈ। অৱশ্যে যোৱাৰ মুহূৰ্তত

১০৯।লক্ষ্মীনাথ ফুকন –'মহিমাময়ী',*ৰামধেনু*, ৪ ৰ্থ বছৰ, ৩য় সংখ্যা।

বাকীকৈ লোৱা তেল, চাবোন আৰু ফণী এখনৰ দাম তিনিটকা আঠ অনা ফেৰীৱালাটোৰ ধাৰ মাৰিবলৈ নবীনে শ্ৰীমতী মহিমাময়ীক সাঁকিয়াই থৈ যাবলৈ নেপাহৰিলে!

আৱাহন যুগৰ আন এজন ৰসজ্ঞ ব্যংগ লেখক নকুল চন্দ্ৰ ভূঞাৰ *ৰামধেনুত* প্ৰকাশিত 'পিলিঙা ডেকা নোমল'[১১০] গল্পটো হাস্যৰসেৰে পৰিপূৰ্ণ। চহৰৰ আধুনিকতাৰ প্ৰবাহত উনৈশত বা বলাই ফুৰা এক শ্ৰেণী৷ এলেহুৱা অথচ চতুৰ প্ৰকৃতি ডেকাল'ৰাৰ হাস্যকৰ কথা-বতৰা আৰু ধৰণ-কৰণৰ বৰ্ণনা ইয়াত আছে।

যুদ্ধৰ সময়ত আমেৰিকান সৈন্যৰ চাউনিত 'বয়' (Boy) কামত সোমাই পিলিঙা ডেকা নোমলে যথেষ্ট পৰিমাণৰ কাপোৰ-কানি আৰু পইচা-পাতি অৰ্জন কৰিলে যদিও কামৰ শেষত হোটেলত মদ-ভাত খাই সকলোবোৰ অনাহকতে উৰুৱালে। দীঘল পেন্ট পিন্ধা নোমল প্ৰমুখ্যে এই ডেকাসকলে পথাৰৰ বোকাত নামি হাল-কোৰত হাত দিবলৈ তেনেই পাহৰিলে। বুঢ়া বাপেকহঁতক পথাৰলৈ পঠিয়াই সিহঁতে কোট-পেন্ট পিন্ধি মুখত চেলুৰই হুপি গাঁৱত গা ঘেলাবলৈ আৰম্ভ কৰিলে। দৈনন্দিন কামৰ ভিতৰত পৰিল জিলাৰ চাহৰ দোকানত চাহ খোৱা, মদ খোৱা আৰু টকি চোৱা। হাতত থকা পইছা শেষ হোৱাত বাৰীৰে পাণ-তামোল, কল-বেঙেনা বেচি মদ আৰু টকিৰ বাবে পইছা উলিয়াবলৈ ধৰিলে। এনেকৈ বেছি দিন নোযাৱাত মাকহঁতৰ খেচখেচনিত এদিন অতীষ্ঠ হৈ নোমল যোৰহাটলৈ আহিবলৈ বুলি জাহাজত উঠি নিমাতীঘাট পালেহি। তাতেই বহুতো টকা-পইচা লৈ অহা দুটা কাবুলীৰ পৰা নিজৰ বুদ্ধি আৰু চতুৰালিৰ বলত আঢ়ৈশ টকা সৰকাই আকৌ কিছুদিনলৈ নোমল নিশ্চিত হৈ থাকিল। নোমল আৰু বন্ধু কোমলৰ কথা-বতৰাৰ ৰসাল বৰ্ণনা গল্পটোত আছে। উদাহৰণ স্বৰূপে – এখন দোকানৰ পৰা নোমল আৰু কোমলে কেইটামান বস্তু কিনি এজনে আনজনক কৈছে –

'এতিয়া গো' হে গো' (Go)'

'ক'লৈ হে?'

'কেলেই, টি চপলৈ (Tea Shop), আবেলিৰ টি খাবলৈ। এতিয়া ফোৰ (Four) বাজিল।'

'নহয় হে, আজি ন' গো (No-Go) হাতত আৰু পইছা নাই। আজি ঘৰতে টি (Tea)খাবগৈ। তুমিও আমাৰ ঘৰতে খাবা – বলা ডিয়েৰ (Dear)'

'খোৱাহে ডিয়েৰ (Dear), ঘৰতনো আমাৰ নিচিনা মানুহে আবেলিৰ টি (Tea) খায় নে ? ঘৰত গুৰেৰে টি (Tea) দিব। নেখাও বুলি চেনি খুজিলে- বৌদেৱে যিহে মইনা মাত মাতিব! কথাৰেই হাড়সৰকাই দিব।'

'কৈছা হে। টি চপত (Tea Shop) আবেলি টি (Tea) টোপা খালে, দোকানৰ পৰা ওলাই আহোতে নগৰীয়া ডেকা হ'লো যেন

১১০। নকুল চন্দ্ৰ ভূঞা – 'পিলিঙা ডেকা নোমল', *ৰামধেনু*, ৮ম বছৰ, ৯ম সংখ্যা ।

অনুভৱ হয়। সঁচাই কৈছো – দোকানত টি (Tea) খাই ওলাই আহোতে গা-মনবোৰ ৰিবৰিবাই যায়।[১১১]

আৱাহন যুগৰে আৰু এজন কৃতী লেখক মহীচন্দ্ৰ বৰাৰ *ৰামধেনুত* প্ৰকাশ পোৱা হাস্যকৰ গল্প 'যুদ্ধ বিৰতি'।[১১২] ইয়াত তিনিকুৰি বছৰীয়া এজন প্ৰৱল প্ৰতাপী ৰায় বাহাদুৰ বলোভদ্ৰ বৰুৱাৰ দ্বিতীয় ঘৈণী বিজুলী বৰুৱানীৰ বৰ্তমানতে তেনেই কোমল বয়সীয়া কিশোৰী বুকুজুৰ আইদেউৰ পাণি গ্ৰহণ কৰিবলৈ মন মেলাৰ ফলত যি বিলাই-বিপত্তি হ'ল, – তাৰেই ৰসোত্তীৰ্ণ বিৱৰণ আছে! বুকুজুৰৰ চতুৰ পিতৃ চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ চক্ৰান্তত পৰি ছোৱালী বিয়া কৰিবলৈ গৈ ৰায়বাহাদুৰ বৰুৱা ডাঙৰীয়া অৱশেষত আদালতৰ দ্বাৰস্থ হ'বলগীয়া হৈছে আৰু অন্যান্য খৰচপাতিৰ উপৰিও কোমলমতীয়া ছোৱালী বিয়া কৰাব খোজাৰ অপৰাধত আইনমতে দণ্ডনীয় হৈ পাঁচহাজাৰ টকাৰ জৰিমনা ভৰিবলগীয়া হৈছে।

স্বৰাজোত্তৰ কালত দেখা দিয়া ব্যক্তি তথা সমাজ জীৱনলৈ নামি অহা নৈতিক বিশৃংখলতা আৰু আদৰ্শ স্খলনৰ ছৰিখন বুদ্ধিদীপ্তভাৱে প্ৰকাশ কৰা হৈছে সৌৰভ চলিহাৰ 'অশান্ত ইলেক্ট্ৰন'[১১৩] গল্পত। ইয়াত সমকালৰ অন্তঃসাৰশূন্য বাগাড়ম্বৰসৰ্বস্ব সাম্যবাদীসকলৰ ফোপোলা মানসিকতাক তীব্ৰ ব্যংগ কৰা হৈছে এনেদৰে - "কমিউনিজমৰ উদ্দেশ্য ষ্টেণ্ডাৰ্ড অৱ লিভিং কমোৱাটো নহয়, বঢ়োৱাটোহে।"[১১৪] এওঁলোকৰ লগতে তথাকথিত সমাজবাদীসকলকো গল্পটোত ব্যংগ কৰা হৈছে।

দেৱীদাস নেওগৰ 'দুই বন্ধু'[১১৫] গল্পটো এটা আমোদজনক কাহিনী লৈ লিখা হৈছে। দুই বন্ধু মইনুদ্দিন আৰু মহেন্দ্ৰই সততে কাজিয়া-মাৰপিট কৰি সিহঁত থকা পাৰাটোৰ ওচৰ-চুবুৰীয়াখিনিৰ শান্তি ভংগ কৰে। এই কাজিয়াত সিহঁতৰ ঘৈণীয়েক দুজনীয়েও উৎসাহ-প্ৰেৰণা যোগায়। অৱশেষত সিহঁতৰ বিৰুদ্ধে গোচৰ টনা হ'ল আদালতত। তদন্ত কৰিবলৈ অহা চৰকাৰী হাকিমে মইনুদ্দিনৰ মুখৰ পৰাহে সিহঁতৰকাজিয়াৰ অন্তৰালৰ ৰহস্যৰ ওৰ বিচাৰি পাইছে। মহেন্দ্ৰ আৰু মইনুদ্দিন সৰু কালৰে বন্ধু আৰু সেই বন্ধুত্ব সম্পূৰ্ণ অক্ষুণ্ণ হৈয়েই আছে। মাজে মাজে লাগি থকা কাজিয়াবোৰ আচলতে মিছা কাজিয়াহে। মাজে সময়ে

---

১১১। নকুল চন্দ্ৰ ভূঞা – 'পিলিঙা ডেকা নোমল', *ৰামধেনু*, ৮ম বছৰ, ৯ম সংখ্যা ।

১১২। মহীচন্দ্ৰ বৰা – 'যুদ্ধবিৰতি ', *ৰামধেনু*, ১৯শ বছৰ, ২য়-৩য় সংখ্যা।

১১৩। সৌৰভ কুমাৰ চলিহা - 'অশান্ত ইলেক্ট্ৰন', *ৰামধেনু*, ৩য় বছৰ, ১১ শ -১২ শ সংখ্যা।

১১৪। সৌৰভ কুমাৰ চলিহা -'অশান্ত ইলেক্ট্ৰন', *অশান্ত ইলেক্ট্ৰন*, পৃঃ .১৭

১১৫। দেৱীদাস নেওগ – 'দুই বন্ধু,' *ৰামধেনু*, ১৯ শ বছৰ, ৯ ম সংখ্যা।

এনেকুৱা ঘটনা সংঘটিত নকৰিলে উপায় নাই – কিয়নো দুয়ো বন্ধুৱে যে একেটা ভুলকে কৰি পেলাইছিল। আগৰ কালচোৱা একেলগে মদ-ভাং খাই দুয়োটাৰে দিন সুখেৰেই পাৰ হৈছিল। কিন্তু তপত ভাতৰ ধোঁৱাই খালে দুয়োটাকে – আদ বয়সত দুজনী গাভৰু ছোৱালী বিয়া কৰাই লৈ সিহঁতৰ সুখ-শান্তি নাইকিয়া হোৱাৰ উপক্ৰম হ'লহি। বিয়াৰ দুদিনমানৰ পিছৰে পৰা আজি কাপোৰ লাগে, কালি গহনা লাগে বুলি ঘৈণীয়েকহঁতে বিৰক্ত কৰি তুলিবলৈ ধৰিলে। প্ৰথমে কিছুদিন ধাৰ-ধুৰ কৰি হ'লেও সিহঁতে ঘৈণীহঁতৰ সন্তুষ্ট কৰিবলৈ চেষ্টা নকৰা নহয় যদিও শেষলৈ অতীষ্ঠ হ'বলৈ ধৰি দুয়োটাই আলোচনা কৰি এটা অভিনৱ উপায় উলিয়ালে। যেতিয়াই ঘৈণীহঁতে ফাই-ফৰমাচ দাঙি ধৰি আমনি কৰে তেতিয়াই কিবা এটা চেলু লৈ দুয়োটাই দুৰ্বাদল কাজিয়া এখন আৰম্ভ কৰি দিয়ে। কাজিয়াৰ উত্তেজনাত ঘৈণীহঁতেও দাবী-দাওৱাবোৰৰ কথা কিছু দিনলৈ পাহৰি থাকে। অৱশ্যে এইবোৰ বৰ গোপনীয় কথা। হাকিমবাবুক মইনুদ্দিনে একান্ত বিশ্বাসতহে কৈছে – হাকিমে যেন নিজৰ মেমচাহাবৰ আগতো এইবোৰ ঘূণাক্ষৰেও নকয় – কিয়নো এই তিৰীজাতিৰ দৰে 'বদমায়েচ' জাতি আৰু পাবলৈ নাই!

---

# ৰামধেনুৰ চুটিগল্পত মনস্তত্ব

অসমীয়া চুটিগল্প পাশ্চাত্য চুটিগল্পৰ আৰ্হিত গঢ় লৈ উঠা সাহিত্য শিল্প। সেয়েহে পাশ্চাত্য অন্যান্য দৰ্শন, মতাদৰ্শ ইত্যাদিৰ প্ৰভাৱ পৰাটো অতিশয় স্বাভাৱিক কথা। এই প্ৰসংগত হোমেন বৰগোহাঞিয়ে মন্তব্য কৰিছে – "দ্বিতীয় মহাযুদ্ধৰ পাচৰ যুগৰ অসমীয়া গল্পত বিশ্ব সাহিত্যৰ সৰ্বাধিক ধাৰাৰ সকলো লক্ষণ স্পষ্টৰূপে পৰিলক্ষিত হৈছে।"[১১৬] এইবোৰৰ ভিতৰত মনস্তত্ত্বৰ্ধি ধাৰাৰ বিপুল সংখ্যক চুটিগল্পই অসমীয়া গল্প সাহিত্যৰ ভঁৰাল চহকী কৰিছে। প্ৰসংগক্ৰমে ক'ব পাৰি যে অসমীয়া চুটিগল্পত মনস্তত্বৰ প্ৰভাৱ বুলি ক'লে যিজন মনস্তাত্বিকৰ অপৰিসীম প্ৰভাৱৰ কথা মনলৈ আহে, সেইজনেই হৈছে চিগ্‌মাণ্ড ফ্ৰয়ড। ফ্ৰয়েডীয় মনস্তত্বৰ বিভিন্ন দিশৰ সূক্ষ্ম বিশ্লেষণ কৰিছে অসমীয়া গল্পকাৰসকলে। অৱশ্যে এনে মনোধৰ্মী গল্পও আছে, য'ত ফ্ৰয়েডীয় দৰ্শনৰ প্ৰভাৱ পৰোক্ষ ভাৱেহে আহি সোমাইছেহি।

মানুহৰ অন্তৰ্জগতখনক মনঃসমীক্ষাত্মক দৃষ্টিৰে চোৱাৰ যি প্ৰচেষ্টা *ৰামধেনুৰ* পাতত আৰম্ভ হ'ল- সেই ধাৰাৰ ইতিহাস যথেষ্ট পুৰণি। কিয়নো অসমীয়া চুটিগল্প জন্মলগ্নৰে পৰা মানুহৰ মনৰ সৈতে সম্পৰ্কিত। মানুহৰ অভ্যন্তৰ জীৱনৰ মনস্তাত্বিক বিশ্লেষণৰ দিশত অসমীয়া চুটিগল্পৰ জনক লক্ষ্মীনাথ বেজবৰুৱাই পথিকৃৎ লেখক। বেজবৰুৱাৰ 'পাতমুগী' গল্পতে পোন প্ৰথমবাৰৰ বাবে মানুহৰ মনৰ এই সুপ্ত জগতখনৰ সম্ভেদ দিয়া হৈছিল। এই গল্পত পঞ্চাশ বছৰীয়া বৃদ্ধ দদাইদেউৰ মনত অকস্মাতে সোতৰ বছৰীয়া গাভৰু পাতমুগীৰ প্ৰতি যি আকৰ্ষণৰ সৃষ্টি হ'ল তাৰ সূক্ষ্ম মনোজ্ঞ বৰ্ণনা সম্পূৰ্ণ মনোবিজ্ঞানসন্মত। এই আকৰ্ষণৰ আধাৰ হৈছে নৰ-নাৰীৰ পৰস্পৰৰ প্ৰতি থকা জৈৱিক আকৰ্ষণৰ প্ৰভাৱ।

বেজবৰুৱাই মুকলি থৈ যোৱা এই ধাৰাৰ বিকাশৰ ক্ষেত্ৰত আৱাহন যুগৰ কেইজনমান লেখক প্ৰধানতঃ হলিৰাম ডেকা, ৰমা দাশ আৰু লক্ষ্মীধৰ শৰ্মাৰ নাম বিশেষভাৱে উল্লেখযোগ্য। *ৰামধেনুৰ* পাততো বিভিন্ন গল্পকাৰৰ সাৰ্থক লেখনীৰ মাজেৰে মনস্তত্ববাদী এই ধাৰাটো তীব্ৰতৰ হৈ পৰিল।

এই গল্পবোৰৰ জৰিয়তে কেইটামান বিশেষ দিশত লেখকসকলৰ মনঃসমীক্ষাত্মক দৃষ্টিভংগী প্ৰতিফলিত হোৱাটো পৰিলক্ষিত হয়। সেই বিশেষ দিশকেইটাক এইদৰে চিহ্নিত কৰিব পাৰি- নৰ-নাৰীৰ

---

১১৬। হোমেন বৰগোহাঞি – 'বিশ্বসাহিত্যৰ অসমীয়া চুটিগল্পৰ স্থান', *প্ৰবন্ধ চয়ন*, পৃঃ ৫০

জৈৱিক বাসনা,. আত্মহত্যা আৰু মৃত্যুস্পৃহা, নাৰী মনস্তত্ব, বৃদ্ধ মনস্তত্ব, শিশু মনস্তত্ব, উৎপীড়ন প্ৰৱণতা, ৰুগ্ন মানসিকতা ইত্যাদি।

নাৰী আৰু পুৰুষৰ জৈৱিক আকৰ্ষণৰ বিশ্লেষণ *ৰামধেনু*ৰ গল্পত অধিক ভাৱে দেখা যায়। ইয়াৰ মনঃসমীক্ষাত্মক বিশ্লেষণৰ ক্ষেত্ৰত আৱাহন যুগৰ লেখক লক্ষ্মীধৰ শৰ্মাৰ গল্পই অপূৰ্ব ৰূপ ধাৰণ কৰিলে। জৈবিক প্ৰবৃত্তিৰ তাড়নাত নাৰী-পুৰুষ উভয়েই মাজে মাজে নিয়মৰ শিকলি ছিঙি পেলাব খোজে, সমাজৰ প্ৰাচীৰ ভাঙি মুকলি হ'ব খোজে। এই তাড়নাৰ ৰূপ সদায় একে, কেৱল বেলেগ বেলেগ হয় তাৰ প্ৰতি সমাজৰ প্ৰতিক্ৰিয়াৰ ৰূপ। ভিন্ন সময়ত ভিন্ন ৰূপ লোৱা এই প্ৰতিক্ৰিয়াকে সুকীয়া সুকীয়াকৈ প্ৰকাশ কৰিছে ক্ৰমে *জোনাকী, আৱাহন* আৰু *ৰামধেনুৰ* গল্পকাৰসকলে। জোনাকী যুগৰ গল্পকাৰ শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পতো নাৰীয়ে বন্ধনৰ পৰা মুক্তি বিচাৰিছিল আৰু পাইছিলো। কিন্তু তাৰ লগত লক্ষ্মীধৰ শৰ্মাৰ 'বিদ্ৰোহিনী,' 'ব্যৰ্থতাৰ দান' গল্পত নায়িকাই পৰপুৰুষৰ প্ৰেম বিচাৰি যি ধৰণৰ মনোভংগী আৰু জীৱনবোধৰ পৰিচয় দিছে-তাৰ পাৰ্থক্য আছে। লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ ক্ষেত্ৰত হোমেন বৰগোহাঞিয়ে কৈছে- "লেখকে ইয়াত পুৰুষ আৰু তিৰোতাৰ ক্ষেত্ৰত সমাজে ব্যৱহাৰ কৰি অহা দুডাল বেলেগ বেলেগ মাপকাঠি দলিয়াই পেলাই দিছে। এই গল্পটোৱে (ব্যৰ্থতাৰ দান) অসমীয়া সাহিত্যত যুগ পৰিবৰ্তনৰ আগলি বতৰা ঘোষণা সমাজত কৰিছে।"[১১৭] লক্ষ্মীধৰ শৰ্মাৰ নায়িকাই শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ নায়িকাৰ দৰে পাপবোধৰ অনুশোচনাত দগ্ধ হোৱা নাই।

*ৰামধেনু*ত প্ৰকাশিত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'শলিতা মামী,'[১১৮] গল্পত নৱ-নাৰীৰ উদভ্ৰান্ত জৈবিক বাসনাক অংকন কৰা হৈছে শলিতা আৰু বগীৰামৰ অবৈধ প্ৰেমৰ জৰিয়তে। দুটা সন্তানৰ পিতৃ বগীৰামে পত্নী পখিলীৰ বৰ্তমানতো বিধবা শলিতাৰ সৈতে পৰকীয়া প্ৰেম কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। সিহঁতৰ মাজৰ অদম্য দেহজ তাড়নাই সমাজৰ নীতিবোধকো আওকাণ কৰাইছে। এই মিলনৰ ফলস্বৰূপে জন্ম হোৱা সন্তানটিকো বগীৰাম আৰু শলিতাই সুস্থ মগজুৰে হত্যা কৰিব পাৰিছে। কোনো ধৰণৰ পাপবোধ বা অনুশোচনাই সিহঁতক স্পৰ্শ কৰিব পৰা নাই, সমাজৰ নিন্দা-গৰিহণাই সিহঁতক টলাব নোৱাৰে। প্ৰকাশ্যেই বেপৰোৱা ভাৱে সিহঁতে প্ৰেমৰ লীলা-খেলা অব্যাহত ৰাখে। এই কলংকিত পথৰ পংকিলতাত সম্পূৰ্ণৰূপে ডুব যোৱা প্ৰণয়ীযুগলে অৱশেষত এসময়ত নিজৰ ভুল বুজি পাইছে আৰু আত্মহত্যাৰ দ্বাৰা এই পতিত

১১৭। হোমেন বৰগোহাঞি (সম্পাদক) *অসমীয়া গল্প সংকলন*, পৃঃ ৬৮

১১৮। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য –'শলিতা মামী,' *ৰামধেনু*, ১০ম বছৰ, ১১শ সংখ্যা

জীৱনৰ অন্ত পেলাইছে। শলিতা মামীৰ ভাগিনীয়েক আখ্যায়ক পৰিস্থিতিৰ বৈপৰীত্যত দোদুল্যমান যদিও তেওঁৰ সংস্কাৰমুক্ত মনে শলিতা আৰু বগীৰামৰ অন্তৰ্দ্বন্দ্ব তথা অন্তৰ্দাহৰ স্বৰূপ উপলব্ধি কৰিবলৈ সক্ষম হৈছে। প্ৰেমত কাতৰ হোৱা এনে চৰিত্ৰৰ প্ৰতি লেখকৰ অন্তৰৰ কোনো স্থানত সহানুভূতিৰ সৃষ্টি হৈছে যদিও সমাজৰ সুস্থ বাতাবৰণৰ প্ৰয়োজনত লেখকে তেনে চৰিত্ৰৰ ধ্বংসমুখী করুণ পৰিণতিৰ অৱতাৰণা কৰিছে বগীৰাম আৰু শলিতাৰ আত্মহত্যাৰ দ্বাৰা।

এইজন গল্পকাৰৰেই আন এটা এনে ধৰণৰ বিষয়বস্তুৰ গল্প হৈছে 'মাকণৰ গোঁসাই।'[১১৯] লোকৰ ঘৰে ঘৰে কাম কৰি ফুৰা দৰিদ্ৰ বিধবা মাকণে সেই অঞ্চলৰ প্ৰভাৱশালী পৰিয়াল বাপুকণ গোঁসাইৰ ঘৰতে সৰহভাগ কাম-বন কৰে। সদায়ে দেখি থকা মাকণৰ প্ৰতি হঠাৎ এদিনাখন গোঁসায়ে তীব্ৰ আকৰ্ষণ অনুভৱ কৰিলে আৰু এই আকৰ্ষণে ক্ৰমাৎ তীব্ৰতৰ বাসনাৰ ৰূপ ধাৰণ কৰিলে। কিন্তু মাকণৰ চাৰিত্ৰিক সততা আধ্যাত্মিক পৰাকাষ্ঠা আৰু মানসিক দৃঢ়তাৰ ওচৰত বাপুকণ গোঁসায়ে হাৰ মানিবলৈ বাধ্য হয়। অৱলা-দুৰ্বলা মাকণৰ মনৰ শক্তি তথা ভগৱানৰ প্ৰতি থকা ভক্তিৰ বাবেই গোঁসায়েও পুনৰ অন্তৰশুদ্ধিৰ বাট দেখিবলৈ সক্ষম হৈছে। গল্পটোৰ মাজেদি লেখকে নাৰী-পুৰুষৰ জৈবিক আকৰ্ষণৰ তীব্ৰতা আৰু এই প্ৰবৃত্তিয়ে কিদৰে অকনমান সুৰুঙা পালেই অদম্য ৰূপ লৈ আত্মপ্ৰকাশ কৰে তাকেই প্ৰত্যয়জনক ৰূপত প্ৰকাশ কৰিছে।

যোগেশ দাসৰ 'তেতিয়া ৰাতি বাৰ'[১২০] গল্পত নায়কে ঘৰত নিজৰ পত্নী থকা সত্বেও পৰনাৰীৰ প্ৰতি থকা আকৰ্ষণৰ বাবে মাজনিশা ৰক্ষিতাগৰাকীক লৈ আনি ঘৰত সুমুৱাবলৈ অকণো কুণ্ঠাবোধ ~~কৰা নাই~~ কৰা নাই। সেইদৰে আন এজন গল্পকাৰ ৰাজেন্দ্ৰনাথ হাজৰিকাৰ নৰনাৰীৰ প্ৰেমৰ বাহিৰেও নাৰীৰ প্ৰতি থকা পুৰুষৰ অদম্য বাসনা আৰু এই বাসনাৰ চিকাৰ হৈ নাৰীয়ে যাপন কৰিবলৈ বাধ্য হোৱা দুৰ্বহ জীৱনৰ বিশ্লেষণ ৰামধেনুত প্ৰকাশিত 'সন্তান'[১২১] গল্পত আছে। এনে বিষয়বস্তুৰে গঢ় লৈ উঠা আন এটা গল্প ধীৰেন্দ্ৰ নাথ বৰুৱাৰ দ্বাৰা ৰচিত 'এমুঠি পোহৰ'।[১২২] ইয়াত গল্পৰ নায়িকা সলিলা এদিন বান্ধৱী তন্দ্ৰাৰ ঘৰলৈ যাওঁতে ঘৰত কোনো নথকাৰ সুযোগ লৈ তন্দ্ৰাৰ ককায়েক অলকেশে তাইক ধৰ্ষণ কৰে। ফলস্বৰূপে সলিলা

---

১১৯। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য– 'মাকণৰ গোঁসাই,' *ৰামধেনু,* ৮ ম বছৰ, ৪ ৰ্থ সংখ্য

১২০। যোগেশ দাস– 'তেতিয়া ৰাতি বাৰ', *ৰামধেনু,* ৫ ম বছৰ, ১ম, সংখ্যা

১২১। ৰাজেন্দ্ৰনাথ হাজৰিকা – 'সন্তান', *ৰামধেনু,* ৭ ম বছৰ, ৩য় সংখ্যা

১২২। ধীৰেন্দ্ৰ নাথ বৰুৱা– 'এমুঠি পোহৰ', *ৰামধেনু,* ১২শ বছৰ,৮ম সংখ্যা

অন্তঃসত্বা হয়। পিছত অলকেশে এই কথা জানি তাইক নির্মভাৱে প্ৰত্যাখ্যান কৰে। নিজৰ এনে দুৰ্ভাগ্যৰ বাবে সলিলাই আত্মহত্যা কৰিব খোজে যদিও শেষ মুহূৰ্তত এই ভয়ংকৰ সিদ্ধান্ত পৰিত্যাগ কৰি নতুন সাহসেৰে অলকেশৰ সৈতে মুখামুখি হৈ জয়ী হোৱাৰ সংকল্প গ্ৰহণ কৰিছে। লুম্মেৰ দাইৰ গল্প 'পৃথিবীৰ হাঁহি'ও[১২৩] এই প্ৰসংগত উল্লেখযোগ্য ।

ত্ৰৈলোক্য নাথ ভট্টাচাৰ্যৰ 'অবৈধ শিশুৰ মাতৃ'[১২৪] গল্পতো পুৰুষৰ কামনাৰ বলি হৈ কিদৰে নাৰীয়ে মৃত্যু পৰ্যন্ত সাৰটি লৰলগীয়াত পৰে তাৰ বাস্তৱধৰ্মী বৰ্ণনা আছে। মিহিৰ বৰুৱাৰ গল্প 'চাহগছৰ কুঁহিপাত'ৰ[১২৫] বিষয়বস্তুও উপৰোক্ত গল্পৰ সৈতে সমধৰ্মী। ইয়াতো চাহ বাগানৰ বাবু দুৰ্বাই বন কৰা ছোৱালী চামেলীৰ লগত গোপন অভিসাৰ চৰিতাৰ্থ কৰি তাইৰ গাত অবৈধ মাতৃত্বৰ বোজা জাপি দিছে আৰু অৱশেষত চামেলীয়ে মৃত্যুক আলিংগন কৰিবলৈ বাধ্য হৈ পৰিছে।

চৈয়দ আব্দুল মালিকৰ বহু গল্পতে নৰ-নাৰীৰ জৈৱিক বাসনাকে জীৱনৰ প্ৰধান চালিকা শক্তি ৰূপে প্ৰকাশ কৰা হৈছে। *ৰামধেনু*ত প্ৰকাশিত 'ৰেলৰ আলিৰ দুবৰি বন'[১২৬] গল্পত ভণ্ড দেশনেতা পাৰ্বতী ফুকনৰ নাৰীৰ প্ৰতি থকা সুতীব্ৰ লালসা প্ৰদৰ্শিত হৈছে। বিধবা নাৰী নলিনীৰ লগত প্ৰায়েই ৰাত্ৰি যাপন কৰা ফুকনৰ শেনদৃষ্টি কিন্তু নলিনীৰ সদ্যযৌৱনা কন্যা ৰেখাৰ ওপৰতো নপৰাকৈ থকা নাই। ৰেখাৰ কাষ চাপিবলৈ, ক্ষন্তেক সান্নিধ্য লাভ কৰিবলৈ ফুকন সততে যত্নপৰ হয়। আনহাতে নলিনীয়েও এই কথা জানে আৰু কৌশলেৰে ৰেখাক আঁতৰাই ৰাখে।

ইন্দ্ৰ প্ৰসাদ হাজৰিকাৰ 'অভিনয় হৈ থাকে'[১২৭] গল্পতো ব্যভিচাৰী নায়ক শৰৎ চহৰীয়াই নাৰীক কেৱল দৈহিক ক্ষুধা পূৰণৰ প্ৰয়োজনীয় আহিলা বুলিয়েই গণ্য কৰে। শ্বিলঙত বাস কৰা তিনিগৰাকী যুৱতী কন্যা ৰীতা, গীতা,নীতাৰ বিধবা মাকৰ পৰা চহৰীয়াই সংগসুখ লাভ কৰে। চহৰীয়াৰ অনুগ্ৰহতে সিহঁতৰ

---

১২৩। লুম্মেৰ দাই– 'পৃথিবীৰ হাঁহি,' *ৰামধেনু* ১৩ শ বছৰ, ১০ম সংখ্যা

১২৪। ত্ৰৈলোক্য নাথ ভট্টাচাৰ্য–'অবৈধ শিশুৰ মাতৃ,' *ৰামধেনু*, ১৯শ বছৰ, ৯ম সংখ্যা

১২৫। মিহিৰ বৰুৱা– 'চাহগছৰ কুঁহিপাত', *ৰামধেনু*, ৩য় বছৰ, ৫ম সংখ্যা

১২৬। চৈয়দ আব্দুল মালিক– 'ৰেলৰ আলিৰ দুৱৰি বন,' *ৰামধেনু*, ৬ষ্ঠ, ১২ শ সংখ্যা

১২৭ ।ইন্দ্ৰপ্ৰসাদ হাজৰিকা– 'অভিনয় হৈ থাকে, *ৰামধেনু*, ১৯শ বছৰ, ৯ম সংখ্যা

ঘৰখন দিনে দিনে সমৃদ্ধিশালী হৈ পৰে। দিন বাগৰি যায়। কালক্ৰমত ৰীতাহঁতৰ সুন্দৰী মাকৰ বেমাৰ হৈ শয্যাশায়ী হ'বলগীয়া অৱস্থা এটা হয়গৈ যদিও তেতিয়া মাকৰ ঠাই পুৰাই চহৰীয়াক শাৰীৰিক তৃপ্তি প্ৰদান কৰাত বৰজীয়েক ৰীতাই কোনো ধৰণৰ কাৰ্পণ্য নকৰে।

আব্দুল মালিকৰ 'পান্থশালা'[১২৮] গল্পত মানুহৰ এই চিৰন্তন মৌলিক প্ৰবৃত্তিৰ প্ৰকাশৰ বাহিৰেও নাৰী মনস্তত্বৰ এটা অন্যতম দিশ প্ৰতিফলিত হৈছে আৰু সেইয়া হৈছে নাৰীৰ নিজৰ স্বামীৰ প্ৰতি থকা নিভাঁজ প্ৰেমৰ পৰাকাষ্ঠা। স্বামীৰ প্ৰতি থকা গভীৰ প্ৰেম আৰু দায়িত্ববোধ আৰু তাৰ বাবেই উপায়ান্তৰ হৈ দেহ ব্যৱসায় আৰম্ভ কৰা – এনে এটা মৰ্মন্তুদ কাহিনীকে সংবেদনশীলতাৰে লেখকে অংকন কৰিছে। এফালে অসুস্থ স্বামী আৰু আনফালে সেই স্বামীৰ বাবেই পত্নীয়ে উপায়হীন হৈ বাধ্যত পৰি চলোৱা দেহৰ ব্যৱসায়–পৰিস্থিতিৰ এনে বৈপৰীত্যত দোদুল্যমান হৈও পাঠকে পত্নীৰ প্ৰেমৰ মহত্বৰ স্বৰূপ নিখুঁতভাৱে নিৰ্ধাৰণ কৰিব পাৰে।

গল্পৰ কেন্দ্ৰীয় চৰিত্ৰ অপৰাৰ স্বামী প্ৰসাদ দুৱৰা কৰ্মসংস্থাপনহীন দুৰাৰোগ্য বেমাৰী। অৱশেষত অপৰা এদিন এসময়ৰ প্ৰেমিক ৰামপ্ৰসাদৰ শয্যাসংগী হ'বলগীয়াত পৰিছে। অপৰাৰ বিচ্ছেদৰ দুখতে তেতিয়ালৈকে অবিবাহিত হৈ থকা বুলি জানিও তাই ৰামপ্ৰসাদৰ বিয়াৰ প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ প্ৰস্তুত হোৱা নাই। ৰামপ্ৰসাদৰ হেজাৰ অনুৰোধক আওকাণ কৰি অপৰাই কৈছে –

> দৰকাৰ হ'লে আহিব পাৰা। কিন্তু মোক যেন ভুল নুবুজা। মই মোৰ প্ৰসাদৰ বাহিৰে পৃথিৱীৰ আন কাকো কেতিয়াও ভাল পাব নোৱাৰিম। আৰু স্বামীৰ প্ৰতি থকা এই ভালপোৱা কাৰণেইতো তোমাৰ ওচৰত নিজকে বেচিবলৈ আহিছো। আজি চাৰি বছৰে তেওঁৰ বেমাৰ, পৰি আছে। এতিয়া কিছু টকাৰ যোগাৰ কৰিব নোৱাৰিলে তেওঁৰ চিকিৎসা কৰিবৰ বাবে মাৰ কোনো উপায় নাই আৰু মোৰ দেহাটোৰ বাহিৰে বেচিবলৈ আৰু একো নাই –[১২৮]

আৰু ইয়াতে অপৰাৰ প্ৰেমৰ মহত্ব ফুটি উঠিছে।

নাৰীৰ মনৰ ভিতৰতে আত্মগোপন কৰি থকা কেতবোৰ অশুভ দিশক মনস্তাত্বিক দৃষ্টিভংগীৰে প্ৰকাশ কৰিবলৈ *ৰামধেনু*ৰ গল্পকাৰ কিছুসংখ্যকে যত্ন কৰিছে। লেখিকা বন্দনা দুৱৰাৰ 'অব্যক্ত বেদনা'[১২৯]ত এগৰাকী বিবাহিতা নাৰীৰ অবৈধ প্ৰেমৰ আৰু প্ৰতিশোধ পৰায়ণতাৰ বৰ্ণনা আছে। নাৰীৰ মনে বহু

---

১২৮। আব্দুল মালিক–'পান্থশালা', *ৰামধেনু*, ৪ৰ্থ বছৰ, ৮ ম সংখ্যা

১২৯। বন্দনা দুৱৰা — 'অব্যক্ত বেদনা', *ৰামধেনু*, ১৯শ বছৰ, ১০ম সংখ্যা

সময়ত বাসনাৰ স্পৃহাত সমাজৰ নীতিবোধক হেলাৰঙে জলাঞ্জলি দিব পাৰে। নাৰীয়ে এনে প্ৰবৃত্তি পূৰণাৰ্থে বহু সময়ত বহুগামিনী হবলৈও কুন্ঠাবোধ নকৰে। সমাজৰ কঠোৰ নিয়মৰ দ্বাৰা পুৰুষৰ তুলনাত নাৰী অধিক বন্দী হেতুকে এনে তাড়না নাৰীয়ে সাধাৰণতে অৱদমিত কৰি ৰাখিবলগীয়া হয়। কিন্তু যেতিয়া এই লিপ্সা অদম্য হৈ উঠে তেতিয়া নাৰীয়ে ইয়াক চৰিতাৰ্থ কৰিবলৈ নানা কৌশলৰ আশ্ৰয় লয়। 'অব্যক্ত বেদনা'ত বিবাহিতা বন্তিয়ে স্বামীৰ উপস্থিতিতেই তেওঁৰ বন্ধু দিগন্তৰ সৈতে দৈহিক মিলনত লিপ্ত হয় সততে। এই গোপন অভিসাৰৰ সাক্ষী বন্তীৰ প্ৰথম সন্তান ৰিণিক লৈ স্বামীৰ মনত সন্দেহ জন্মে যদিও বিভিন্ন কৌশলেৰে বন্তীয়ে সেই সত্য লুকুৱাই ৰাখি স্বামীক প্ৰতাৰণা কৰি যায়। সেইজন কলংকিত প্ৰেমৰ নায়ক দিগন্তৰ বিয়াৰ খবৰ পাই বন্তিয়ে কইনা ৰীণাৰ প্ৰতি ঈৰ্ষাকাতৰ হৈ সকলো ঘটনাৰ বৰ্ণনাৰে এখন চিঠিৰ দ্বাৰা নিজৰ প্ৰতিশোধ পূৰণ কৰে।

ত্ৰৈলোক্য নাথ ভট্টাচাৰ্যৰ 'অবৈধ শিশুৰ মাতৃ' গল্পতো নাৰীমনৰ এনে অশুভ ভাৱধাৰাৰ ওপৰত দৃষ্টিপাত কৰা হৈছে। মনস্তাত্বিকসকলৰ মতে মনোদৈহিক গঠনত নাৰী পুৰুষৰ তুলনাত দুৰ্বল। সেয়ে নাৰীয়ে নিজতকৈ সবল বুলি ভবা পুৰুষক নিজৰ আয়ত্বলৈ আনি আনন্দ অনুভৱ কৰে। নাৰীমনৰ এনে বৈচিত্ৰ্যৰ প্ৰতি লক্ষ্য ৰাখিয়ে জৰ্জ বাৰ্নাড শ্বই কৈছিল যে নাৰীয়ে পুৰুষক আয়ত্ব কৰিবৰ বাবে মকৰাই জাল গুঠি পোক-পৰুৱা ধৰাৰ নিচিনাকৈ নানান ধৰণৰ ফন্দি পাতে। এই গল্পত নৃত্য-গীত বিশাৰদা সুৰেখা চৌধুৰীয়ে তেওঁলোকৰ চহৰখনলৈ অহা প্ৰত্যেকজন যোত্ৰবান ডেকা চাকৰিয়ালকে নিজৰ প্ৰেমৰ জালত বন্দী কৰিব খোজে। এইক্ষেত্ৰত সুৰেখাক সহায়-সহযোগ কৰে তাইৰ জন্মদাত্ৰী মাকে। সুৰেখাই একেসময়তে এফালে এজনৰ সৈতে মিলিত হোৱাৰ পৰিণতিত লেডী ডাক্তৰৰ ওচৰত গৰ্ভপাতৰ ব্যৱস্থা কৰে, আনফালে দেহা প্ৰদৰ্শনৰ দ্বাৰা বেলেগ এজনক মুগ্ধ কৰিব খোজে আৰু আকৌ অন্য এজনৰ লগত নিজৰ শুভবিবাহৰ আয়োজন কৰে। নাৰীৰ এই বহুগামী স্বভাৱৰ অন্য এক উৎকট ৰূপ অংকন কৰিছে ডাঃ হেম বৰুৱাই তেওঁৰ 'জহৰা'[১৩০] গল্পৰ জৰিয়তে। গল্পটোত নায়িকা কেঁহেদৈৰ যৌন অনুৰাগৰ অদম্য স্পৃহা নগ্নৰূপত ফুটি উঠিছে আৰু সেয়েহে গল্পটোৱে শিল্প মূল্য হেৰুৱাই পেলাইছে। কেঁহেদৈৰ জীৱনৰ এটাই লক্ষ্য— স্থান, কাল, পাত্ৰ সকলোকে অস্বীকাৰ কৰি পুৰুষৰ সৈতে মিলিত হৈ তৃপ্তি লাভ কৰাটো। ছোৱালী

---

১৩০। ডাঃ হেম বৰুৱা – 'জহৰা', *ৰামধেনু*, ৮ম বছৰ, ৩য় সংখ্যা

কালতেই কেঁহেদৈৰ সৈতে শাৰীৰিক সম্পৰ্ক থকা হৰমোহন, সৰুদেউতা আৰু কালীনাথৰ দৃষ্টিকোণৰ পৰা কেঁহেদৈৰ চৰিত্ৰ প্ৰকাশ কৰিব খোজা হৈছে। এওঁলোকৰ বৰ্ণনা মতে কেঁহেদৈৰ চৰিত্ৰৰ দুটা দিশ পৰিস্ফুট হৈ পৰিছে আৰু সেইদুটা হ'ল – সহজ আত্মসমৰ্পণ আৰু পাশৱিক মত্ততা । কেঁহেদৈয়ে পুৰুষক জোখে শাৰীৰিক সামৰ্থ্যৰ মাপকাঠিৰে। সমগ্ৰ গল্পটোৰ মূল বিষয়বস্তু হ'ল দৈহিক বাসনাৰ উন্মত্ততা। এই গল্পটোৰ প্ৰসংগত ত্ৰৈলোক্য নাথ গোস্বামীৰ মন্তব্য প্ৰণিধানযোগ্য –

> যৌন তৃষ্ণাৰ মত্ততাৰ মাজতো কলাকাৰে সৌকুমাৰ্যৰ আৱিষ্কাৰ কৰাৰ দৃষ্টান্ত সাহিত্যত আছে। কিন্তু এই আবিষ্কাৰৰ চেষ্টাৰ প্ৰতি বৰুৱাৰ আগ্ৰহ নাই। স্থূল ৰূপত চৰিত্ৰৰ পৰিচয় দিয়াৰ দৰে ব্যক্তি জীৱনৰ সাময়িক মত্ততাকো অশোভনীয় ৰূপতে তেওঁ প্ৰকাশ কৰিছে। লেখকৰ উদ্দেশ্য প্ৰকাশৰ অৰ্থে নিৰ্বাচন কৰা হৈছে এজনী গাঁৱলীয়া যুৱতী, যাৰ গাত বল আছে, দেহত যৌৱন আছে কিন্তু কাৰ্যৰ পৰিণতি চিন্তা কৰাৰ কাৰণে বিদ্যাবুদ্ধি নাই, সংস্কাৰৰ প্ৰতি আনুগত্যও নাই । এনে এজনী যুৱতীয়ে শাৰীৰিক সামৰ্থ্যৰ মাপকাঠিৰে পুৰুষক জুখি চোৱা একো আচৰিত নহয়।[১৩১]

যোগেশ দাসৰ 'ৰ'দ'দেনন্দ্ৰন'[১৩২] গল্পটোতো সমাজৰ এগৰাকী সুপ্ৰতিষ্ঠিতা মহিলা চলিহানীৰ তীব্ৰ যৌন লিপ্সাৰ কাহিনী বৰ্ণনা কৰা হৈছে। স্কুলত পঢ়ি থকা অৱস্থাতে তেওঁৰ উদ্যোগতে দৈহিক সম্পৰ্ক ঘটিছিল চকীদাৰ ৰামলালৰ সৈতে। পিচলৈ তেওঁৰ প্ৰেমিকৰ সৈতেও এই শৰীৰকেন্দ্ৰিক প্ৰেমৰ খেলা অব্যাহত আছিল। বিবাহিত জীৱনৰ বিয়লি বেলাত চলিহানীক এই এৰি থৈ অহা দিনবোৰৰ মধুৰ স্মৃতিৰে ৰোমন্থনে ৰোমাঞ্চিত কৰি ৰাখিছিল।

মনস্তত্ববিদসকলৰ মতে নাৰী সদায় বহু প্ৰেম আকাংক্ষিতা। এই মন্তব্যৰ সত্যতাৰ প্ৰমাণ দিছে অৰুণ ভূঞাৰ দ্বাৰা ৰচিত *ৰামধেনুত* প্ৰকাশিত গল্প 'ভদ্ৰকালী'য়ে[১৩৩]। ইয়াত নায়িকা শীতলাৰ স্বামীৰ প্ৰেম আৰু সন্তানৰ স্নেহেৰে পৰিপূৰ্ণ হৈ থকা সুখী, সমৃদ্ধিশালী সংসাৰলৈ অন্য এক পুৰুষৰ আগমন ঘটিছে। এইজন নতুন প্ৰেমিকৰ আহ্বান শীতলাই আওকাণ কৰিব পৰা নাই আৰু সেয়েহে নিজৰ স্বামী আৰু সন্তানক

১৩১। ত্ৰৈলোক্য নাথ গোস্বামী – *অসমীয়া গল্প সাহিত্য*, পৃঃ১৩২,

১৩২। যোগেশ দাস – 'ৰদ'দেনন্দন', *ৰামধেনু*, ১৫শ বছৰ, ১ম সংখ্যা।

১৩৩। অৰুণ ভূঞা– 'ভদ্ৰকালী, *ৰামধেনু* ১১শ বছৰ, ২ য় সংখ্যা

পৰিত্যাগ কৰিব পাৰিছে অনায়াসে।নিজে প্ৰেমত পৰি বিয়া কৰোৱা গৌৰাংগৰ সৈতে শীতলাৰ দুবছৰৰ পিছতেই বিচ্ছেদ ঘটিছে। অথচ মৰমিয়াল, সমৰ্থবান আৰু দায়িত্বশীল স্বামী গৌৰাংগৰ কোনো ধৰণৰ দোষ-ক্ৰটী নাছিল। ইয়াৰ অন্তৰ্নিহিত কাৰণক শীতলাই উদঙাই দেখুৱাইছে এইদৰে- ‘তিৰোতা সদায় বহু প্ৰেম আকাংক্ষিতা।এজন পুৰুষ থাকোতেই আন এজন পুৰুষৰ প্ৰতি তিৰোতা আকৃষ্ট হ’ব পাৰে -ই সঁচা কথা। অতীৱ সত্য কথা। অকণো মিছাৰ জোৰা তাপলি ইয়াত নাই।’[১৩৪] এনেবোৰ বহুগামী নাৰী চৰিত্ৰৰ সম্পূৰ্ণ বিপৰীতধৰ্মী মনৰ আন এজনী নাৰীৰ অন্তৰৰ বাৰ্তা বহন কৰিছে যোগেশ দাসৰ ‘তাৰপিছত’[১৩৫] গল্পৰ নায়িকা ফুলে। সুদূৰ এলাহাবাদৰ পৰা বিধিৰ বিপাকত পৰি অসমলৈ আহি ঘটনাচক্ৰত ভিক্ষাৰী সাজি দিনভিক্ষা কৰিও দেহৰ শুচিতা ৰক্ষা কৰাটো অসম্ভৱপ্ৰায় হৈ পৰাত আত্মহত্যা কৰিবলৈ বাধ্য হোৱা দুৰ্ভগীয়া নাৰী জনীয়েই ফুল। কেতিয়াবা নৰ্থব্ৰুক গেটত, কেতিয়াবা কাছাৰী ঘৰত আৰু কেতিয়াবা কটন কলেজৰ চৌহদৰ ভিতৰত তাই ৰাতি শুই থাকে। তাইৰ চিন্তা কেৱল পেটৰ ভোক, মূৰৰ ওপৰত এখন চালি আৰু নিজৰ দৈহিক সতীত্বৰ। কিন্তু তাই এইখন সমাজত জীয়াই থকাটো সম্ভৱপৰ হৈ নুঠিল। তাইৰ শৰীৰত যৌৱনৰ বাহিৰে একোকে নেদেখা এচাম মানুহৰ পৰা নিজকে ৰক্ষা কৰা সম্ভৱপৰ যেন নেদেখি অৱশেষত এদিন তাই আত্মহত্যা কৰিলে। মিঠা বস্তুৰ প্ৰলেপ দি প্ৰতি পদে পদে মানুহে তাইৰ ফালে বিষ আগবঢ়াই আছিল। এদিন সঁচাকে তাই মিঠাৰ প্ৰলেপ অকণো নথকা এবিধ বিষ নিজে বিছাৰি খাই পেলালে। ‘দ্ৰৌপদী’[১৩৬] গল্পটোৰ জৰিয়তেও নাৰীৰ চিৰন্তন ৰহস্যময় মানসিকতাৰ আভাস দিবলৈ যত্ন কৰিছে গল্পকাৰ ছাইদুল ইছলামে। ইয়াত মহাভাৰতৰ দ্ৰৌপদীৰ সকলো পোৱাৰ পিছতো ৰৈ যোৱা অতৃপ্তিখিনিৰ সৈতে আধুনিকা এক দ্ৰৌপদীৰ মানসিকতাক ৰিজাই চোৱা হৈছে। তিনিজন ককাই-ভাই বিমান, পিয়ুষ আৰু নীহাৰৰ সৈতে শাৰীৰিক সম্পৰ্ক ঘটিছে এগৰাকী শিক্ষিতা সুন্দৰী সুৰুচিপূৰ্ণা নাৰী ইন্দিৰাৰ। নীহাৰৰ সৈতে ইন্দিৰাৰ কলেজত পঢ়া অৱস্থাত প্ৰেম আছিল আৰু সেই সূত্ৰেই এদিন তেওঁলোকৰ মাজত শাৰীৰিক সম্পৰ্কও স্থাপিত হৈছিল। ঘটনাচক্ৰত এই ইন্দিৰাই পিয়ুষৰ জীৱনলৈ আহে বিবাহিতা পত্নীৰূপে। অতি গুণৱতী বোৱাৰী ইন্দিৰাৰ সুখ্যাতি সোনকালেই ৰৈ বৈ পৰে।বিয়াৰ কিছুদিন পাছতেই আকৌ এদিন ঘৰখনৰ ডাঙৰ ল’ৰা অৰ্থাৎ

---

১৩৪। অৰুণ ভূঞা- ‘ভদ্ৰকালী’ , *ৰামধেনু* ১১শ বছৰ, ২য় সংখ্যা, পৃঃ ১২৬

১৩৫। যোগেশ দাস-‘তাৰপিছত’ , *ৰামধেনু* ৩য় বছৰ, ৫ম সংখ্যা

১৩৬। ছাইদুল ইছলাম- ‘দ্ৰৌপদী’ , *ৰামধেনু* ১১শ বছৰ, ২য় সংখ্যা

ইন্দিৰাৰ বৰজনাক বিমানৰ সৈতেও এক অসতৰ্ক মুহূৰ্তত ইন্দিৰাৰ মিলন ঘটে। বিমান মানসিক ভাৱে অসুস্থ আছিল। বহির্জগতৰ লগত কোনো ধৰণৰ সম্পৰ্ক নথকা বিমানে কেৱল নিজৰ ৰুমটোতে সোমাই কিতাপ পত্ৰ পঢ়ি থাকে। কাকো একো নকয়। খাবলৈ মাতিলে খায় ইমানেই। সেই বিমানেই ইন্দিৰাৰ ওচৰত আত্মসমৰ্পণ কৰিলে অত্যন্ত সুস্থৰূপত। সেইদিনা হঠাৎ চিলমিলকৈ অহা টোপনি ভাগি যোৱাত ইন্দিৰাই দেখিলে বিমান তাইৰ গাৰ দুয়োফালে দুখন হাত থৈ হাউলি খুব ওচৰৰ পৰা তাইলৈ একেথিৰে চাই আছে। ইন্দিৰাই ভয় খাই চিঞৰিব খুজিও ৰৈ গ'ল। তাই আচৰিত হৈ দেখিলে বিমানৰ বেদনা বিহ্বল কৰুণ চকু দুটাত কোনোবা এক মূক আত্মাৰ মৌন আকুতিৰ মিছিল। কিবা এক নোপোৱাৰ বেদনা ভৰত গধুৰ হৈ অহা সেই চকুত তাই শুনিলে অসহায় এক মানৱাত্মাৰ হিয়া ভগা আৰ্তনাদ। হিমালয় গলাই দিব পৰা কৰুণতা আছিল সেই চকুত। সেই দৃষ্টিৰ যাদুত ইন্দিৰাই পাহৰি পেলালে জাগতিক সংস্কাৰৰ সাৱধান বাণী। বিশ্ব ব্ৰহ্মাণ্ডৰ সকলো ৰীতি-নীতি পাহৰি তাই সাৱটি ধৰিলে বিমানক।

ছাইদুল ইছলামৰ 'তুঁহ-জুই'[১৩৭] গল্পটোত এগৰাকী নাৰীৰ ৰুচি বিগৰ্হিত কাৰ্য-কলাপক মনস্তাত্বিক বিচাৰেৰে বিশ্লেষণ কৰা হৈছে। দেখিবলৈ অশুৱনী আৰু অল্প শিক্ষিতা জুলেখাৰ মনগহণত লুকাই থকা প্ৰেমৰ প্ৰতি তীব্ৰ আকাংক্ষাই তেওঁক ঈৰ্ষাকাতৰ কৰি তুলিছে তেওঁৰ জৰিয়তে চিঠি পত্ৰৰ আদান প্ৰদান চলোৱা প্ৰেমাস্পদ ইছফাক আৰু নাচীমৰ প্ৰতি। সেই চিঠিবোৰ লুকুৱাই পেলাই নাচীম-ইছফাকৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি কৰিবলৈ অশেষ ষড়যন্ত্ৰ কৰিও কৃতকাৰ্য হ'ব নোৱাৰি বৰঞ্চ সকলোৰে গৰিহণাৰ পাত্ৰী হৈ পৰাত জুলেখাৰ নিজৰেই মগজুৰ বিকাৰ আৰম্ভ হ'ল। যি সময়ত কাৰোবাৰ ভালপোৱা পাবৰ বাবে জুলেখাই প্ৰাণে-মনে আকুলতাৰে অপেক্ষা কৰিছিল সেই সময়ত তেওঁৰ ওচৰলৈ প্ৰেমৰ পাত্ৰ লৈ কোনো নাহিল বাবেই জুলেখাই ভাবিলে তেওঁৰ জীৱনেই ব্যৰ্থ হৈ গল। জুলেখাৰ স্বামীয়ে ভাবিছিল পত্নী আৰু সন্তানহঁতক সুখত ৰাখিবলৈ কৰা আপ্ৰাণ চেষ্টাতে তেওঁৰ পত্নীৰ প্ৰতি থকা প্ৰেম প্ৰকাশ পাব। কিন্তু জুলেখাই সেই ভাষা পঢ়িব নোৱাৰিলে। নিজৰ মনৰ মাজত যিকুৰা জুই উমি উমি জ্বলি আছিল সেই জুইকুৰাই হঠাতে দপদপাই জ্বলি উঠিল নাচীম আৰু ইছফাকৰ মধুৰ প্ৰণয়পৰ্ব দেখি দেখি। সেয়েহে জুলেখাই নিজে যি স্বৰ্গীয় অনুভৱৰ পৰা বঞ্চিত হল তেওঁলোককো সেই অনুভৱৰ পৰা বঞ্চিত কৰিবলৈ উঠি পৰি লাগিল আৰু শেষত তাতো সফল হ'ব নোৱাৰাত তেওঁৰ মানসিক ভাৰসাম্য হেৰাই গ'ল।

১৩৭। ছাইদুল ইছলাম- তুঁহ-জুই, *ৰামধেনু,* ১৪ শ বছৰ ৫ ম সংখ্যা

'আৱৰণ'[১৩৮] গল্পৰ জৰিয়তে এগৰাকী যুৱতী মাধৱীৰ যৌৱনসুলভ চিন্তা আৰু বেদনাক মনঃসমীক্ষাত্মক দৃষ্টিভংগীৰে বিশ্লেষণ কৰিছে লেখিকা নীলিমা শৰ্মাই। মাধৱী প্ৰেমৰ ক্ষেত্ৰত উপেক্ষিত হৈছে সেইজন ব্যক্তিৰ বাবে, যিজনৰ সৰুকালৰ এটা অজ্ঞাতবশতঃ ভুলৰ বাবে চিৰ জীৱনলৈ মাধৱী যৌৱনপ্ৰাপ্তিৰ পিছতো যৌৱনমতী হ'ব নোৱাৰিলে। মাধৱী আৰু প্ৰণৱ বাল্যবন্ধু আছিল। শিশুসুলভ অজ্ঞতাৰ বাবে প্ৰণৱে মাঘবিহুৰ মেজিৰ জুইত মাধৱীক গতা মাৰি পেলাই দিয়াত মাধৱীৰ বৰ বেয়াকৈ জুয়ে পোৰে। বিশেষকৈ বুকুত বেছিকৈ পোৰা বাবে যৌৱন কালতো মাধৱীৰ স্তনযুগলৰ একো বিকাশ নঘটিল। মাধৱীৰ যৌৱনে বিকাশ লাভ কৰিব নোৱাৰিলে। নিঃস্বতা লুকুৱাবলৈ তাই কৃত্ৰিমতাৰ আশ্ৰয় ল'লে। আধুনিক যুগে আগবঢ়াই দিয়া কৃত্ৰিম উপায়েৰে নিজকে গাভৰু যেনেকৈ সজাই থবলৈ ল'লে যদিও মনৰ মাজত সৃষ্টি হোৱা হীনমন্যতাই তাইক ক্ৰমে কোঙা কৰি পেলালে। যৌৱন স্থবিৰ হৈ যোৱাৰ বেদনাই মাধৱীক ব্যাকুল কৰি পেলালে। বহুদিনৰ পিছত প্ৰণৱৰ সৈতে দেখাসাক্ষাৎ হয় যদিও সি মাধৱীৰ প্ৰতি কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন নকৰিলে। অৱশেষত মগজুৰ ভাৰসাম্য হেৰুৱাই এদিন মাধৱী উন্মাদ হৈ পৰিল।

নাৰীৰ মনৰ আন এখন জগতৰ সম্ভেদ দিছে স্নেহ দেৱীয়ে তেওঁৰ 'প্ৰেৰণাৰ সমাধি'[১৩৯] গল্পটোৰ মাজেৰে। এখন বৃহৎ সংসাৰৰ কৰ্ত্ৰী সুমিত্ৰা। স্বামী-পুত্ৰ, শাহু, দেৱৰ-জা, ঘৰৰ লিগিৰা-লিগিৰী আটাইৰে প্ৰিয়, শ্ৰদ্ধাৰ পাত্ৰী, সাগৰ সদৃশ গম্ভীৰ সুমিত্ৰা এদিন সাধাৰণ খবৰ এটাত চঞ্চল, অধৈৰ্য আৰু ব্যাকুল হৈ পৰিছে। সেইয়া হ'ল তেওঁৰ স্বামীৰ প্ৰিয়বন্ধু প্ৰৱীৰৰ চকু দুটা সম্পূৰ্ণ নষ্ট হৈ যোৱাৰ খবৰ। কথা বতৰাত খুবেই মাৰ্জিত প্ৰৱীৰে কোনো দিনেই কোনো মুহূৰ্ততে সুমিত্ৰাৰ মুখলৈ চাই অনাহকত এটা হাঁহি মৰা নাই, বা পাতল ভাৱে একাষাৰ কথা কোৱা নাই - মুখৰ আগত কাহানিও প্ৰশংসাও কৰা নাই। এইজন প্ৰৱীৰৰ সুন্দৰ সৌম্য চকুযুৰিৰ শান্ত, সমাহিত মধুৰ দৃষ্টিয়ে সুমিত্ৰাক মন্ত্ৰমুগ্ধ কৰি তোলে। শ্ৰদ্ধা-প্ৰীতি, কাৰুণ্যৰে ভৰপূৰ সেই দৃষ্টিয়ে সুমিত্ৰাক কিন্তু বিভ্ৰান্ত কৰি তোলা নাছিল। সুমিত্ৰাই জীৱনত এক বিশেষ উৎসাহ, প্ৰেৰণা পাইছিল। নিজৰ কৰ্তব্য কৰি যাবলৈ পাইছিল এক অপূৰ্ব স্বৰ্গীয় অনুভূতি। কেতিয়াবা সুমিত্ৰাৰ

---

১৩৮। নীলিমা শৰ্মা – 'আৱৰণ', *ৰামধেনু*, ১৪শ বছৰ, ১০ম সংখ্যা

১৩৯। স্নেহ দেৱী – 'প্ৰেৰণাৰ সমাধি' *ৰামধেনু*, ৯ম বছৰ, ৯ম সংখ্যা

ঈৰ্ষা হয় প্ৰবীৰৰ পত্নীলৈ কিয়নো সেই চকুযুৰিৰ দৰ্শন তেওঁৰ যে প্ৰতিদিনেই লাভ কৰে, স্পৰ্শ কৰিব পাৰে। কিন্তু এনেকৈ ভবাৰ পিছত বহুসময়ত নিজৰ সজাগ চেতনাৰ ওচৰত সুমিত্ৰাই মূৰ তুলিব নোৱাৰা হয় – অপৰাধৰ ভাৰত। বসন্ত ৰোগত আক্ৰান্ত হৈ প্ৰবীৰে তেওঁৰ চকুৰ দৃষ্টি চিৰদিনলৈ হেৰুৱাই পেলোৱাৰ নিষ্ঠুৰ খবৰটোৱে সুমিত্ৰাক অস্থিৰ কৰি তুলিছে। যি চাৱনিত ইহজগতৰ কামনা-বাসনাৰ কোনো গোন্ধ নাছিল, সেই নিষ্পাপ পবিত্ৰ, অনুপম চাৱনি চিৰদিনলৈ হেৰাই যোৱা কথাটোক সুমিত্ৰাই হাজাৰ যত্ন কৰিও সহজকৈ ল'ব নোৱাৰিলে। বৰঞ্চ ইয়াতকৈ তেওঁৰ বাবে প্ৰবীৰ মৃত্যুৰ খবৰেই সহ্য কৰিবলৈ সহজ হ'লহেঁতেন। সুমিত্ৰাই দেখিবলৈ পালে তেওঁৰ প্ৰেৰণাৰ সমাধিৰ ওপৰত জিলিকি আছে বসন্ত ৰোগে বিকৃত কৰি পেলোৱা দৃষ্টিহীন, ভাৱলেসহীন এযুৰি চকুৰে প্ৰবীৰৰ মূৰ্তিটো।

মনস্তত্ত্ববিদসকলে কয় যে নাৰীয়ে নিজৰ জীৱনৰ সম্পূৰ্ণতা বিচাৰি পায় মাতৃত্বৰ জৰিয়তে। এই ধাৰণাটোৰ সত্যতা *ৰামধেনুৰ* গল্পত অতি সাৰ্থকভাৱে দেখুওৱা হৈছে। আৱাহন যুগৰে লেখক লক্ষ্মীনাথ ফুকনৰ গল্প 'মেধি'ত[১৪০] মেধিয়নীৰ চৰিত্ৰাংকণেৰে এই চিৰন্তন হেঁপাহক সুন্দৰভাৱে দেখুওৱা হৈছে। আউনীআটী সত্ৰৰ মেধি বাব খোৱা সৰলচিতীয়া, উদাৰ হৃদয়ৰ অধিকাৰী বলৰাম নামৰ মানুহজনেই হৈছে মেধি। মেধি বাব পোৱাৰ পৰা আৰম্ভ কৰি সেই বাব যোৱাৰ পিছতো বলোৰাম আটাইৰে বাবে কেৱল মেধি হৈয়েই ৰ'ল। কিন্তু এই মেধিৰ সৈতে বয়সত দুগুণ সৰু মেধিয়নী সুখী হ'ব নোৱাৰিলে। টকা পইছা দুটামান খৰচ কৰি মেধিয়নীয়ে সুন্দৰকৈ থাকিবলৈ বিচাৰে আনহাতে মেধিক টকা পইচা লাগে আনক সহায় কৰিবলৈ। মেধিয়নী পৰিপাটীকৈ দেখনিয়াৰ হৈ থাকিব খোজে – মিঠাতেলৰ চাকি জ্বলোৱাতকৈ কেৰাচিনতেলৰ লেম এটা জ্বলাবলৈ পালেহে তেওঁ ভাল পালেহেঁতেন। মেধিয়নীৰ সংসাৰখন অপূৰ্ণ হৈ ৰয় এটি সন্তানৰ অভাৱত। মেধিয়ে গাঁৱৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ আব্দাৰ ধৰি থাকিয়েই সন্তানহীনতাৰ দুখ পাহৰি থাকে যদিও মেধিয়নীৰ মনৰ দুখৰ সমাধান নহয়। কিছুদিন পিছত গাঁৱৰে মুহীধৰ নামৰ বৰলা মানুহ এজনৰ লগত মেধিয়নীৰ প্ৰেমৰ সম্পৰ্ক গঢ় লৈ উঠে আৰু এদিন মেধিৰ অজ্ঞাতে মেধিয়নী মুহীধৰলৈ পলাই যায়।

সন্তানৰ মাজেদি নাৰীয়ে পায় মুক্তিৰ আনন্দ। ফুলে নিজৰ জীৱন বলি দি ফলৰ সৃষ্টি কৰে।

---

১৪০। লক্ষ্মীনাথ ফুকন– 'মেধি,' *ৰামধেনু*, ১৪শ বছৰ, ৪ৰ্থ সংখ্যা

ফুলৰ জীৱনৰ মুক্তি যিদৰে ফলত, নাৰী জীৱনৰ মুক্তি সেইদৰে সন্তানত। সন্তানৰ প্ৰতি থকা দুৰ্বাৰ আকাংক্ষাৰ বাবেই মেধিয়নীয়ে মেধিক এৰি মুহীধৰলৈ গুচি যোৱা- এই ঘটনাটোৰ জৰিয়তে লেখকে নাৰী মনস্তত্বৰ ব্যাখ্যা দিবলৈ প্ৰয়াস কৰিছে।

*ৰামধেনুৰ* পাতত প্ৰকাশিত নাৰী মনস্তত্বৰ আভাস থকা গল্পবোৰৰ মাজেদি নাৰীমনৰ বিশাল মানসিক দিগন্তৰো সন্ধান দিবলৈ যত্ন কৰা দেখা যায়। নাৰীয়ে বিবাহৰ যোগেদি কেৱল সন্তানৰ মাতৃ হোৱাকে জীৱনৰ একমাত্ৰ লক্ষ্য বুলি ভবাটো আংশিক সত্যহে। বিবাহৰ জৰিয়তে নাৰীয়ে এজন পৰিপূৰ্ণ মানুহৰ সংগিনী হৈ পৰম আনন্দময় জগত এখনত বিচৰণ কৰি সুখী যুগ্ম জীৱন এটা কটোৱাৰ সপোন দেখে। নাৰীয়ে বিচাৰে এখন সুখৰ সংসাৰ। এটা সুসংস্কৃত জীৱন আৰু এজন চৰিত্ৰৱান পুৰুষত একান্ত নিৰ্ভৰতা। নাৰীৰ সুন্দৰ সন্ধানী এই মন আকাশৰ কথা প্ৰকাশ পাইছে বীৰেশ্বৰ বৰুৱাৰ, 'মহাজীৱনৰ পাণ্ডুলিপি'[১৪১] গল্পটোত।

গল্পৰ নায়িকা শিক্ষিতা আৰু সু-সংস্কৃত মনৰ অধিকাৰী শ্যামলীৰ ধনী ব্যৱসায়ী অনিমেষৰ লগত বিয়া হয়। কিন্তু তাই সুখী হ'ব নোৱাৰিলে। কাৰণ অনিমেষ মদাহী আৰু ৰুচিহীন নিম্নখাপৰ চিন্তাধাৰাৰ ব্যক্তি। অনিমেষৰ মনত যৌন সম্পৰ্কই প্ৰেম। তেওঁৰ কাৰণে হাঁহি মানে বীভৎস মুখ ভংগী, স্ফূৰ্তি মানে মাতালামি আৰু সংগীত মানে চিনেমাৰ গান। সেয়েহে এনে এজন পাৰ্থিব ভোগবাদী আৰু অৰ্থসৰ্বস্ববাদী স্বামীৰ লগত শ্যামলীৰ দৰে সাহিত্য-সংগীত-কলাৰ অনুৰাগী পত্নী এগৰাকী অসুখী হোৱাই স্বাভাৱিক। অতীষ্ঠ হৈ এদিন শ্যামলীয়ে আত্মহত্যাৰ সংকল্প লয় যদিও নিজে অন্তঃসত্বা বুলি জানিব পাৰি এই চিন্তা পৰিত্যাগ কৰে। মাতৃত্বই তাইৰ ৰুদ্ধ জীৱনৰ স্তব্ধ মানসিকতাক এক নতুন গতি দিব বুলি তাই আশাবাদী হৈ পৰে। ইতিমধ্যে অনিমেষেও পূৰ্বৰ সকলোখিনিৰ বাবে অনুতপ্ত হৈ তাইৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে। তেতিয়া শ্যামলীয়ে উপলব্ধি কৰে যে কেৱল অনিমেষেই নহয়, তায়ো তাৰ প্ৰতি সুবিচাৰ কৰা নাছিল। স্বামীক সৎ পথলৈ অনিবলৈ যত্ন কৰাৰ পৰিবৰ্তে নিজে আত্মহত্যাৰ দৰে পথ এটা বাছি ল'ব খোজাটো প্ৰকৃতপক্ষে এগৰাকী পত্নীৰ বাবে উচিত হোৱা নাছিল।

---

১৪১। বীৰেশ্বৰ বৰুৱা – 'মহাজীৱনৰ পাণ্ডুলিপি,' – *ৰামধেনু*, ৭ম বছৰ, ১২শ সংখ্যা

স্নেহ দেৱীৰ গল্পত নাৰী হৃদয়ৰ সূক্ষ্মাতিসূক্ষ্ম অনুভূতিৰ ব্যংময় প্ৰকাশ লক্ষ্য কৰা যায়। নাৰীৰ অন্তৰৰ ৰহস্যময়তা অনুধাৱনৰ উদ্দেশ্যেৰে তেওঁ আশ্ৰয় লয় মনস্তাত্বিক বিশ্লেষণৰ। নাৰীক সততে আলোড়িত কৰা স্নেহ, প্ৰেম, ঈৰ্ষা আৰু বিদ্বেষৰ ছবি অঁকাত স্নেহ দেৱী সিদ্ধহস্তা। তেওঁৰ 'সূচনা',[১৪২] গল্পটোৱে নাৰীৰ মনৰ ৰহস্যময়তাৰ এখন গোপন দ্বাৰ মুকলি কৰিছে। পাঁচোটা সন্তানৰ মাক সূচনাৰ মনৰ ওপৰত পৰা এটা সপোনৰ প্ৰভাৱৰ স্বীকাৰোক্তিয়েই গল্পটোৰ বিষয়বস্তু। সপোনত সূচনা এজন বিশেষ ব্যক্তিৰ নিবিড় সান্নিধ্য উপভোগ কৰি উন্মনা হৈ পৰে। সপোনৰ সেই পুৰুষজন আছিল বাস্তৱ জীৱনৰ সূচনাৰ স্বামীৰ বন্ধু সুব্ৰত। সেই অপূৰ্ব অনুভূতিয়ে টোপনিৰ পৰা সাৰ পোৱাৰ পিছতো তেওঁক এনেকৈ আচ্ছন্ন কৰি ৰাখিছিল যে পিছদিনা সুব্ৰতৰ পত্নী ৰুমাই সূচনাৰ আগত তেওঁলোকৰ সুখী দাম্পত্য জীৱনৰ কিছুমান প্ৰেমময় মুহূৰ্তৰ কথা উৎসাহেৰে বৰ্ণনা কৰি থাকোতে সূচনাই সহ্য কৰিব নোৱাৰি ৰুমাক আচম্বিতে এচৰ মাৰিহে ক্ষান্ত হয় আৰু তেতিয়াহে তেওঁৰ হৃদয় শাঁত পৰে। নাৰীয়ে তেওঁৰ প্ৰেমৰ পাত্ৰৰ ওপৰত অন্য কোনো নাৰীৰেই অধিকাৰ সহ্য কৰিব নোৱাৰে। সেয়া লাগিলে সপোনতেই হওক। নাৰীমনৰ এই সত্যতাক এক বিচিত্ৰ কৌশলেৰে লেখিকাই উপস্থাপন কৰিবলৈ প্ৰয়াস কৰিছে।আন এটা গল্প 'কৰব কাহেৰি সাৰ'[১৪৩] এই প্ৰসংগত উল্লেখযোগ্য।গল্পকাৰ প্ৰবীণা শইকীয়াই ইয়াত কিদৰে সন্দেহৰ বীজে মগজুত বাঁহ লোৱাৰ পিছত হিতাহিত জ্ঞান শূন্য হৈ পৰি উন্মাদপ্ৰায় হৈ নায়িকাই নিজৰ ক্ষতি কৰিছে তাৰ বাস্তৱসন্মত বিৱৰণ দাঙি ধৰিছে। নায়িকাগৰাকীৰ পুত্ৰই এদিন অফিচাৰ পিতৃক 'এক্সটেনচন'ৰ অৰ্থ সুধিছিল। কিয়নো সিহঁতৰ ঘৰলৈ টেলিফোনৰ এক্সটেনচন লাইন আহিছিল। অফিচাৰজনৰ ঘৰৰ আচবাব-পত্ৰ আদি সকলোবোৰেই আছিল তেওঁৰ অফিচৰ এক্সটেনচন। স্বামীৰ এই ভ্ৰষ্টাচাৰত পত্নীৰো সঁহাৰি আছিল। পিছত যেতিয়া অফিচাৰ স্বামীজনে ঘৰৰে কোঠালি এটা তেওঁৰ অফিচৰ কৰ্মচাৰী এগৰাকী মহিলা নীলিমা ভট্টক ভাৰালৈ দিলে, তেতিয়াহে এই অভূতপূৰ্ব এক্সটেনচনে পত্নীৰ চকু মুকলি কৰি দিলে। তেওঁৰ অন্তৰ ঈৰ্ষা, বেদনা আৰু আক্ৰোশেৰে জৰ্জৰিত হৈ পৰিল। সপোন-শয়নে আনকি দিঠকতো তেওঁ স্বামী আৰু নীলিমা ভট্টক একেলগে দেখিবলৈ পালে। আৰু এইদৰেই তেওঁৰ ইমানদিনীয়া সুখ-শান্তি-সমৃদ্ধিৰ সৌধ

---

১৪২। স্নেহ দেৱী – 'সূচনা', *ৰামধেনু,* ১১শ বছৰ, ২য় সংখ্যা

১৪৩। প্ৰবীণা শইকীয়া – 'কৰব কাহেৰি সাৰ,'– *ৰামধেনু,* ১৫ শ বছৰ, ৪ৰ্থ সংখ্যা

এইটো কাৰণতে ধূলিস্যাৎ হৈ পৰিল। তেতিয়াহে তেওঁ উপলব্ধি কৰিছে যে স্বামীৰ ভ্ৰষ্টাচাৰত পৰোক্ষভাৱে হ'লেও সহায়-সহযোগ কৰি তেওঁ যি ভুল কৰিলে তাক শুধৰোৱাৰ উপায় ইতিমধ্যে উকলি গৈছে।

অন্য এগৰাকী গল্পকাৰ নীলিমা শৰ্মাই 'অন্যসুঁতি',[১৪৪] গল্পটোত এজনী ছোৱালী মিনুৰ বয়ঃসন্ধিৰ সময়ছোৱা; তাৰফলস্বৰূপে তাইৰ জীৱনলৈ অহা পৰিৱৰ্তন আৰু এক অভাৱনীয় তথা অপ্ৰত্যাশিত ঘটনাক্ৰমে স্কুলীয়া বান্ধৱী জবাৰ এসময়ৰ প্ৰেমাস্পদ সুনীল ভাগৱতীৰ বাগদত্তা হ'বলগীয়া হোৱাৰ ঘটনাৰ ৰুদ্ধশ্বাস চেতনাক মনস্তাত্বিক চিন্তাধাৰাৰে বিশ্লেষণ কৰিছে। মিনুৰ যৌৱনে গৰকা দেহলৈ এদিন হঠাৎ এক মহাপ্ৰলয় আহিল আৰু এই প্ৰলয়ে তাইৰ জীৱনলৈও আচৰিত অভিনৱ পৰিৱৰ্তন কঢ়িয়াই আনিলে। তাইৰ পূৰ্বৰ আচাৰ ব্যৱহাৰ, ৰুচি অভিৰুচি সকলোবোৰ সলনি হৈ গ'ল। আবেলি ঘৰে ঘৰে খেলাৰ চখ উঠি গ'ল। তাৰ সলনি গধূলি দল বান্ধি ফুৰাৰ মন হ'ল। কিমান মধুকৰে সিহঁতৰ সৌন্দৰ্য দেখি কাষ চাপি আহিছে তাৰ নিৰ্ভুল হিচাপ দি মিনুহঁতে আশাতীত গৌৰৱ অনুভৱ কৰা হ'ল। এদিন সহপাঠী জবাৰ কিতাপৰ ভিতৰত নীলা খামৰ চিঠি পাই মিনু উন্মনা হৈ পৰিল। তাইৰো তীব্ৰ ইচ্ছা জাগিল কোনোবাই যেন তাইলৈও নীলা খামৰ চিঠি প্ৰেৰণ কৰক। নৱম শ্ৰেণীৰ ছাত্ৰী হোৱা সত্বেও কোনেও তাইলৈ চিঠি নিলিখা দেখি তাইৰ নিজকে অতি দুৰ্ভগীয়া যেন লাগিল। মিনুৱে ঠিক কৰিলে তায়ো জবাৰ দৰেই গহীন গম্ভীৰ হ'ব। হুবহু তাইৰ দৰেই সাজ-পাৰ কৰিবলৈও মিনুৱে খাটাং কৰিলে। কিছু দিনৰ পিছত মিনুৰ মাকহঁতে তাইৰ বিয়া ঠিক কৰিলে এজন ভাল চৰকাৰী চাকৰিয়ালৰ সৈতে। সেইজনক সিহঁতৰ ঘৰত আঙুঠি পিন্ধাবলৈ অহাৰ দিনা দেখিহে মিনুৱে গম পালে যে তাইৰ ভাৱী স্বামী আন কোনো নহয় জবাৰ এসময়ৰ প্ৰেমিক সুনীল ভাগৱতীহে।

পুৰুষ আৰু নাৰী, শিশু আৰু বৃদ্ধ উভয়ৰে অন্তৰৰ প্ৰত্যেকটো খুটিনাটিকে অতি সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি বিশ্লেষণ কৰিব পৰা ক্ষমতা থকা এজন সাৰ্থক গল্পকাৰ ডঃ ভবেন্দ্ৰ নাথ শইকীয়া। 'গংগাস্নান'[১৪৫] গল্পত সুখী দম্পতী চন্দ্ৰা আৰু তিলকৰ মাজত অদৃশ্য প্ৰাচীৰৰ সৃষ্টি হৈছে চন্দ্ৰাৰ জীৱনৰ প্ৰথম পুৰুষ প্ৰভাতৰ আবিৰ্ভাৱত। পত্নীৰ প্ৰতি ক্ৰমে সন্দেহ পৰায়ণ হৈ পৰা তিলকে আশা কৰিছে যে অন্ততঃ চন্দ্ৰাই পূৰ্বৰ

---

১৪৪। নীলিমা শৰ্মা –'অন্যসুঁতি,' *ৰামধেনু* ১২শ বছৰ ১২শ সংখ্যা
১৪৫। ভবেন্দ্ৰ নাথ শইকীয়া –'গংগাস্নান', *ৰামধেনু*, ১০শ বছৰ,১০ম ১১শ সংখ্যা

প্ৰেমৰ কথা, প্ৰভাতৰ সৈতে থকা সম্পৰ্কৰ কথা তাৰ আগত অকপটে স্বীকাৰ কৰক।এজনৰ সৈতে দেহৰ-মনৰ সম্পৰ্ক পতাৰ পিছত কি অধিকাৰত আকৌ চন্দ্ৰাই তিলকৰ জীৱনলৈ আহিবলৈ সাহস কৰিলে তাৰ উত্তৰ বিচাৰি সি ব্যাকুল হৈ পৰিছে। নাৰীৰ বিচিত্ৰ মনৰ বিষয়ে তিলকে ভবা–

> কি আচৰিত এই নাৰী জাতিটো ! ইহঁতে জীৱনত কিমান বাৰ কান্দে ? ...... ইহঁতৰ চকুৰপানীয়ে হেনো চাওদাঙৰ উদ্যত অস্ত্ৰকো কঁপাব পাৰে। কিন্তু আটাইতকৈ ৰহস্যময় কথা হল, ইহঁতে যেতিয়াই তেতিয়াই কান্দিব পাৰে। নিৰুদ্দিষ্ট ৰাজকুমাৰৰ পবিত্ৰ স্মৃতিত বছৰৰ পিছত বছৰ কান্দি কান্দি উন্মাদ হ'ব পাৰে, আৰু দ্বিতীয় প্ৰেমিকক চাৰি বজাত লগ পোৱাৰ বন্দবস্ত থাকিলে প্ৰথম প্ৰেমিকক তিনি বজাত চকুপানী টুকি টুকি বিদায় দিব পাৰে। ইহঁতৰ চকুপানীৰে বহুতৰ জীৱনৰ পথ পিছল, বোকাময় হৈছে,' । .................. ইহঁতে জীয়া ফাঁকি দিব পৰে। শিৰৰ সেন্দুৰ মচি, অচিনাকী ঠাইত থৈ দিলে, এইজনী ছোৱালীই আকৌ অনাঘ্ৰাত ফুল বুলি দাবী কৰিব— তেজ মঙহৰ লোভত। অন্তৰ বোলা বস্তু এটা ইহঁতৰ নাই, সেই কাৰণে অন্তৰৰ কলুষিতাৰো প্ৰশ্নই নাই ......[১৪৬]

– এই কথাখিনিয়ে দেৱতাৰো অজ্ঞাত নাৰীৰ চৰিত্ৰৰ ৰহস্যময়তাৰ সন্তেদ দাঙি ধৰিছে। কিন্তু চন্দ্ৰাৰ চৰিত্ৰৰ মাজেদি বিয়াৰ পিছত স্বামীয়েই যে স্ত্ৰীৰ সৰ্বস্ব সেই কথা প্ৰত্যয়জনকভাৱে প্ৰমাণিত হৈছে। চন্দ্ৰাৰ মুখৰ –

> আপুনি পাৰিলে মোক বিদায় দিয়ক। মোৰ ওপৰত কি ধাৰণা লৈ আপুনি কষ্ট পাইছে ক'ব নোৱাৰো। মোৰ আগৰ দিনৰ কথা আপুনি কিজানে ক'ব নোৱাৰো, মই যি জানো কওঁ – বহুত দিনৰ আগতে কোনোবা এদিন মাজনিশা মই প্ৰভাত ককাইদেউৰ ওচৰলৈ ওলাই আহিলো। নিজকে সেইৰাতি সম্পূৰ্ণৰূপে তেওঁৰ ওচৰত বিলাই দিছিলো। .......... আপোনাক মোৰ বহুত কথা ক'বলগীয়া আছিল, কিন্তু আপোনাৰ সন্মুখত মোৰ মুখত এনে কথা নুশুৱায়। কেৱল এটা কথা মই মনত ৰাখিম, মই যদি আপোনাক সামান্য ভাৱেও বঞ্চিত কৰিছিলো, তেনেহলে আপুনি ক্ষমা কৰিলেও ঈশ্বৰে ক্ষমা নকৰিব,[১৪৭]

---

১৪৬। ভবেন্দ্ৰ নাথ শইকীয়া –'গংগাস্নান', *ৰামধেনু শ্ৰেষ্ঠ গল্প*, পৃ. ১৮১

– এই স্বীকাৰোক্তিয়ে চন্দ্ৰাৰ পূৰ্বৰ কলংক ধুই নিছে। স্বীকাৰোক্তিৰ গংগাস্নানত শুদ্ধ হৈ চন্দ্ৰা পুনৰ স্বামীৰ বিশ্বাসভাজন হৈছে – পোৰা সোণৰ দৰে আৰু দুগুণে উজ্জ্বলি উঠিছে।

নাৰীৰ আত্মৰতিপ্ৰৱণতাক মনস্তত্ত্ববিদসকলে নাৰীমনৰ এক অন্যতম সত্যৰূপে ব্যাখ্যা কৰি দেখুৱাইছে। নাৰীৰ আত্মৰতি বিষয়ত পোহৰ পেলোৱা অসমীয়া গল্প বৰ বেছি পোৱা নাযায়। দুল ফুকনৰ 'দাপোন'[১৪৮] গল্পৰ নায়িকা কুঁৱলীৰ মাজেৰে এই প্ৰবৃত্তিক অতি প্ৰত্যয়জনক ৰূপত উপস্থাপন কৰা হৈছে।

অপূৰ্ব সুন্দৰী কুঁৱলী নিজৰ ৰূপ যৌৱনৰ প্ৰতি অতিশয় সজাগ। সেয়েহে ৰাতিপুৱাৰ পৰা গধুলিলৈকে যিটো যুৱকৰ দলে তাইৰ ৰূপৰ প্ৰশংসা কৰি ফুৰে, সেই আকলুৱা যুৱকসকলৰ সৈতে প্ৰতিদানত কুঁৱলীয়ে প্ৰেমৰ অভিনয় কৰি যায়। কাৰণ তাইৰ ৰূপৰ যদি প্ৰশংসকেই নাথাকে তেন্তে তাইৰ জীৱন বৃথা। প্ৰশংসাৰ ফুলজাৰিৰে ভৰা প্ৰেম নিবেদন প্ৰত্যাখান কৰিব নোৱাৰি কুঁৱলীয়ে বহুতো যুৱকক আদৰি লয়। এনেস্থলত আন দহজনৰ চকুত চাই বেয়া ছোৱালীৰ শাৰীলৈ নামি যোৱা বুলি জানিও প্ৰতিকাৰৰ ব্যৱস্থা কুঁৱলীয়ে কৰিব নোৱাৰে। তাই প্ৰায়েই নিজৰ কোঠাৰ দুৱাৰখন বন্ধ কৰি সম্পূৰ্ণ নিৰাভৰণ হৈ আইনাৰ আগত থিয় দি নিজৰ ৰূপ লাৱণ্য উপভোগ কৰি পৰম তৃপ্তি লাভ কৰে –

> আইনাখনৰ অনিন্দ্য সুন্দৰী সম্পূৰ্ণ নগ্না গাভৰুজনীক দেখি কুঁৱলী প্ৰথম অলপ আচৰিত হৈ অলপ পাছতেপৰিস্থিতিটোক সহজ কৰি লৈ এটি হাঁহিৰে সম্পূৰ্ণ নগ্না গাভৰুজনীক সম্ভাষণ জনাই শৰীৰৰ প্ৰত্যেকটো ভাঁজকে সূক্ষ্মভাৱে পৰীক্ষা কৰি, চুলি কোছা বাওঁ কান্ধৰ ওপৰেদি আগলৈ আনি বাওঁ আঠুটো ঈষৎ বেঁকা কৰি শামুকৰ খোলাত ঠিয় হৈ থকা ভেনাছৰ ছবিখনৰ নিচিনাকৈ ঠিয় হৈ এটা তৃপ্তিৰ হাঁহি মাৰিলে।[১৪৯]

তাইৰ পুৰুষ নেত্ৰেৰ নিজকে তন্ন তন্নকৈ পৰীক্ষা কৰি তাই উপলব্ধি কৰিছিল যে বাহিৰৰ মানুহবোৰে তাই ৰূপৰ বিষয়ে কোৱা কথাবোৰ আখৰে আখৰে সঁচা। সেইদিনাই কুঁৱলী প্ৰেমত পৰিল।সেই প্ৰেমৰ পূৰ্ণতা বিচাৰি নিজৰ ৰূপৰ জ্যোতিক আৰু ভালকৈ উপলব্ধি কৰিবলৈ কুঁৱলীয়ে চিত্ৰ দত্ত, বিজয় গগৈ, জয়ন্ত বৰা, নলীন শৰ্মা আদি বিভিন্ন যুৱককে আদৰি লৈছিল। নাৰীৰ অৱদমিত বাসনাৰ স্বৰূপ প্ৰকাশ কৰা এইজন গল্পকাৰৰে *ৰামধেনুত* প্ৰকাশিত অন্য এটা গল্প 'ৰতি

১৪৭। ভবেন্দ্ৰ নাথ শইকীয়া –'গংগাস্নান', *ৰামধেনু শ্ৰেষ্ঠ গল্প,* পৃঃ ১৯০

১৪৮। দুল ফুকন – 'দাপোন,' *ৰামধেনু* ১০ ম বছৰ, ১২ শ সংখ্যা

১৪৯। পূৰ্বোক্ত গ্ৰন্থ

বিলাপ।'[১৫০]

*ৰামধেনুৰ* গল্পৰ মনস্তত্বমূলক গল্পৰ অন্য এটা বিশিষ্ট দিশ হ'ল ৰুগ্ন মানসিকতাৰ বিশ্লেষণ। মানুহৰ ৰুগ্ন মানসিকতাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা কেইবাটাও গল্প *ৰামধেনুত* প্ৰকাশিত হৈছিল। এনে ধ্ৰৰণৰ মানসিকতা সৌৰভ কুমাৰ চলিহাৰ 'অশান্ত ইলেক্ট্ৰন'[১৫১] গল্পৰ মাজেৰে পৰিস্ফুট হোৱা দেখা যায়। দ্বিতীয় বিশ্বযুদ্ধই বিধ্বস্ত কৰি থৈ যোৱা সমাজত সাংস্কৃতিক মূল্যবোধৰ চূড়ান্ত অৱক্ষয় হৈছিল আৰু তাৰ ফলস্বৰূপে সমাজৰ এচাম মানুহ মানসিকভাৱে অস্থিৰ আৰু উন্মাদ হৈ পৰিছিল। এচামলোকে অশ্লীলতাক মূলধন হিচাপে লৈ থিয়েটাৰ, চিনেমা, ৰেডিঅ,' সাহিত্য আদিৰ মাধ্যমেৰে বিকৃত ৰুচিবোধক প্ৰতিষ্ঠা কৰিব খুজিছে। গল্পটোৰ গিৰিজা শৰ্মাৰ চৰিত্ৰাংকনৰ জৰিয়তে ক্ষয়িষ্ণু সমাজৰ কুসংস্কৃতিৰ ভয়াবহ ৰূপটো প্ৰকাশ পাইছে। উন্মাদ প্ৰায় গিৰিজা শৰ্মা নামৰ ভদ্ৰলোকজনে ৰামবাবুৰ খুলশায়ীয়েকৰ প্ৰতি আকৃষ্ট হৈ হিতাহিত জ্ঞান হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। অশ্লীলতাৰ পয়োভৰেৰে নতুন প্ৰজন্মক বিপথগামী কৰাৰ কৌশল খটোৱা হৈছে-

> এই যে চতুৰ্দ্দিকে অশ্লীলতাৰ প্ৰকাশ, কদৰ্যতাৰ প্ৰচাৰ, বাটৰ দুয়োকাষে চিত্ৰতাৰকাৰ ছবি, টেবুলবোৰত সিঁচৰতি যৌন বিজ্ঞানৰ কিতাপ আৰু আলোচনী, স্ফীত বুকু ইন্দিৰাৰ দলৰ বেঁকা দৃষ্টিপাত, এইবোৰ কি কোনো ধৰণেই তাৰ বিকাৰৰ কাৰণে দায়ী নহয় ?[১৫২]

যুদ্ধোত্তৰ যুগত নতুনকৈ গঢ় লৈ উঠা পচা সমাজ ব্যৱস্থাত মানুহ ক্ৰমশঃ নীচ হবলৈ ধৰিলে, অৰ্থলোভী, সুবিদাবাদীসকলৰ চাৰিত্ৰিক কদৰ্যতাই সমাজক গ্ৰাস কৰিবলৈ ধৰিলে। অৰ্থলোভী, সুবিধাবাদী সকলৰ চাৰিত্ৰিক কদৰ্যৰূপে সমাজক গ্ৰাস কৰিবলৈ ধৰিলে, ভেঁটি খোৱা চৰকাৰী বিষয়া, কেৰাচিন, চি.আই. শ্বিট আদিৰ ব্লেক মাৰ্কেট কৰা সমাজৰ বৰমূৰীয়া আদিৰ কাৰ্যেৰে সমাজৰ অসৎ শ্ৰেণী চৰিত্ৰৰ নৈতিক প্ৰমূল্যৰ অৱক্ষয় দেখুওৱাৰ উপৰিও আদৰ্শবিহীন বিলাসী কমিউনিষ্টসকলৰ তৰাং মানসিকতাকো কঠোৰ সমালোচনা কৰা হৈছে।

নীলিমা শৰ্মাৰ গল্পতো মানসিকভাৱে বিকাৰগ্ৰস্ত চৰিত্ৰ অংকনৰ প্ৰচেষ্টা পৰিলক্ষিত হয়।

---

১৫০। দুল ফুকন — 'ৰতি বিলাপ,' *ৰামধেনু,* ১২ শ বছৰ, ৯ ম সংখ্যা

১৫১। সৌৰভ কুমাৰ চলিহা — 'অশান্ত ইলেক্ট্ৰন,' *ৰামধেনু,* ৩য় বছৰ, ১০ ম সংখ্যা

১৫২। সৌৰভ কুমাৰ চলিহা— 'অশান্ত ইলেক্ট্ৰন,' *অশান্ত ইলেক্ট্ৰন,* পৃঃ ১৬

*ৰামধেনুত* প্ৰকাশিত 'ওৰণি নেলাগে গুচাব'[১৫৩] গল্পৰ নায়িকা কাবেৰীৰ মানসিক বিকাৰগ্ৰস্ততাক প্ৰত্যয়জনক ৰূপত প্ৰতিষ্ঠিত কৰা হৈছে। অতি আকস্মিকভাৱে স্বামীক হেৰুৱাই বিধবা হৈ পৰা কাবেৰীক শহুৰৰ ঘৰৰ মানুহখিনিয়ে বৰকৈ অত্যাচাৰ কৰিবলৈ লোৱাত এসময়ত তেওঁ মানসিক ভাৰসাম্য হেৰুৱাই পেলায়। ডাক্তৰ উদ্ধৱ বৰুৱা আৰু চন্দ্ৰমা কটকীৰ চিকিৎসাত মানসিক চিকিৎসালয়ত ভৰ্তি হোৱা কাবেৰী পুনৰ লাহে লাহে সুস্থ হৈ উঠে। কিন্তু এই সুস্থতাই কাবেৰীক বিপদতহে পেলালে কাৰণ অসুস্থ হৈ থাকোতে কাবেৰীয়ে নিজৰ দুখ, শোক আৰু তিক্ততাৰে পূৰ্ণ অতীতটোক পাহৰি থাকিব পাৰিছিল. কিন্তু এতিয়া তেওঁ বাৰু কি কৰি জীয়াই থাকিব? এই ঘটনাটোকে গল্পত মনঃসমীক্ষাত্মক তত্ত্বৰে বিশ্লেষণ কৰি দেখুওৱা মনস্তাত্বিক ব্যাখ্যা ৰসোত্তীৰ্ণ হৈ উঠিছে।

অতুলানন্দ গোস্বামীৰ 'এক্সপেৰিমেন্ট'[১৫৪] গল্পৰ নায়ক উচ্চ শিক্ষিত অধ্যাপকজনৰ চৰিত্ৰও অত্যন্ত জটিল আৰু বিভ্ৰান্তিকৰ। নিজৰ কথা আৰু কৰ্মেৰে তেওঁ নিজকে এজন অস্বাভাৱিক মানসিকতাৰ ব্যক্তি হিচাপে প্ৰতিপন্ন কৰাইছে।

দেউতাক নথকাৰ বাবে খুৰাকহঁতৰ ঘৰতে দৰিদ্ৰ মাকৰ সৈতে বাধ্যত পৰি সৰুৰে পৰা থাকিবলগীয়া হোৱাত নায়কৰ শৈশৱছোৱা অন্য শিশুৰ দৰে স্বাচ্ছন্দ্যৰে পাৰ হোৱা নাছিল। ক্ৰমে বুজন হৈ অহাৰ লগে লগে খুৰাক-খুৰীয়েকহঁতৰ কঠুৱা ব্যৱহাৰ, পিতৃহীনতাৰ বেদনা আৰু নিজৰ সামান্যতম ইচ্ছাকো কাৰ্যকৰী কৰিব নোৱাৰা অৱস্থাই তেওঁৰ মনক বিদ্ৰোহী কৰি তুলিছিল। সমাজক নীতি-নিয়মক হাতৰ মুঠিত লৈ মোহাৰি পেলোৱাৰ এক অদম্য ইচ্ছাই তেওঁৰ মনত ক্ৰমে খোপনি পুতি বহিছিল। তেওঁৰ সম্পূৰ্ণ অসন্মতিত পতা তেওঁৰ বিয়াখনৰ ওপৰতে জীৱনৰ প্ৰথমটো অভিনৱ এক্সপেৰিমেন্ট চলাবলৈ তেওঁৰ সেই ইচ্ছাই তীব্ৰ হেঁচা দিলে। তেওঁ পৰীক্ষা চলালে নৱবিবাহিতা পত্নী প্ৰীতিৰ আশা-আকাংক্ষা আৰু মৰম-স্নেহৰ ওপৰত। বিয়াৰ চাৰিবছৰৰ পিছতো সতি সন্ততিৰ মুখ নেদেখাত তেওঁৰ মাকে বোৱাৰীয়েককে বাৰে বাৰে দোষাৰোপ কৰিবলৈ লোৱা দেখিও তেওঁ নিৰ্বিকাৰ চিত্তে মৌন হৈ থাকে। অথচ স্বামী-স্ত্ৰী দুয়োজনেই জানে যে সন্তানৰ জন্ম হ'বলৈ যি জৈৱিক প্ৰক্ৰিয়া সংঘটিত হ'ব লাগে তাৰ অভাৱৰ বাবেহে তেওঁলোক সন্তানহীন হৈ আছে। যি নহওক এসময়ত প্ৰীতিয়ে এটা সুন্দৰ পুত্ৰসন্তানৰ জন্ম দিলে। সকলোৰে মনত অপাৰ আনন্দ–

---

১৫৩। নীলিমা শৰ্মা -'ওৰণি নেলাগে গুচাব', *ৰামধেনু,* ১৩ শ বছৰ, ৯ম সংখ্যা

১৫৪। অতুলানন্দ গোস্বামী – 'এক্সপেৰিমেন্ট', *ৰামধেনু* ১৩ শ বছৰ, ৩য় সংখ্যা

আনহাতে নিজৰ পুত্ৰক চাবলৈ অধ্যাপক জনে কিন্তু মনত কোনো ধৰণৰ উৎসাহ আনন্দবোধ নকৰে। সকলোৱে কৈ থকাৰ বাবে বহুদিনৰ মূৰত এদিন তেওঁ ল'ৰাটিক চালেগৈ—ইয়াতনো আচৰিত বা আত্মহাৰা হৈ পৰিবলৈ কি আছে তেওঁ বুজি নাপায়। সাধাৰণ জৈৱিক সংঘটনৰ ফলত সৃষ্টি হোৱা এটা নতুন মানুহ মাত্ৰ সি। এবাৰ ল'ৰাটিৰ অসুখ হওঁতে তেওঁৰ মনলৈ ভাব আহে যদি এবাৰ তাক দৰব দিয়া নহয় তেন্তে সি মৰি থাকিব নেকি; যদি মৰে মৰকচোন- দেখা যাওক কি হয়— সঁচাকৈয়ে এবাৰ প্ৰীতিৰ অকণমান অনুপস্থিতিৰ সুযোগ লৈ তেওঁ ল'ৰাটোক ভুলকৈ দৰব এপালি খুৱাই তাক মৃত্যুৰ মুখলৈ ঠেলি পঠিয়ালে । আৰু তাৰ পিছত সৃষ্টি হোৱা দুখ আৰু দুৰ্ভাগ্যজনক অভাৱনীয় পৰিস্থিতিটোক তেওঁ নিৰ্বিকাৰ চিত্তে উপভোগ কৰিলে। বহুবছৰৰ পিছত এবাৰ তেওঁৰ মূত্ৰাশয়ত হোৱা অসুখৰ চিকিৎসা কৰাওঁতে ডাক্তৰৰ ত্ৰুটীৰ বাবে তেওঁৰ দেহাৰ এফাল অসাৰ হৈ পৰিল। ডাক্তৰসকলে তেওঁৰ সন্মতি সাপেক্ষে তেওঁৰ শৰীৰটোকলৈ কৰা নিত্য নতুন এক্সপেৰিমেন্টবোৰকো তেওঁ স্বেচ্ছাই সহ্য কৰি যায়। কিন্তু শেষ মুহূৰ্তত জীৱনৰ সকলো ঘটনাকে এক্সপেৰিমেন্ট হিচাপে তেনেই সহজকৈ লোৱা এই প্ৰফেচাৰজনৰ ক্ৰমান্বয়ে এফালৰ পৰা অসাৰ হৈ অহা শৰীৰটোৰে সৈতে মৃত্যুলৈ অপেক্ষা কৰোতে এইবাৰহে যেন তেওঁৰ সাজু হ'বলৈ অকণো মন যোৱা নাই!

'নাইট মেয়ৰ'[১৫৫] নামৰ মহম্মদে তাহেৰৰ গল্পটোত এগৰাকী অকালতে বিধবা হোৱা সুন্দৰী নাৰী বিনীতাৰ অৱচেতন মনৰ বিকাৰগ্ৰস্ততাক অতি প্ৰত্যয়জনক ভাৱে প্ৰকাশ কৰা হৈছে। বিনীতাৰ গাভৰু জীয়েক ৰেখাও অপূৰ্ব সুন্দৰী। এইজনী ৰেখাৰ বাবেই উপযুক্ত পাত্ৰ হিচাপে যোত্ৰবান সুসংস্কৃত ডেকা শিল্পী আলোকক নিৰ্বাচন কৰে বিনীতাই। কিন্তু আলোকে তেওঁলোকৰ ঘৰলৈ আহ-যাহ আৰম্ভ কৰাৰ দিন ধৰি বিনীতাৰ অৱচেতন মনত তেওঁৰ জীৱনযোৱা মৌন অভিসাৰে গা কৰি উঠে। স্বামীৰ মৃত্যুৰ পাছত ষোল্ল বছৰৰ তেওঁৰ সংগাকুল মনটোৱে বিক্ষিপ্ত ব্যৰ্থ হেঁপাহবোৰ সন্তৰ্পণে নিক্ষেপ কৰিলে এঠাইত-আলোকৰ ওপৰত । ৰেখাৰ সৈতে তেওঁৰ ঘৰলৈ আলোকৰ পদাৰ্পণ হোৱাৰ দিনৰে পৰা বিনীতাই এই নতুন অনুভৱক উপলব্ধি কৰিলে। জীয়েকৰ বাবে পচন্দ কৰা আলোকক বিনীতাই নিজৰ বাবেহে বিচাৰিবলৈ ধৰিলে। এই অনৈতিক কথাটো ভাবিবলৈকো বিনীতাই ভয় আৰু লাজ কৰে অথচ দ্ৰইংৰূমত সাজি কাচি বহি থাকে

১৫৫। মহম্মদ তাহেৰ- 'নাইটমেয়ৰ,' *ৰামধেনু*, ১০ম বছৰ দ্বাদশ সংখ্যা

আলোকৰ আগমণৰ অপেক্ষাত। অনিশ্চিত ক্ষণস্থায়ী জীৱনত তথাকথিত সংযম আৰু বংশ-মৰ্যাদাৰ নামত নিজৰ অন্তৰৰ পিপাসাক হেঁচা মাৰি নিতান্ত মূৰ্খামি কৰিবলৈ আৰু বিনীতা সাজু নহয়। এই পৰিস্থিতিটোক গভীৰ ভাৱে অধ্যয়ন কৰি আবিষ্কাৰ কৰিলে যে তেওঁৰ সন্তান ৰেখাই প্ৰতিদ্বন্দ্বী সাজি থিয় হৈছে তেওঁৰ পথত, আলোকক নিজৰ কৰি লোৱাৰ পথত। ক্ৰমান্বয়ে ৰেখা তেওঁৰ বাবে অসহনীয় হৈ উঠিল। কাৰণে অকাৰণে তেওঁ ৰেখাৰ ওপৰত ক্ৰুদ্ধা হৈ উঠিল। সেয়েহে তেওঁ ঠিক কৰি পেলালে আলোকক এদিন তেওঁ নিষ্প্ৰাণ, জড় কৰি পেলাব। যদি আলোক তেওঁৰ নিজৰ হ'ব নোৱাৰে তেন্তে আলোকক ৰেখাৰ হ'বলৈও দিব নোৱাৰি। এই বীভৎস কুকাৰ্যৰ পৰিণাম যিমানেই সুদূৰপ্ৰসাৰী নহওক আত্মতৃপ্তিৰ আনন্দত সেইদিনা তেওঁ প্ৰাণ খুলি হাঁহিব পাৰিব আৰু সেইদিনাহে ৰেখা-আলোকৰ হাঁহিত জন্ম হোৱা হেজাৰ বিজাৰ কীটৰ অসহ্যকৰ দংশনৰ পৰা তেওঁ উদ্ধাৰ পাব। গাৰুৰ তলৰ পৰা চুৰিখন উলিয়াই লৈ খুব বেগেৰে বিনীতা ড্ৰইংৰুমলৈ সোমাই গ'ল আৰু নিতান্ত যন্ত্ৰচালিতৰ দৰে সমস্ত শক্তিৰে আলোকৰ পিঠিত বহুৱাই দি তাক হত্যা কৰিলে।

অসমীয়া চুটিগল্পত ৰুগ্ন মানসিকতাক ফ্ৰয়ডীয় দৰ্শনৰ তত্ব কথাৰে বিচাৰ বিশ্লেষণ কৰি লেখা গল্পৰ সংখ্যা বৰ বেছি নহয়। কিন্তু যিকেইটা গল্পতে মানুহৰ বিকাৰগ্ৰস্ত মানসিকতাক বিষয়বস্তু ৰূপে গ্ৰহণ কৰা হৈছে, সেই আটাইবোৰ গল্পই কমবেছি পৰিমাণে সাৰ্থকতাৰ সীমা স্পৰ্শ কৰিছে। বিকৃত মানসিকতাৰ বিষয়ে বিশ্লেষণাত্মক দৃষ্টিভংগীৰে লিখা গল্প হোমেন বৰগোহাঞিৰ হাতত একাধিক সৃষ্টি হৈছে। অসমীয়া মনস্তাত্বিক চুটিগল্পৰ ধাৰালৈ এই গৰাকী গল্পকাৰৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য।

*ৰামধেনুৰ* পাতত প্ৰকাশিত 'চিকাৰ'[১৫৬] গল্পৰ নায়ক অনিল কাপুৰুষ। প্ৰেমিকা মাখনীক অন্তঃসত্বা কৰি তাইৰ কাষৰ পৰা অনিল আঁতৰি পলাবলৈ যত্ন কৰোতে মাখনীয়ে তাক ধৰা পেলায়। তাই সিহঁতৰ আহিবলগীয়া সন্তানটোৰ দোহাই দি তাইক বিয়া কৰিবলৈ অনুৰোধ জনায়। কিন্তু তেতিয়া অনিলে সেই সন্তানৰ পিতৃ সি নহয়, বৰঞ্চ যতীনহে বুলি তাইৰ গাত মিছা কলংক সানিবলৈ চেষ্টা কৰে। মাখনীয়ে এই অপবাদ শুনাৰ লগে লগে ক্ৰুদ্ধা বাঘিনীৰ ৰূপ ধাৰণ কৰাত সজ্ঞানে-সুস্থিৰে অনিলে তাইক হত্যা কৰিলে। তাৰপিছত এটা চিগাৰেট জ্বলাই লৈ সি যি কৰিলে তাৰ বাহিৰে আৰু কি কৰিব পাৰিলেহেঁতেন

---

১৫৬। হোমেন বৰগোহাঞি –'চিকাৰ,' *ৰামধেনু*, ৮ ম বছৰ ৯ মসংখ্যা

তাকে ভাবি ভাবি নিজৰ বাটত খোজ দিছে। ফ্ৰয়ডীয় দৰ্শন অনুসৰি উৎপীড়নপ্ৰৱণতা মানুহৰ চিৰন্তন মৌলিক প্ৰবৃত্তিসমূহৰ অন্যতম। মানুহৰ মনৰ অৱচেতনাত ই ক্ৰিয়া কৰি থাকে। কেতিয়াবা মৃত্যুস্পৃহাৰ পৰাও এই প্ৰৱণতাই গা কৰি উঠিব পাৰে। সামাজিক ৰীতি-নীতি, সভ্যতা, মূল্যবোধ আৰু সংস্কাৰৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ মানুহৰ উৎপীড়নপ্ৰৱণতা সুপ্ত হৈ থাকে। *ৰামধেনুৰ* গল্পত বহুকেইজন গল্পকাৰে মনস্তত্বৰ এই দিশটো যথেষ্ট সফলতাৰে তেওঁলোকৰ গল্পত তুলি ধৰিছে।

মানুহৰ অৱচেতনাত লুকাই থকা উৎপীড়নপ্ৰৱণতাই সামান্য সুযোগ পালেই কেনেদৰে জাগ্ৰত হৈ উঠে তাৰ যথাৰ্থ প্ৰমাণ পোৱা যায় দেশ বিভাজনৰ পটভূমিত ৰচিত চৈয়দ আব্দুল মালিকৰ বিখ্যাত গল্প 'বীভৎস বেদনা'ত।[১৫৭] সভ্য সমাজৰ জীৱশ্ৰেষ্ঠ মানুহৰ পাশৱিক মনোবৃত্তি চৰিতাৰ্থ কৰাৰ কাহিনী ইয়াত আছে। স্বাধীনতাৰ প্ৰাক-মূহূৰ্তত দেশ বিভাজনৰ সময়খিনিত ধৰ্মৰ নামত, সাম্প্ৰদায়িকতাৰ নামত মানৱীয়তাক সম্পূৰ্ণ বিসৰ্জন দি অৰ্জন কৰা পাশৱিকতাৰ বাস্তৱ বৰ্ণনা দাঙি ধৰা হৈছে 'বীভৎস বেদনা'ত। সেইখিনি সময়ত মানুহৰ জীৱন যিদৰে মূল্যহীন হৈ পৰিছিল, শ শ নাৰী যিদৰে নিৰ্যাতিতা হৈছিল তাৰ বিচাৰ একো নাছিল। স্বাধীনতা লাভৰ আঁৰৰ একে কদৰ্য ৰূপ গল্পটোৰ জৰিয়তে স্পষ্ট হৈ উঠিছে। সময়ৰ এনে পাশৱিক মানসিকতাই মানুহৰ মনত লুকাই থকা উৎপীড়নপ্ৰৱণতাক কলাসন্মত ভাৱে গল্পকাৰে প্ৰকাশ কৰিব পাৰিছে কাৰণেই গল্পটোৱে নগ্নতাৰ বিপৰীতে ৰূঢ় বাস্তৱক যথাৰ্থৰূপ দিবলৈ সক্ষম হৈছে।

হোমেন বৰগোহাঞিৰ গল্পৰ ক্ষেত্ৰত দেখা যায় যে কেতিয়াবা একেটা গল্পতে মনস্তত্বৰ একাধিক দিশ প্ৰতিফলিত হয়। তেওঁৰ 'অক্টোপাছ'[১৫৮] গল্পত ৰুগ্ন মানসিকতাৰ ধাৰণাও পোৱা যায় আৰু উৎপীড়ন প্ৰৱণতাৰ প্ৰভাৱো দেখা যায়। গল্পৰ নায়ক বব নামৰ চৰিত্ৰটোৱে একাধিক নাৰীক কোনো কাৰণ নোহোৱাকৈ হত্যা কৰা আৰু প্ৰতিটো হত্যাকাণ্ডৰ পিছত পৰম তৃপ্তি অনুভৱ কৰাৰ যি মানসিকতা সেয়া দৰাচলতে ৰুগ্ন মানসিকতাৰেই পৰিচায়ক। বব নামৰ এই নিগ্ৰো সৈনিকজনৰ আচহুৱা চৰিত্ৰ আৰু উদ্ভট কাৰ্য-কলাপক লেখকে নিখুঁতভাৱে দাঙি ধৰিবলৈ সক্ষম হৈছে। সৈনিকৰ জীৱন কটোৱা ববৰ বাবে বেশ্যা জীৱনৰ প্ৰধান

---

১৫৭। আব্দুল মালিক – 'বীভৎস বেদনা' *ৰামধেনু* ৮ ম বছৰ ৯ম সংখ্যা

১৫৮। হোমেন বৰগোহাঞি –'অক্টোপাছ', *ৰামধেনু* ৬ষ্ঠ বছৰ, ৯ম সংখ্যা

সংগী। সুললিত সুৰৰ মূৰ্চ্ছনা তুলি গান গোৱা এই একেজন বাবেই কিন্তু নিৰ্বিকাৰ চিত্তে এজনী নাৰীৰ মূৰত হাতুৰীৰে প্ৰচণ্ড আঘাত কৰি দুফাল কৰিব পাৰে আৰু আনকি পৰম তৃপ্তিৰে সেই বীভৎস দৃশ্য উপভোগ কৰিবও পাৰে। জুডি নামৰ তিৰোতাগৰাকীক ডিঙি চেপি হত্যা কৰা ববৰ কাৰণে হত্যাকাণ্ড হৈ পৰে এটা বিশেষ আনন্দৰ বিষয়। গল্পটোৰ মাজেৰে লেখকে মানুহৰ অৱচেতন মনৰ মাজত হত্যাৰ প্ৰৱণতা সজীৱ হৈ থাকে বুলি প্ৰকাশ কৰিব খুজিছে। চিৰন্তন নীতিবোধ আৰু সমাজব্যৱস্থাই এই প্ৰৱণতাক বাধা দি ৰাখিব খোজে। মানুহৰ মনৰ এনে মনস্তাত্বিক সত্য প্ৰকাশক গল্প হিচাপে ‘অক্টোপাছ’ সফল গল্প। এই গল্পটোত ববৰ কাৰ্য-কলাপৰ বৰ্ণনাৰে যি এক বিচিত্ৰ পৰিস্থিতিৰ সৃষ্টি কৰা হৈছে সেইয়া বাহিৰৰ জগতখনৰ যুক্তিৰ অধীন নহয়। ববৰ উদ্ভট কাৰ্য-কলাপৰ দ্বাৰা মানুহৰ মন গভীৰতাত লুকাই থকা হত্যাৰ প্ৰৱণতা আৰু উৎপীড়নপ্ৰৱণতাৰ দৰে গূঢ়তৰ মনস্তাত্বিক সত্যক দেখুৱাবলৈ যত্ন কৰা হৈছে। মানুহৰ চিৰন্তন মৌলিক প্ৰবৃত্তিবোৰৰ ভিতৰত হত্যা প্ৰৱণতা বা উৎপীড়নপ্ৰৱণতাও যে এটা মৌলিক প্ৰবৃত্তি এই সত্যক ‘অক্টোপাছ’ৰ দ্বাৰা প্ৰতিপন্ন কৰিবলৈ যত্ন কৰা হৈছে।

*ৰামধেনু*ত প্ৰকাশিত বৃদ্ধ মনস্তত্ব বিষয়ক সাৰ্থক গল্প হিচাপে বাসন্তী বৰুৱাৰ ‘সম্ৰাট’[১৫৯] গল্পটো বিশেষভাৱে উল্লেখযোগ্য। বৃদ্ধ কৃষ্ণানন্দ বৰুৱাই ক্ৰমান্বয়ে অনুভৱ কৰিবলৈ লয় যে বুঢ়া হৈ অপ্ৰয়োজনীয় হৈ অহাৰ লগে লগে তেওঁৰ মূল্য তেনেই কমি গৈছে। তেওঁক সকলোৱে অৱহেলা কৰে কাৰণ তেওঁ এজন বৃদ্ধ ব্যক্তি। গতিকে সকলোৰে বাবে তেওঁ অবাঞ্চিত,– এইবোৰ অনুভৱে কৃষ্ণানন্দ বৰুৱাক অভিমানী কৰি তোলে আৰু এদিন তেওঁ হঠাৎ জ্বৰত পৰে। দেউতাকৰ অসুখৰ খবৰ পায়েই দূৰ-দূৰণিত থকা আটাইকেইজন পুতেক-বোৱাৰীয়েক আৰু বিয়া দিয়া জী-জোঁৱাইহঁত ঢপলিয়াই আহি ঘৰ পালেহি। সকলোবোৰ ব্যতিব্যস্ত হৈ পৰিল পিতৃৰ শুশ্ৰূষাত। পো-বোৱাৰী, জী-জোঁৱাইহঁতৰ শ্ৰদ্ধা আৰু স্নেহ, নাতি-নাতিনীহঁতৰ মৰম-আদৰত কৃষ্ণানন্দ বৰুৱাই সোনকালেই আৰোগ্য লাভ কৰিলে- দেহৰ অসুস্থতাৰ পৰাও আৰু লগতে মনৰ অসুখৰ পৰাও। তেওঁৰ আগৰ ভুল ভাঙিলে। তেওঁ বুজি পালে যে তেওঁ অকলশৰীয়া নহয়, কোনেও তেওঁক তিলমাত্ৰাও অৱহেলা নকৰে-কামৰ তাগিদাতহে সকলোৱে দূৰে দূৰে থাকে। বৃদ্ধ মনস্তত্বৰ এই দিশটো পোহৰলৈ অনাত গল্পকাৰ বাসন্তী বৰুৱাই তেওঁৰ বিচাৰ-বিশ্লেষণত সম্পূৰ্ণ সাৰ্থকতা লাভ কৰিছে।

---

১৫৯। বাসন্তী বৰুৱা - ‘সম্ৰাট,’ *ৰামধেনু*, ১৫শ বছৰ, ১২শ সংখ্যা

এই প্ৰসংগতে সৌৰভ কুমাৰ চলিহাৰ "অশান্ত ইলেক্ট্ৰন' গল্পটোলৈও আঙুলিয়াব পাৰি। বাৰ্ধক্য মানুহৰ বাবে কিমান বেদনাদায়ক তাকে মনঃসমীক্ষণৰ দ্বাৰা ইয়াত দেখুওৱা হৈছে। বৃদ্ধ হৈ অহাৰ লগে লগে পিতৃ-মাতৃ ক্ৰমান্বয়ে সন্তানৰ বাবে অলাগতিয়াল হৈ পৰে। তেওঁলোক অৱহেলিত হৈ নিঃসংগতাবোধৰ চৰম পীড়া ভোগ কৰে ।এই গল্পটোত বৃদ্ধৰ নিঃসংগ যন্ত্ৰণাক এনে ধৰণে প্ৰকাশ কৰিছে— 'কোনেও যেন ভালকৈ দুআষাৰ কথা পাতিব নোখোজে, সকলোৱে যেন বৃদ্ধক এৰাই চলিব খোজে, দুৰ্বল শৰীৰ, ক্ষীণ দৃষ্টিশক্তি লৈ বৃদ্ধই খবৰ কাগজৰ পৰা পৃথিৱীৰ স্পন্দনটো অনুভৱ কৰিবৰ চেষ্টা কৰে।'[১৬০] 'সম্ৰাট' গল্পৰ বৃদ্ধজনৰ দৰে কিন্তু এইজন বৃদ্ধৰ অনুভৱ অমূলক নহয়, ভুল নহয়। কিয়নো এইজন বৃদ্ধই অৱহেলিত অনুভৱ কৰাৰ কাৰণ আছে । অতিমাত্ৰা ৰক্তচাপত ভোগা বৃদ্ধৰ বাবে অতিমাত্ৰা প্ৰয়োজনীয় নিৰিবিলি পৰিবেশ এটাৰ সৃষ্টি কৰাৰ কথা কোনেও চিন্তা নকৰে। সেয়েহে তেনেস্থলতো তেওঁৰ ঘৰত সংগীতৰ আখৰাৰ নামত অনাৱশ্যক হৈ-চৈৰ সৃষ্টি কৰা হয়।

অসমীয়া মনস্তত্বমূলক গল্পৰ আন এটা আলোচ্য দিশ হ'ল শিশু মনস্তত্ব। অসমীয়া চুটিগল্পৰ জনক বেজবৰুৱাই শিশু মনস্তত্বক চুটিগল্পত পোন প্ৰথম বাৰৰ বাবে সাৰ্থকভাৱে বিশ্লেষণ কৰিছিল 'মুক্তি' গল্পত। মুকলিমূৰীয়া শিশু সুকুমাৰৰ ওপৰত ককায়েক দেৱকুমাৰৰ অতি শাসন আৰু কঠোৰ নিয়মে কিদৰে হিতে বিপৰীত ৰূপ ধাৰণ কৰিব পাৰে তাৰ মনোবৈজ্ঞানিক বিশ্লেষণ যথাৰ্থ ভাৱে দাঙি ধৰা হৈছে। *ৰামধেনু*ত এনে ধৰণৰ শিশু মনস্তত্বৰ ওপৰত ভিত্তি কৰি লিখা গল্পৰ সংখ্যা তেনেই তকৰ, নীলিমা শৰ্মাৰ 'সেতু বন্ধন'[১৬১] এই এই প্ৰসংগত উল্লেখযোগ্য। শিশুৰ মনত কোনো এটা ধাৰণা গঢ় লৈ উঠিলে সিয়েই শিশুৰ জীৱনৰ ওপৰত গভীৰভাৱে প্ৰভাৱ পেলায়। মাতৃহীনা ৰুবুলৰ মাহীমাক দীক্ষাৰ অন্তৰত ৰুবুলৰ প্ৰতি আন্তৰিক স্নেহ থাকিলেও পূৰ্বতে আইতাকে মাহীমাক কেতিয়াও মৰমিয়াল হ'ব নোৱাৰে- এই ধাৰণাটো তাৰ মনত ভৰাই দিয়া বাবে সি দীক্ষাৰ ওচৰত সহজ হব পৰা নাছিল। বৰঞ্চ এটা অহেতুক ভয় আৰু বিতৃষ্ণাই দীক্ষাৰ পৰা ৰুবুলক আঁতৰাই ৰাখিছিল। ৰুবুলৰ মনোজগতত গা কৰি উঠা এই ধাৰণাটো অৱশ্যে কাহিনীৰ অন্তত পৰিবৰ্তিত হৈছে, যেতিয়া সি লক্ষ্য কৰিলে আৰু গম পালে যে সকলো মাহীমাকেই বেয়া নহয়, তেজীমলাৰ মাহীমাকৰ দৰে নহয়। তাৰ মাহীমাকেও তাক মৰম কৰে, ভালপায়। কিজানি মাহীমাকজনীক ঈশ্বৰে মাক হিচাপেই তাৰ ওচৰলৈ পঠিয়াই দিছে-এনে উপলব্ধিৰে অৱশেষত মাতৃ আৰু পুত্ৰৰ মিলন ঘটিছে।

---

১৬০। সৌৰভ কুমাৰ চলিহা- 'অশান্ত ইলেক্ট্ৰন,' *অশান্ত ইলেক্ট্ৰন*, পৃ ১৩

১৬১। নীলিমাশৰ্মা- 'সেতু বন্ধন,' *ৰামধেনু*, ১৫শ বছৰ ২য় সংখ্যা